www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

যিজন মানুহক তুমি ভাল নোপোৱা সেইজনৰ বিষয়ে ভাবি এক মুহূৰ্ত সময়ো নষ্ট নকৰিবা। -আইজেনহাৱাৰ

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❑ প্ৰথম বছৰ ❑ সংখ্যা- ১৮৭ ❑ শনিবাৰ ❑ ৯ মে', ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 187 ❑ Saturday ❑ 9th May, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page- 8

❑ জেপি নাড্ডাৰ উপস্থিতিত নিৰ্বাচিত হ'ব বিধায়িনী দলৰ নেতা ❑

## কাইলৈ বিজেপিৰ বিধায়িনী দলৰ বৈঠক



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ মে' ঃ** অসমত তৃতীয়বাৰৰ বাবে চৰকাৰ গঠনৰ প্ৰস্তুতিৰ মাজতে বিজেপি বিধায়ক দলৰ বৈঠকৰ সময়সূচী সলনি কৰা হৈছে। সূত্ৰৰ মতে, অহা ১০ মে'ৰ পুৱা ৯ বজাত এই গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে নিৰ্ধাৰিত সময়তকৈ ❑ ৬ পৃষ্ঠাত

■ অমিত শ্বাহৰ উপস্থিতিত বিধায়িনী দলৰ বৈঠকত নিৰ্বাচিত ■

# পশ্চিমবংগৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব শুভেন্দু অধিকাৰীয়ে

দেশৰ ২০খন বিজেপি শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলকো বিশেষভাৱে নিমন্ত্ৰণ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৯ মে' ঃ** পশ্চিমবংগৰ ৰাজনীতিত ঐতিহাসিক পৰিৱৰ্তন ঘটাই বিজেপিয়ে ৰাজ্যৰ শাসনভাৰ গ্ৰহণ কৰিবলৈ সাজু হৈ উঠিছে। দীৰ্ঘদিনীয়া তৃণমূল কংগ্ৰেছ চৰকাৰৰ অন্ত পেলাই সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত অভূতপূৰ্ব বিজয় লাভ কৰি গেৰুৱা শিবিৰই গঠন কৰিবলৈ যোৱা নতুন চৰকাৰৰ মুখ্যমন্ত্ৰী হিচাপে নিৰ্বাচিত হৈছে শুভেন্দু অধিকাৰী। শুকুৰবাৰে কলকাতাৰ নিউ টাউনস্থিত বিশ্ব বাংলা কনভেনচন চেণ্টাৰত অনুষ্ঠিত বিজেপি বিধায়ক দলৰ বৈঠকত তেওঁক দলীয় নেতা হিচাপে নিৰ্বাচিত কৰা হয়। বিজেপিৰ পশ্চিমবংগ শাখাই আয়োজন কৰা এই গুৰুত্বপূৰ্ণ বৈঠকখনত কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে উপস্থিত আছিল কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত ❑ ৬ পৃষ্ঠাত



১২ মে'ত খানাপাৰাত বিশাল শপতগ্ৰহণ সভা

# দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব ড° হিমন্ত বিশ্ব শৰ্মাই

উপস্থিত থাকিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী; গঢ়ি তোলা হৈছে কটকটীয়া নিৰাপত্তা ব্যৱস্থা

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ মে' ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ত একক সংখ্যাগৰিষ্ঠতা লাভ কৰি বিজেপি নেতৃত্বাধীন এনডিএয়ে তৃতীয়বাৰৰ বাবে ৰাজ্য চৰকাৰ গঠন কৰিবলৈ সাজু হৈ উঠিছে। বিৰোধী দলসমূহক প্ৰায় ধৰাশায়ী কৰি ৰাজ্যৰ শাসনভাৰ ❑ ৬ পৃষ্ঠাত



১০৮ আসন লাভ কৰিও চৰকাৰ গঠনৰ পৰা বঞ্চিত টিভিকে

## তামিলনাডুত বৃহত্তম দলটোক চৰকাৰ গঠনৰ বাবে আমন্ত্ৰণ দিয়ক; ৰাজ্যপালক চিদাম্বৰমৰ সমালোচনা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৯ মে' ঃ** চাৰি ৰাজ্য অসম, তামিলনাডু, কেৰালাম, পশ্চিমবংগ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ ফলাফলত সৰ্বাধিক আলোড়ন সৃষ্টি হৈছে তামিলনাডু আৰু পশ্চিমবংগৰ ফলাফলক লৈ। যোৱা ছয় দশক ধৰি ❑ ৬ পৃষ্ঠাত

## মুছলিম লীগলৈ পৰিণত কংগ্ৰেছ!

কংগ্ৰেছ অক্ষম; এআইইউডিএফে পালন কৰিব মুখ্য বিৰোধীৰ ভূমিকা



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৯ মে' ঃ** অসমত কংগ্ৰেছ দল এতিয়া বিৰোধীৰ দায়িত্ব সঠিকভাৱে নিৰ্বাহ কৰিবলৈ অক্ষম। সেয়েহে আহিবলগীয়া দিনত ৰাজ্যৰ প্ৰধান বিৰোধী শক্তি হিচাপে কাম কৰিব অল ইণ্ডিয়া ইউনাইটেড ডেমক্ৰেটিক ফ্ৰণ্ট (এআইইউডিএফ) দলে। বুধবাৰে গুৱাহাটীত সংবাদ মাধ্যমৰ সন্মুখত উপস্থিত হৈ এই মন্তব্য কৰে দলটোৰ সভাপতি মৌলানা ❑ ৬ পৃষ্ঠাত

■ ৰাইজৰ দলৰ সৈতে মিত্ৰতা ভংগৰ ইংগিত ■

## 'অখিল গগৈ সন্দেহজনক লোকত পৰিণত হৈছে'; সমালোচনা গৌৰৱ গগৈৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ মে' ঃ** অসম বিধানসভা নিৰ্বাচনৰ পাছত বিৰোধী শিবিৰত অনৈক্য চৰম ৰূপ ধাৰণ কৰিছে। কংগ্ৰেছ নেতা তথা পূৰ্বৰ মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পুত্ৰ গৌৰৱ গগৈয়ে ৰাইজৰ দলৰ নেতা অখিল গগৈৰ ❑ ৬ পৃষ্ঠাত

"কংগ্ৰেছৰ ভোট লাভ কৰিহে ধিঙত ৰাইজৰ দলৰ বিধায়ক হৈছে"




মুখ্য সচিব আৰু মুখ্য নিৰ্বাচনী বিষয়ালৈ পত্ৰ প্ৰেৰণ ECIৰ

## অসম সহ চাৰি ৰাজ্য-কেন্দ্ৰ শাসিত অঞ্চলত বিধানসভা নিৰ্বাচনৰ পিছত আচৰণ বিধি বলবৎ

পশ্চিমবংগৰ ফাল্টা সমষ্টিত বহাল থাকিব MCC

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৯ মে' ঃ** অসম বিধানসভা নিৰ্বাচন সম্পূৰ্ণৰূপে সমাপ্ত হোৱাৰ পিছত ভাৰতৰ নিৰ্বাচন আয়োগে (Election Commission of India) আজি ৰাজ্যখনত প্ৰযোজ্য নিৰ্বাচনী আচৰণ বিধি (Model Code of Conduct) উঠাই লোৱাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। এই সিদ্ধান্ত এখন ❑ ৬ পৃষ্ঠাত




পশ্চিমবংগত শুভেন্দু অধিকাৰীৰ শপতগ্ৰহণ এক বিশেষ 'বিজয়ৰ দিন'

## ৯ মে'ৰ পৰা ঝাৰখণ্ডক বাদ দি সমগ্ৰ পূৰ্বাঞ্চল বিজেপি-এনডিএৰ দখললৈ ঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

**নিউজ ডেস্ক, অসম বাৰ্তা, ৯ মে' ঃ** দেশৰ ৰাজনৈতিক প্ৰেক্ষাপটত এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ ইংগিত দি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে যে অহা ৯ মে'ৰ পৰা ঝাৰখণ্ড ৰাজ্যটোক বাদ দি সমগ্ৰ পূৰ্ব ভাৰত আৰু উত্তৰ-পূব ভাৰত বিজেপি তথা ❑ ৬ পৃষ্ঠাত



বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্মজয়ন্তীৰ দিনা এই শপতগ্ৰহণ অনুষ্ঠানটি অনুষ্ঠিত হ'ব

অসমত পৰিকল্পিত অৰ্থনৈতিক আন্দোলনৰ ওকালতি ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ

## আছুৰ কাৰ্যনিৰ্বাহক সভাত শৈক্ষিক বিপ্লৱৰ আহ্বান; ১৮ মে'ত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ মে' ঃ** অসমত এতিয়া এক পৰিকল্পিত অৰ্থনৈতিক আন্দোলন গঢ়ি তোলাৰ জৰুৰী প্ৰয়োজন বুলি মন্তব্য কৰিছে সদৌ অসম ছাত্ৰ সন্থা (আছু)-ৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। শুকুৰবাৰে গুৱাহাটীৰ বিবেকানন্দ কেন্দ্ৰত অনুষ্ঠিত ❑ ৬ পৃষ্ঠাত

■ ১২খন দেশক অৱগত, সংস্পৰ্শৰ সন্ধান অব্যাহত ■

## এন্দুৰে বিয়পাইছে হাণ্টাভাইৰাছ; 'এমভি হণ্ডিয়াছ' ক্ৰুজ জাহাজতে তিনিজনৰ মৃত্যু



স্পেইনৰ কেনেৰী দ্বীপপুঞ্জত যান্ত্ৰিক ত্ৰুটিৰ বাবে আবদ্ধ ৰোগীবাহী এয়াৰ এম্বুলেন্স

**নিউজ ডেস্ক, অসম বাৰ্তা, ৯ মে' ঃ** বিশ্ব স্বাস্থ্য সংস্থাই (WHO) বৃহস্পতিবাৰে এক গুৰুত্বপূৰ্ণ তথ্য স্পষ্ট কৰি জনোৱা মতে, দক্ষিণ আটলাণ্টিক মহাসাগৰত অৱস্থিত দূৰৱৰ্তী ব্ৰিটিছ ভূখণ্ড চেণ্ট হেলেনাৰ সমীপত ক্ৰুজ জাহাজ 'এম ভি হণ্ডিয়াছ'ত সংঘটিত হাণ্টাভাইৰাছৰ প্ৰাদুৰ্ভাৱৰ সৈতে জড়িত মুঠ পাঁচটা নিশ্চিত ❑ ৬ পৃষ্ঠাত

ৰাভা হাছং পৰিষদৰ সচিবালয়ত এনডিএৰ গুৰুত্বপূৰ্ণ বৈঠক

## টংকেশ্বৰ ৰাভাক কেবিনেটত অন্তৰ্ভুক্ত কৰিবলৈ বড়ো-ৰাভা সংগঠনৰ দাবী

❑ ৰাভা হাছং অঞ্চলৰ ৰাইজে এনডিএক প্ৰদান কৰা অভূতপূৰ্ব জনাদেশক কৃতজ্ঞতা দিলীপ শইকীয়াৰ ❑ বেদখলকাৰীৰ বিৰুদ্ধে কঠোৰ হুংকাৰ জয়ন্তমল্লৰ



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ৯ মে' ঃ** ৰাজ্যত পুনৰ গঠন হ'বলৈ গৈ আছে এন ডি এ চৰকাৰ। অহা ১২ মে'ত ড° হিমন্ত বিশ্ব শৰ্মাই দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। এই শপতগ্ৰহণ অনুষ্ঠানৰ পূৰ্বে আজি দুধনৈৰ ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ সচিবালয়ত এন ডি এৰ এক অতি গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। নিৰ্বাচনত ৰাভা হাছং আৰু বি টি আৰ এলেকাত এন ডি এৰ সহযোগী দলসমূহৰ অভূতপূৰ্ব সাফল্যৰ পাছত ❑ ৬ পৃষ্ঠাত



# ধেমাজিত গৰাখহনীয়াৰ ভয়ংকৰ ৰূপ

**অসম বাৰ্তা, ধেমাজি, ৮ মে' ঃ** চপৰা চপৰে খহিছে সোৱনশিৰিৰ নদীৰ গৰা। চৰকাৰৰ অভিলাষী আচনীয়ে ঢুকি নোপোৱাত আতংকিত নৈপৰীয়া ৰাইজ। আনফালেদি সোৱনশিৰি নদীৰ ওপৰত নিৰ্মাণ প্ৰায় সম্পন্ন হৈ উঠিছে নামনি সোৱনশিৰি জলবিদ্যুৎ প্ৰকল্প। ধেমাজি বান সমস্যা ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰি স্থায়ী সমাধান বাবে সদৌ অসম ছাত্ৰ সন্থাকে ধৰি বিভিন্ন দল সংগঠনে ৰাজ্য চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰক বাৰম্বাৰ দাবী জনাই অহাৰ পিছতো বান সমস্যাক স্থায়ী সমাধানৰ সূত্ৰ আজিকোপতি ৰচনা নহ'ল। বান সমস্যাটো সমাধানৰ ক্ষেত্ৰত উন্নত প্ৰযুক্তি ব্যৱহাৰ কৰি সমাধান কৰা নাই বুলি দাবী কৰে ছাত্ৰ নেতা গৰাকীয়ে। ইফালা ছাত্ৰ নেতা গৰাকীয়ে উল্লেখ কৰি কয় যে বিগত বহু বছৰ ধৰি সোৱনশিৰি নদীয়ে বাৰিষাৰ সময়ত এক ভয়ংকৰ ৰূপ ধান কৰি অহাৰ ফলত নৈ পৰিয়া ৰাইজৰ পানীত হাঁহ-নচৰা এক অৱস্থা সৃষ্টি হৈ আহিছে বুলি মন্তব্য প্ৰকাশ কৰে। বান গৰাখহনীয়াৰ ফলত ২০০ বিঘাকৈ কৃষি ভূমিকে ধৰি বহু গাঁও বানৰ কৱলত জাহ যোৱা বুলি উল্লেখ কৰি কয় যে ভাৰতীয় কৃষি গৱেষণাগাৰ নিচিনা প্ৰতিষ্ঠাৰ প্ৰতি চলিত বৰ্ষৰ বানে ভাবুকি কঢ়িয়া আনিছে বুলি জানিব দিয়ে। লগতে ছাত্ৰ নেতা গৰাকীয়ে কয় যে চৰকাৰে সোৱনশিৰি নদীখনক যেনেদৰে সুৰক্ষা বা বাননিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব লাগিছিল তেনে নকৰাৰ ফলতে নদীখনৰ বিভিন্ন স্থানত গৰাখহনীয়া দিনক দিনে বৃদ্ধি পাইছে বুলি সদৰি কয়। ৰাজ্য চৰকাৰে প্ৰকাশ কৰা বিভিন্ন আঁচনি সমূহ ক'ত ব্যৱহাৰ কৰিছে বুলি প্ৰশ্ন উত্থাপন কৰাৰ লগতে সু-পৰিকল্পিত আৰু বিজ্ঞান সন্মতভাৱে ৰূপায়ণ নকৰাৰ ফলত নদীয়ে কালৰূপ ধাৰণ কৰি আহিছে বুলি উল্লেখ কৰি ছাত্ৰ সংগঠটোৱে অতি সোনকালে উন্নত মানদণ্ডৰে স্থায়ী সমাধান কৰিবলৈ ৰাজ্য তথা কেন্দ্ৰীয় চৰকাক দাবী জনাই।

# চৰম ৰাজনৈতিক সংকটত উজনিৰ দুই প্ৰভাৱশালী ৰাজনীতিকৰ

## ন'টাত কৈ কম ভোট লাভ দিলীপ মৰাণ-লক্ষেশ্বৰ মৰাণৰ

### 'একালৰ বৃন্দাবন একালত পৰে ছন'

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৮ মে' ঃ** 'একালৰ বৃন্দাবন, একালত পৰে ছন'- বুলি অসমীয়াত এটা জনপ্ৰিয় ফকৰা যোজনা আছে। উক্ত ফকৰা যোজনাটি যেন সম্পূৰ্ণ প্ৰযোজ্য হৈছে উজনিৰ দুগৰাকী বিশেষ ৰাজনীতিকৰ ক্ষেত্ৰত। তেওঁলোক হৈছে ১২৫নং ডুমডুমা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিজেপিৰ বিধায়ক দিলীপ মৰাণ আৰু তিনিচুকীয়া জিলা বিজেপিৰ প্ৰাক্তন সভাপতি লক্ষেশ্বৰ মৰাণ। এই দুগৰাকী নেতা এইবাৰেই বিশেষ যে দুয়ো সদ্য ফলাফল ঘোষিত অসম বিধানসভা নিৰ্বাচনত দুয়োগৰাকী নেতাই দুটা ভিন্ন সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াই ন'টা (None of the above)ত কৈ কম ভোট লাভ কৰি একপ্ৰকাৰ অভিলেখ গঢ়ে। ইয়াৰে দিলীপ মৰাণে নৱগঠিত ৮৫ নং মাকুম বিধানসভা সমষ্টিত তৃণমূল কংগ্ৰেছৰ টিকটত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ বিপৰীতে লক্ষেশ্বৰ মৰাণে ৮৪ নং ডিগবৈ বিধানসভা সমষ্টিৰ পৰা নিৰ্দলীয়ৰূপে নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। দিলীপ মৰাণে এই বাৰ ৭২, ৫০৮টা ভোটত পৰাজয় বৰণ কৰাৰ বিপৰীতে লক্ষেশ্বৰ মৰাণ পৰাজিত ৬৪, ০২৪টা ভোটত। উল্লেখ্য যে, মাকুম সমষ্টিত এইবাৰ বিজেপিৰ সঞ্জয় কিষাণে সৰ্বমুঠ ৭৪, ৬৯৪টা ভোট লাভ কৰি শেষ হাঁহি মৰাৰ বিপৰীতে কংগ্ৰেছৰ শিৱনাথ চেতিয়াই ৪৬, ৪১৮টা ভোটৰে দ্বিতীয় স্থানত থাকে। বিপৰীতে কংগ্ৰেছৰ টিকটৰ পৰা বঞ্চিত হৈ অল ইণ্ডিয়া তৃণমূল কংগ্ৰেছৰ টিকটত প্ৰতিদ্বন্দ্বিতা কৰা দিলীপ মৰাণে ২,১৮৬টা ভোট লাভ কৰে। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে সমষ্টিটোত এইবাৰ ন'টাত পৰে ৩,০৪৭টা ভোট। অৰ্থাৎ দিলীপ মৰাণে ন'টাত কৈ ৮৪১টা কম ভোট লাভ কৰে। মৰাণে পোষ্টেল বেলটত লাভ কৰে ১১টা ভোট। ঠিক সেইদৰে, ডিগবৈ সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী লক্ষেশ্বৰ মৰাণে লাভ কৰে মাত্ৰ ১, ৬৬৬টা ভোট। স্মৰ্তব্য যে, সমষ্টিটোত এইবাৰৰ নিৰ্বাচনত ন'টাত পৰে ২, ৬৯৭টা ভোট। অৰ্থাৎ মৰাণে ন'টাত কৈ ১, ০৩১টা কম ভোট লাভ কৰে। সমষ্টিটোত এইবাৰ বিজেপিৰ সুৰেন ফুকনে ৬৫, ৬৯০টা ভোট লাভ কৰাৰ বিপৰীতে ৰাইজৰ দলৰ দুলাল মৰাণে ২৪, ৬১৭ টা, ঝাৰখণ্ড মুক্তি মৰ্চাৰ ভৰত নায়কে ১৯, ৬৩৮টা আৰু তৃণমূল কংগ্ৰেছৰ জিতেন নাগে ২, ৪৪১টা ভোট লাভ কৰে। লক্ষেশ্বৰ মৰাণে পোষ্টেল বেলটত লাভ কৰে ১০টা ভোট। উল্লেখযোগ্য যে, বিজেপি, অসম দৃষ্টি পাৰ্টিৰ পিছতে অৱশেষত কংগ্ৰেছ দল এৰা ডুমডুমাৰ প্ৰাক্তন বিজেপি বিধায়ক দিলীপ মৰাণে পৰিশেষত নৱগঠিত ৮৫ নং মাকুম বিধানসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। ২০১১ চনৰ বিধানসভা নিৰ্বাচনত ডুমডুমা সমষ্টিত বিজেপি দলৰ পৰা জয়ী হোৱা দিলীপ মৰাণে ২০১৬ চনৰ নিৰ্বাচনত কংগ্ৰেছৰ দুৰ্গা ভূমিজৰ হাতত মাত্ৰ ৭৮২টা ভোটৰ ব্যৱধানত পৰাজিত হৈছিল। সেইবাৰৰ নিৰ্বাচনত ৪, ৬৫৬টা ভোটত জয়ী হোৱা দিলীপ মৰাণে পাইছিল ৩১, ৭০৯টা ভোট। সেইদৰে ২০১৬ চনত ৪৬, ১৫৬টা ভোট পাবলৈ সক্ষম হোৱা দিলীপ মৰাণে ২০০৬ চনৰ নিৰ্বাচনত লাভ কৰিছিল ২২, ২৫৯টা ভোট। জীৱনৰ প্ৰথম নিৰ্বাচনত ১, ৯৯৬টা ভোটত পৰাজিত হোৱা দিলীপ মৰাণে তিনিবাৰকৈ ডুমডুমা বিধানসভা সমষ্টিত বিজেপিৰ টিকটত প্ৰতিদ্বন্দ্বিতা কৰি প্ৰতিবাৰতে সৱল প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। এবাৰ জয়ৰ মুখ দেখাৰ বিপৰীতে দুবাৰ কমসংখ্যক ভোটত পৰাজয় বৰণ কৰিছিল ডুমডুমা বিধানসভা সমষ্টিৰ প্ৰথমগৰাকী অকংগ্ৰেছী বিধায়ক দিলীপ মৰাণে। ২০১৯ চনৰ লোকসভা নিৰ্বাচনত লখিমপুৰ সমষ্টিত দলীয় টিকটৰ পৰা বঞ্চিত হোৱাৰ ক্ষোভতেই বিজেপি দল ত্যাগ কৰা তথা ৰাজ্যিক বিজেপিৰ উপ-সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্বত কাৰ্যনিৰ্বাহ কৰা দিলীপ মৰাণে 'অসম দৃষ্টি পাৰ্টি' নামৰ এক ৰাজনৈতিক দল গঠন কৰি লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল। মৰাণে সেইবাৰ ৮, ২৮৫টা ভোট লাভ কৰি সপ্তম স্থানত ৰৈছিল। উজনি অসমত বিজেপি দলৰ অন্যতম গুৰি ধৰোঁতা দিলীপ মৰাণে যোৱা লোকসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত কংগ্ৰেছ দলত যোগদান কৰি তিনিচুকীয়া জিলা কংগ্ৰেছৰ উপ-সভাপতিৰ দায়িত্ব লাভ কৰিছিল। তেতিয়াৰে পৰাই কংগ্ৰেছ দলত সক্ৰিয়ভাৱে কাম-কাজ চলাই অহা দিলীপ মৰাণ এইবাৰৰ নিৰ্বাচনত নৱগঠিত মাকুম সমষ্টিত কংগ্ৰেছ দলৰ অন্যতম প্ৰাৰ্থীত্ব প্ৰত্যাশী আছিল। অৱশেষত দলে সমষ্টিটোত যুৱ নেতা শিৱনাথ চেতিয়াক প্ৰাৰ্থীত্ব প্ৰদান কৰাত দলীয় টিকটৰ পৰা বঞ্চিত হোৱা দিলীপ মৰাণে অৱশেষত তৃণমূল কংগ্ৰেছৰ টিকটত প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। আনহাতে, তিনিচুকীয়া জিলা বিজেপিৰ প্ৰাক্তন সভাপতি লক্ষেশ্বৰ মৰাণে ২০২১ চনৰ নিৰ্বাচনত ডুমডুমা সমষ্টিৰ দলীয় টিকটৰ প্ৰবল দাবীদাৰ হৈও টিকটৰ পৰা বঞ্চিত হোৱাত নিৰ্দলীয় প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই প্ৰায় ১৬ হেজাৰ ভোট লাভ কৰিবলৈ সক্ষম হৈছিল। আনহাতে, এইবাৰ নিৰ্বাচনত ডিগবৈ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰাৰ লক্ষেৰে কংগ্ৰেছত যোগদান কৰা লক্ষেশ্বৰ মৰাণ সমষ্টিটোৰ কংগ্ৰেছৰ টিকটৰ প্ৰবল দাবীদাৰ আছিল যদিও মিত্ৰতাৰ স্বাৰ্থত কংগ্ৰেছে সমষ্টিটো ৰাইজৰ দলক এৰি দিয়াত এইবাৰো টিকটৰ পৰা বঞ্চিত হয় তেওঁ। শেষ মুহূৰ্তত সমষ্টিটোত নিৰ্দলীয়ভাৱে নিৰ্বাচনত অৱতীৰ্ণ হয় মৰাণে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা এয়ে যে এইগৰাকী লক্ষেশ্বৰ মৰাণে এসময়ত মাৰ্ঘেৰিটা সমষ্টিৰ উপ-নিৰ্বাচনত প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ বিৰুদ্ধে অৱতীৰ্ণ হৈ অতি কমসংখ্যক ভোটত পৰাজিত হৈছিল। মুঠৰ ওপৰত, একালৰ বৃন্দাবন একালত পৰে ছন -ৰ দৰে হৈছে এই দুগৰাকী নেতাৰ। এক কথাত ৰাজনৈতিক সংকটত পৰিছে এসময়ৰ উজনিৰ দুই প্ৰভাৱশালী ৰাজনীতিক দিলীপ মৰাণ আৰু লক্ষেশ্বৰ মৰাণ।




# কেইবা লক্ষাধিক টকাৰ সোণ-ৰূপ লুট, ক্ষোভিত জনতা

# ঢেকীয়াজুলিৰ শ্ৰীশ্ৰী কালি মন্দিৰত পুনৰ ভয়ংকৰ চুৰিকাণ্ড

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৮ মে' ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত শ্বহীদ নগৰী ঢেকীয়াজুলিত পুনৰ সংঘটিত হৈছে এক ভয়ংকৰ চুৰিকাণ্ড। উক্ত চুৰিকাণ্ডৰ পিছতে সমগ্ৰ অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে ঢেকীয়াজুলি নগৰৰ মাজমজিয়াত নৱৰত্ন ক্লাবৰ প্ৰাংগনত অৱস্থিত পবিত্ৰ শ্ৰীশ্ৰী কালি মন্দিৰত কালি নিশা চোৰৰ দলে অভিযান চলাই বৃহৎ পৰিমাণৰ সম্পত্তি লুট কৰি নিয়ে। প্ৰাপ্ত তথ্য অনুসৰি আন্ধাৰৰ সুযোগ লৈ এক সংগঠিত চোৰৰ দলে মন্দিৰত প্ৰৱেশ কৰি কেইবালক্ষাধিক টকাৰ মূল্যৰ সোণৰ আ-অলংকাৰ, পূজাৰ সামগ্ৰী আৰু মন্দিৰত থকা দানপাত্ৰ ভাঙি তাৰ ভিতৰৰ ধন-সম্পত্তিও লৈ পলায়ন কৰে। ঘটনাটো পুৱা প্ৰকাশ পোৱাৰ পিছতেই স্থানীয় লোকসকলৰ মাজত চাঞ্চল্য আৰু আতংকৰ সৃষ্টি হয়। অতিকৈ গুৰুত্বপূৰ্ণ কথা হৈছে—এই একেটা মন্দিৰত ইতিপূৰ্বেও চাৰিবাৰকৈ চুৰিকাণ্ড সংঘটিত হৈছিল। তাৰ পাছতো যথাযথ নিৰাপত্তা ব্যৱস্থা গ্ৰহণ নকৰাত পুনৰ এনে ঘটনা সংঘটিত হোৱাত স্থানীয় ৰাইজৰ মাজত তীব্ৰ ক্ষোভ দেখা গৈছে। ঘটনাস্থলীত উপস্থিত হৈ বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিসকলে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে আৰু আৰক্ষীৰ বিৰুদ্ধে অৱহেলাৰ অভিযোগ তোলে। তেওঁলোকে দোষীক অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ লগতে মন্দিৰসমূহত কঠোৰ নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনায়। ইফালে, ঘটনাৰ খবৰ পোৱাৰ লগে লগে ঢেকীয়াজুলি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দীপক দাসৰ নিৰ্দেশত তথা উপ পৰিদৰ্শক প্ৰদীপ বৰাৰ নেতৃত্বত আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। কিন্তু বৰ্তমানলৈকে কোনো সন্দেহভাজনক আটক কৰাৰ খবৰ পোৱা হোৱা নাই। এই পুনৰাবৃত্ত চুৰিকাণ্ডে এতিয়া ঢেকীয়াজুলিৰ সাধাৰণ ৰাইজক উদ্বিগ্ন কৰি তুলিছে আৰু আইন-শৃংখলা ব্যৱস্থাক লৈ বহু প্ৰশ্ন উত্থাপন কৰিছে।

# ধিং মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যাপক সুভাষ চন্দ্ৰ বৰা সোঁৱৰণত নিৰ্মিত শিক্ষকৰ জিৰণি কোঠা উদ্বোধন

**অসম বাৰ্তা, বটদ্ৰৱা, ৮ মে' ঃ** নগাঁও জিলাৰ উত্তৰ পশ্চিমাঞ্চৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান ধিং মহাবিদ্যালয় ১৯৬৫ চনত স্থাপন কৰা প্ৰতিষ্ঠাপক অধ্যাপক স্বৰ্গীয় সুভাষ চন্দ্ৰ বৰাৰ সোঁৱৰণত নিৰ্মিত শিক্ষকৰ জিৰণি কোঠাটি আজি আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ইন্দ্ৰ নাৰায়ণ মহন্তই। বন্তি প্ৰজ্বলন কৰে অধ্যাপক গৰাকীৰ পত্নী গীতা বৰাই। এই উপলক্ষে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ইন্দ্ৰ নাৰায়ণ মহন্তৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অধ্যক্ষ ড° বিমান হাজৰিকাই। সভাৰ আৰম্ভণিতে মহাবিদ্যালয় গীতটি পৰিবেশন কৰে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা সকলৰ লগতে কৰ্মচাৰী সকলে। সভাত মহাবিদ্যালয়ৰ ফালৰ পৰা সুভাষ চন্দ্ৰ বৰাৰ পত্নীক এখন ফুলাম গামোচা, এটি স্মাৰক আৰু এখন শৰাইৰে সম্বৰ্ধনা জনোৱা হয় আৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ফালৰ পৰা মীৰাজুল ইছলামে সম্বৰ্ধনা জনায়। লগতে কন্যা ৰঞ্জিতা বৰা আৰু জোৱাঁইয়েক নিৰেন শৰ্মাক একোখন কৈ গোমোচাৰে সম্বৰ্ধনা জনোৱা হয়। সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান হাজৰিকাই প্ৰতিষ্ঠাপক অধ্যাপক গৰাকীৰ ত্যাগ আৰু পৰিশ্ৰমৰ ওপৰতভাষণ ৰাখে। সভাত জ্যেষ্ঠ অধ্যাপক গোবিন ভৰালী, অজীত শৰ্মা আৰু উপাধ্যক্ষা স্নিগ্ধা মহন্তই অধ্যাপক সুভাষ বৰাৰ ওপৰত ভাষণ প্ৰদান কৰি আবেগিক হৈ পৰে। তেখেতৰ পত্নী গীতা বৰা আৰু কন্যা ৰঞ্জিতা বৰাই ভাষণত শৈশৱ কালৰ বিষয়ে বক্তব্য ৰাখি আবেগিক হৈ পৰে। উল্লেখ্য যে সুভাষ চন্দ্ৰ বৰ কন্যা ৰঞ্জিতা বৰাই শিক্ষকৰ জিৰণি কোঠালৈ এখন শৰাই আগবঢ়োৱা লগতে মহাবিদ্যালয় অধ্যক্ষ ড° বিমান হাজৰিকাক এখন গামোচাৰে সম্বৰ্ধনা জনায়। সভাত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপক অজিত শৰ্মাই।

# অবৈধভাৱে গৰু সৰবৰাহ কৰা গৰুসহ তিনিজন লোকক আটক

**অসম বাৰ্তা, জিনজীয়া, ৮ মে' ঃ** বিহালী থানাৰ অন্তৰ্গত নাচবৰত যোৱা নিশা অবৈধভাৱে সৰবৰাহ কৰা ৮টা গৰু সহ তিনিজন লোকক বিহালী থানাৰ আৰক্ষীয়ে আটক কৰে। জানিব পৰা মতে-যোৱা নিশা প্ৰায় দহমান বজাত বিহালী আৰক্ষীয়ে নিয়মীয়া তালাচী কৰি থকাৰ সময়তে এখন বলেৰ' পিকাপ বাহনত অবৈধভাৱে কঢ়িওৱা গৰুগাড়ী জব্দ কৰি থানালৈ লৈ আহে। এ এচ ০২ ইচি ৬৩০০ নম্বৰ গাড়ীৰ লগতে কৰিম আহমেদ (২৪), ইছমাকু ইছলাম (৩৫), আৰু তফজুল হুচেইনক আটক কৰে। এই আটাইকেইজনৰ ঘৰ নগাওঁ জিলাৰ জুৰীয়াত বুলি আৰক্ষীয়ে জানিবলৈ দিছে। বিহালী থানাৰ ৫২/২৬ নম্বৰ কেচ ৰুজু কৰি অভিযুক্ত কেইজনক আজি জেল হাজোতলৈ প্ৰেৰণ কৰিছে।

# যিমান দিন বিটিচিত হাগ্ৰামা মহিলাৰী আছে, বিটিচিবাসী ৰাইজ সুৰক্ষিত থাকিব ঃ ৰূপম ৰায়



**অসম বাৰ্তা, শ্ৰীৰামপুৰ, গোসাঁইগাঁও, ৮ মে' ঃ** বিটিচিৰ ৪ নং বাওখুংগ্ৰী বিধানসভা সমষ্টিৰ নৱনিৰ্বাচিত এনডিএ সমৰ্থিত বিধায়ক ৰূপম ৰায়ক আজি গোসাঁইগাঁৱত উষ্ম আদৰণি আৰু সম্বৰ্ধনা জনায় দলীয় কৰ্মীসকলে। গোসাঁইগাঁওস্থিত বিপিএফৰ গুমা ব্লক কাৰ্যালয়ত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানত সমষ্টিটোৰ বহু সংখ্যক দলীয় কৰ্মী আৰু সমৰ্থক উপস্থিত থাকে। অনুষ্ঠানত নৱনিৰ্বাচিত বিধায়ক গৰাকীক ফুলাম গামোচা আৰু ফুলৰ থোপাৰে সম্বৰ্ধনা জ্ঞাপন কৰে দলীয় কৰ্মীসকলে। এই উপলক্ষে ভাষণ প্ৰদান কৰি ৰূপম ৰায়ে এনডিএৰ প্ৰাৰ্থী হিচাপে তেওঁক সুযোগ প্ৰদান কৰাৰ বাবে এনডিএৰ শীৰ্ষ নেতৃত্বৰ লগতে বিপিএফ নেতৃত্বক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে, বাওখুংগ্ৰী সমষ্টিৰ সচেতন ৰাইজে বিপুল ভোটেৰে তেওঁক জয়যুক্ত কৰি এক বৃহৎ দায়িত্ব অৰ্পণ কৰিছে। ৰাইজৰ এই আস্থাৰ মৰ্যাদা ৰক্ষা কৰি সমষ্টিখনৰ সামগ্ৰিক উন্নয়ন সাধনৰ লগতে জনসাধাৰণৰ বিভিন্ন সমস্যা সমাধানৰ বাবে সদায় কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতি দিয়ে বিধায়ক গৰাকীয়ে। সমষ্টিখনৰ শিক্ষিত যুৱক যুৱতী সকলৰ বাবে সংস্থাপনৰ ব্যৱস্থাৰ ক্ষেত্ৰত গুৰুত্ব দিয়াৰ কথা উল্লেখ কৰে বিধায়ক গৰাকীয়ে। সাংবাদিকৰ সৈতে আচুতীয়া সাক্ষাৎকাৰত উচ্ছেদ প্ৰসংগত মন্তব্য আগবঢ়াই ৰূপম ৰায়ে কয় যে, "যিমান দিন বিটিচিত হাগ্ৰামা মহিলাৰী আছে, সিমান দিন বিটিচিবাসী ৰাইজ সুৰক্ষিত থাকিব।" সম্বৰ্ধনা অনুষ্ঠানত বিপিএফৰ কেইবাজনো জ্যেষ্ঠ নেতা-কৰ্মীৰ লগতে স্থানীয় গণ্যমান্য ব্যক্তিসকল উপস্থিত আছিল।

# দ্বীপজ্যোতি শৰ্মা শিশু ন্যাসৰ উদ্যোগত ছয়গাঁৱত চিত্ৰাংকন প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, ছয়গাঁও, ৮ মে' ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱৰ সমীপৰ বৰাখাট নিবাসী শিক্ষক দম্পত্তি দ্বিজেন্দ্ৰ নাথ শৰ্মা আৰু নিৰ্মালী দেৱীৰ শিশু সন্তান দ্বীপজ্যোতি শৰ্মাই ২০১৪ বৰ্ষৰ ৬ মেত ইহ সংসাৰ ত্যাগ কৰিছিল। ছবি আঁকি ভালপোৱা শিশু গৰাকীৰ স্মৃতি যুগমীয়া কৰাৰ বাবে গঠিত দ্বীপজ্যোতি শৰ্মা শিশু ন্যাসৰ উদ্যোগত অনুষ্ঠিত কৰি অহা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতাখন এইবেলিও ৬ মে'ত অনুষ্ঠিত হয়। পি এম চি ছয়গাঁও চৰকাৰী মজলীয়া বিদ্যালয়ত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাৰ আৰম্ভণিতে দ্বীপজ্যোতি শৰ্মা আৰু ন্যাসৰ প্ৰাক্তন সভাপতি তথা লোক সংস্কৃতি শিল্পী সদ্য প্ৰয়াত সুকুমাৰ মেধিৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ছয়গাঁও মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° নগেন কলিতা আৰু পি এম চি ছয়গাঁও চৰকাৰী মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰমেন কলিতাই। ইয়াৰ পিছত অনুষ্ঠিত চিত্ৰাঙ্কন প্ৰতিযোগিতাৰ 'ক' শাখাত প্ৰথম স্থান লাভ কৰে চেণ্ট লুইজ হাইস্কুলৰ ছাত্ৰ বৰ্ণিল কাশ্যপে। দ্বিতীয় স্থান লাভ কৰে মহাশ্বেতা বিদ্যা মন্দিৰ ছয়গাঁৱৰ সৃষ্টি দাস আৰু তৃতীয় স্থান লাভ কৰে এন চি এচ একাডেমিৰ কাকু কলিতাই। 'খ' শাখাত প্ৰথম স্থান লাভ কৰে মহাশ্বেতা বিদ্যা মন্দিৰ ছয়গাঁৱৰ মানস প্ৰতীম মেধি, দ্বিতীয় স্থান লাভ কৰে চেণ্ট লুইজ হাইস্কুলৰ ময়ুষ প্ৰতীম কাশ্যপ আৰু তৃতীয় স্থান লাভ কৰে জাতীয় বিদ্যালয় ছয়গাঁৱৰ হৰ্ষদ্বীপ শৰ্মাই। দ্বীপজ্যোতি শিশু ন্যাসৰ সভাপতি তথা জ্যেষ্ঠ সাংবাদিক ধীৰাজ কুমাৰ দাসে পৰিচালনা কৰা বঁটা বিতৰণী সভাত অৱসৰপ্ৰাপ্ত অধ্যাপক ড° নগেন কলিতা, শিক্ষক ৰমেন কলিতা, ন্যাসৰ সম্পাদক দ্বিজেন্দ্ৰ নাথ শৰ্মা, দ্বীপজ্যোতি শৰ্মাৰ মাতৃ নিৰ্মালী দেৱী, ভগ্নী ময়ূৰী শৰ্মা, প্ৰতিযোগিতাৰ মুখ্য বিচাৰক টংকেশ্বৰ হাজৰিকা উপস্থিত থাকে।

# নাহৰকটীয়া জয়পুৰ ৰাজহুৱা নামঘৰত কীৰ্ত্তি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**অসম বাৰ্তা, নাহৰকটীয়া, ৮ মে' ঃ** জয়পুৰ ৰাজহুৱা নামঘৰ পৰিচালনা সমিতি আৰু ৰাইজৰ সহযোগত সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত উত্তীৰ্ণ হোৱা পৰীক্ষাৰ্থী সকলক অভিনন্দন জনোৱাৰ উদ্দেশ্যৰে এক সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰে। পৰীক্ষাৰ্থী সকলৰ লগতে পাছৰ চামক প্ৰোৎসাহিত কৰাৰ লক্ষ্যৰে নামঘৰ পৰিচালনা সমিতিয়ে নামঘৰ পৰিয়ালৰ কীৰ্তি ছাত্ৰ-ছাত্ৰী সকলক এখনি চেলেং চাদৰ আৰু অভিনন্দন পত্ৰ প্ৰদান কৰে। ইয়াৰ পূৰ্বে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা পৰীক্ষাৰ্থী সকলকো একেদৰে অভিনন্দন অনুষ্ঠান আয়োজন কৰি উদগনি যোগোৱাৰ প্ৰচেষ্টা হাতত লোৱা হৈছিল। নামঘৰ পৰিচলনা সমিতিৰ সভাপতি প্ৰদীপ গোস্বামীৰ সভাপতিত্বত আৰু সম্পাদক প্ৰাঞ্জল শইকীয়াৰ পৰিচালনাত অনুষ্ঠিত কাৰ্যসূচীত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সমাজ সেৱক যুত শ্যাম পদ চক্ৰৱৰ্তীয়ে আধ্যাত্মিক আৰু যুৱ-প্ৰজন্মৰ মাজত 'শিক্ষা এক মধুৰ সম্পৰ্ক' তাকে লৈ তত্ত্ব-গধূৰ ভাষণ আগ বঢ়াই। শতাধিক ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত নামঘৰ পৰিয়ালৰ অন্যতম সদস্য মুকুল বৰ কটকী দেৱে আঁতধৰা এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক অভিভাবিকা সকলৰ মাজত এটি মত বিনিময় অনুষ্ঠানো অনুষ্ঠিত হয় যায়। শেষান্তত আটাইকেইজন ছাত্ৰ-ছাত্ৰীকে নামঘৰৰ মূল আসনৰ আগত সেৱা কৰাই ৰাইজে আশীৰ্বাদ দিয়াৰ লগতে উপস্থিত সকলো লৈকে পৰিচলনা সমিতিৰ সম্পাদক প্ৰাঞ্জল শইকীয়াই ধন্যবাদ আৰু শলাগৰ শৰাই আগ বঢ়াই অনুষ্ঠান সামৰে।

# বৰক্ষেত্ৰীৰ চৰাঞ্চলৰ যুৱ ব্যৱসায়ী আব্দুল জলিলৰ মহানুভৱতা

## সাঁচতীয়া ৮ লক্ষাধিক টকাৰে দলং নিৰ্মাণ

**অসম বাৰ্তা, দৌলাশাল, ৮ মে' ঃ** দুৰ্গম চৰাঞ্চলৰ যাতায়তৰ ক্ষেত্ৰত এগৰাকী যুৱ ব্যৱসায়ীৰ অনন্য নিদৰ্শন প্ৰকাশ পাইছে। নলবাৰী জিলাৰ ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ হাজাৰ হাজাৰ ৰাইজে বিগত সময়ত ভুগি অহা দুৰ্ভোগৰ স্বস্তিৰ নিশ্বাস পেলাইছে। বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ৫১নং মুকালমুৱা গাঁও পঞ্চায়তৰ ন-পাৰা পামৰ স্থানীয় এগৰাকী যুৱ ব্যৱসায়ীৰ মহানুভৱতা প্ৰকাশ পাইছে। বৰক্ষেত্ৰীৰ শিয়ালমাৰী থানাৰ অন্তৰ্গত ন-পাৰা পাম আৰু টিলাৰদিয়া গাঁৱৰ মাজৰ সংযোগী ব্ৰহ্মপুত্ৰ নদীৰ সুঁতিৰ ওপৰত স্থানীয় ব্যৱসায়ীগৰাকীয়ে ব্যক্তিগত পুঁজিৰে কাঠৰ দলং সাঁজি প্ৰশংসা বুটলিছে। দীৰ্ঘদিন ধৰি চৰাঞ্চলৰ ৰাইজে যাতায়তৰ ক্ষেত্ৰত সুঁতিটো পাৰ হ'বলৈ গৈ যমৰ যাতনাৰ সন্মুখীন হৈ আহিছিল। সুঁতিটোৰে প্ৰতিদিনাই মৰণক শৰণ কৰি ন-পাৰা পাম, টিলাৰদিয়া, সৰুচুলিয়া, বৰচুলিয়াকে ধৰি চৰাঞ্চলৰ কেইবাখনো চৰকাৰী-বেচৰকাৰী বিদ্যালয়ৰ শ শ ছাত্ৰ-ছাত্ৰী, শিক্ষককে ধৰি হাজাৰ হাজাৰ ৰাইজে যাতায়ত অব্যাহত ৰাখিছিল। ৰাইজে নাৱেৰে সুঁতিটো পাৰ হ'বলৈ গৈ পূৰ্বতে অনাকাংক্ষিত ঘটনাৰো সন্মুখীন হ'বলগীয়া হৈছিল। আনকি সুঁতিটো পাৰ হ'বলৈ ঘণ্টাৰ পৰা ঘণ্টা ধৰি অপেক্ষা কৰিবলগীয়া হোৱাত সময়মতে কৰ্তব্য সমাপন কৰিব পৰা নাছিল ৰাইজে। অঞ্চলটোৰ ৰাইজে দীৰ্ঘদিনে এনে সমস্যাৰ সন্মুখীন হৈ অহাৰ পাছত টিলাৰদিয়া গাঁৱৰ যুৱ ব্যৱসায়ী আব্দুল জলিলে ব্যক্তিগত ধনেৰে নিৰ্মাণ কৰি দিয়ে এখন কাঠৰ দলং। চাৰিমাহ পূৰ্বে সুঁতিটোৰ ওপৰত কাঠৰ দলঙৰ নিৰ্মাণ কাৰ্য শুভাৰম্ভ কৰে যুৱকজনে। আব্দুল জলিলে জানিবলৈ দিয়া অনুসৰি প্ৰায় ৮ লক্ষাধিক টকা ব্যক্তিগতভাৱে খৰচ কৰি শেহতীয়াকৈ ৰাইজৰ বাবে মুকলি কৰি দিয়ে দলংখন। নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰাৰ পাছত আজি দলংখন ৰাইজৰ বাবে মুকলি কৰি দিয়ে স্থানীয় গাঁওপ্ৰধান জাকিৰ হুছেইনে। স্থানীয় ৰাইজৰ উপস্থিতিত ৰাইজৰ যাতায়তৰ অৰ্থে গাঁও প্ৰধান জাকিৰ হুছেইনে দলংখন মুকলি কৰি যুৱ ব্যৱসায়ীগৰাকীক প্ৰশংসা কৰে। দলং মুকলি অনুষ্ঠানত শিয়ালমাৰী থানাৰ উপ পৰিদৰ্শক বিনোদ চৌধুৰীও উপস্থিত থাকে। স্থানীয় ৰাইজেও ব্যৱসায়ী আব্দুল জলিলৰ মহানুভৱতাক ভূয়সী প্ৰশংসা কৰে। উল্লেখ্য যে যিটো সময়ত চৰাঞ্চলৰ বাট-পথ উন্নয়নৰ বাবে অসম চৰকাৰ কিম্বা নলবাৰী গ্ৰামোন্নয়ন বিভাগে শ শ কৌটি টকা আবণ্টন দি অহাৰ পাছতো সুঁতিটোৰ ওপৰত ৰাইজৰ যাতায়তৰ বাবে দলং নিৰ্মাণৰ আহৰি নহ'ল পঞ্চায়ত প্ৰতিনিধি কিম্বা গ্ৰামোন্নয়ন বিভাগৰ।

# ডিব্ৰুগড়ত জাতীয়-জনগোষ্ঠীয় ঐক্যমঞ্চৰ উদ্যোগত কেন্দ্ৰীয় ব'হাগী বিদায় উৎসৱ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ মে' ঃ** ডিব্ৰুগড়ৰ ঐতিহাসিক চৌকিডিঙ্গী খেলপথাৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে জাতীয়- জনগোষ্ঠীয় ঐক্যমঞ্চ, ডিব্ৰুগড়ৰ উদ্যোগত কেন্দ্ৰীয় ব'হাগী বিদায় উৎসৱ। বিগত বৰ্ষৰ দৰে এইবাৰো বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা কেন্দ্ৰীয় ব'হাগী বিদায় উৎসৱৰ প্ৰথম দিনাৰ কাৰ্যসূচী শ্বহীদ তৰ্পণেৰে শুভাৰম্ভ কৰা হয়। প্ৰাণৰ শিল্পী জুবিন গাৰ্গ, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, গণশিল্পী ৰাজীৱ শদিয়া, বিশিষ্ট অভিনেতা ছৈয়দ ছাদুল্লা, বাঁহীবাদক দীপক শৰ্মাৰ প্ৰতিছৱিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ পাছতে বিহুৱান উন্মোচন কৰে কেন্দ্ৰীয় ব'হাগী বিদায় উৎসৱ উদযাপন সমিতিৰ সভাপতি ৰাণাৰঞ্জন গগৈয়ে। ইয়াৰ পাছতে জাতীয়-জনগোষ্ঠীয় ঐক্য মঞ্চৰ পতাকা উত্তোলন কৰে ঐক্যমঞ্চৰ সম্পাদক বিতোপন দুৱৰাই। আনহাতে অভিজিত দাসে শ্বহীদ তৰ্পণ কৰাৰ পাছতে ডিব্ৰুগড় জিলা অতিৰিক্ত উপায়ুক্ত প্ৰাঞ্জল বৰুৱাই মঞ্চ উদ্বোধন কৰে। ইফালে দিনৰ ভাগত বিহুনাম, গগনা, ঢোল বাদন, পেঁপা বাদন প্ৰতিযোগিতাৰ লগতে 'ক' আৰু 'খ' শাখাত বিহু নাচ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। ইয়াৰ পিছতে বিহুৱতী প্ৰতিযোগিতা আৰু বিহু হুঁচৰি প্ৰতিযোগিতা আয়োজন কৰে।

**শপতনামা**

অসম গ্ৰামীণ বিকাশ বেংকৰ তালাপ শাখাৰ 7393026002452 একাউণ্ট নম্বৰত মোৰ নামটো Akash Projaৰ সলনি Akash Porja বুলি উল্লেখ আছে। তিনিচুকীয়া ক'ৰ্টত কৰা নটাৰীৰ জৰিয়তে মোৰ নাম Akash Proja বুলি শুধৰণি কৰা হ'ল।

Akash Proja
S/O: Lt. Brojen Proja
Daisajan T.E. (4 no. line),
Dist: Tinsukia, Assam

AB-64/2026

**শপতনামা**

অসম গ্ৰামীণ বিকাশ বেংকৰ তালাপ শাখাৰ 7393026011133 একাউণ্ট নম্বৰত মোৰ নামটো Soniaro Tantiৰ সলনি Chaniyar Tati বুলি উল্লেখ আছে। তিনিচুকীয়া কৰ্টত কৰা নটাৰীৰ জৰিয়তে মোৰ নাম Soniaro Tanti বুলি শুধৰণি কৰা হ'ল।

Soniaro Tanti
W/O: Raghu Tanti
2 No. Megela Gaon
Dist: Tinsukia, Assam

AB-65/2026

**NAME CORRECTION**

Swarn before Notary Public at Kokrajhar on 07-05-2026, that in my deceased father's Land Document Dag No. 319, Patta No. 157 issued by the Dotma Revenue Circle, Wherein my deceased father's name has been recorded as "Ramjeet Gour" instead of "Ramjeet Shah". But my deceased father's actual and correct name spells as "Ramjeet Shah", which is recorded in all relevant papers and documents. Both "Ramjeet Shah" and "Ramjeet Gour" are the same identical person none other but my deceased father.

Chandrajit Shah,
S/O- Late Ramjeet Shah,
R/O- Bijulibari,
P.O.- Chandrapara,
P.S. & Dist.- Kokrajihar,

AB-66/2026

**NAME CORRECTION**

Swarn before Notary Public at Lakhimpur, that in my Aadhar Card, my name, address and date of birth is incorrectly recorded as Name- Tilama Taid Panging, Vill-Chalichuk, PO-Ghunasuti, PS-North Lakhimpur, Dist-Lakhimpur and Date of Birth- 16-06-1995. But my actual and correct name is Kairama Pegu Panging, W/O- Udar Panging, Vill-Dirpai Ajar Guri, PO-Dirpai, P.S-Gogamukh, Dist-Dhemaji. And actual and correct date of birth is 26-01-1990. Applying for correction at the appropriate authority.

Kairama Pegu Panging,
W/O- Udar Panging,
Vill- Dirpai Ajar Guri,
P.O.- Dirpai, P.S.-
Gogamukh,
Dist-Dhemaji

AB-63/2026

# দৰঙৰ ঐতিহাসিক ঝাকুৰাপাৰা-সমলাৰ শ্ৰীশ্ৰীবাসুদেৱ দেৱালয়ৰ গৌণ্ধ-চৌপৰী সবাহ মহাবিষ্ণু যজ্ঞ আৰু ভাগৱত পাঠ আৰম্ভ

**অসম বাৰ্তা, মঙলদৈ, পাথৰিঘাট, ৮ মে' ঃ** দৰঙৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ ভুড়াৰগড় গাঁও পঞ্চায়তৰ অন্তৰ্গত দেওমৰনৈ অঞ্চলৰ ঝাকুৰাপাৰা-সমলাখাট গাঁৱত অৱস্থিত ঐতিহাসিক শ্ৰীশ্ৰীবাসুদেৱ দেৱালয়ৰ গৌণ্ধ-চৌপৰী সবাহ মহাবিষ্ণু যজ্ঞ আৰু ভাগৱত শোভাযাত্ৰাৰে ঐতিহাসিক বুঢ়ীনগৰ পুখুৰীত পানীতোলা বৰ্ণাঢ্য উৎসৱটি ৬ আৰু ৭ মে' ২০২৬ তাৰিখে দুদিনীয়াকৈ অনুষ্ঠিত হয়। ৬ মে'ত প্ৰথম দিনৰ কাৰ্যসূচী ৰাতিপুৱা শ্ৰীশ্ৰীবাসুদেৱ দেৱালয়ৰ দেউৰী মনোজ ডেকাই বন্তি প্ৰজ্বলন ৰূপায়ণ কৰে তাৰ পিছতে পৰিবেশ নিকাকৰন, সন্ধিয়া অধিবাস, ভোটা দাতাৰ নাম পঞ্জীয়নৰ পিছতে অৱসৰী আৰক্ষী বিষয়া চন্দ্ৰকান্ত ডেকাই মুখ্য ভোটা প্ৰজ্বলন কৰাৰ পিছতে সমূহীয়া সেৱা গ্ৰহণ ৰ পিছতে ভোটা প্ৰজ্বলনত অসমৰ বিভিন্ন ঠাইৰ অসংখ্য ভক্ত-প্ৰাণ ৰাইজে মনৰ আশা কামনাৰে ভোটা আগবঢ়ায় আৰু মাংগলিক নিয়মৰে ভোটা প্ৰজ্বলন কৰে। নিশা শিল্পী কনক বৈশ্য আৰু সহশিল্পী বৃন্দৰ দ্বাৰা ওজাপালি পৰিবেশন হয়। দ্বিতীয় দিনৰ অৰ্থাৎ ৭ মে'তাৰিখে ৰাতিপুৱা শ্ৰীশ্ৰীবাসুদেৱ দেৱালয়ৰ দেউৰী প্ৰবীণ ডেকাই বন্তিপ্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰাৰ পিছতে পৰিবেশ নিকাকৰন, গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে অৱসৰপ্ৰাপ্ত গাঁও প্ৰধান তীৰ্থৰাম ডেকা, অৱসৰী শিক্ষক প্ৰফুল্ল মেধি, গাঁওপ্ৰধান বিকাশ শইকীয়াই। ভাগৱত শোভাযাত্ৰা আৰু ঐতিহাসিক বুঢ়ীনগৰ পুখুৰীত পানীতোলা বৰ্ণাঢ্য উৎসৱৰ উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক ডিম্বেশ্বৰ শৰ্মাই আৰু ভাগৱত আৰু শৰাই লৈ শোভাযাত্ৰাত অংশগ্ৰহণ কৰে অৱসৰপ্ৰাপ্ত কৃষি বিভাগৰ কৰ্মচাৰী টংকেশ্বৰ ডেকা, অনাতাঁৰ শিল্পী কামিনী ডেকা, ভুড়াৰগড় গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি বিপিন ডেকাই। শোভাযাত্ৰাত হাতী, বেণ্ড পাৰ্টী লগত লৈ সহস্ৰাধিক ভক্তপ্ৰাণ ৰাইজে অংশগ্ৰহণ কৰে। ভাগৱত শোভাযাত্ৰাৰে পানী তুলি দেৱালয়ৰ চৌহদৰ প্ৰদক্ষিণ কৰাৰ লগতে মহাবিষ্ণু যজ্ঞ হয় আৰু গীতা পাঠ ৰূপায়ণ কৰে। ভোগ গ্ৰহণ, সমূহীয়া নিৰ্মালি গ্ৰহণৰ পিছতে সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। সম্বৰ্ধনা অনুষ্ঠানত বিশেষভাৱে উপস্থিত থাকে ছিপাঝাৰ বিধানসভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক ড° পৰমানন্দ ৰাজবংশী, দৰং-ওদালগুৰি জিলাৰ জেষ্ঠ্য সাংবাদিক মুকুট ৰাজ শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া, বৃহত্তৰ দেওমৰনৈ সাংবাদিক সন্থাৰ সম্পাদক দিব্যজ্যোতি শৰ্মা, ছিপাঝাৰ আঞ্চলিক পঞ্চায়তৰ সদস্যা অঞ্জুৰাণী দেৱী, ভুড়াৰগড় গাঁও পঞ্চায়তৰ সভানেত্ৰী পম্পীনাথ ডেকা, বিশিষ্ট সমাজসেৱী নামখলা নিবাসী ভানু চহৰীয়া, ভুড়াৰগড় গাঁও পঞ্চায়তৰ সদস্য মুনিন ডেকা, ভুড়াৰগড় গাঁও পঞ্চায়তৰ সদস্যা পম্পী ডেকাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকি কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তোলে। দৰঙৰ এক ঐতিহাসিক স্থান ইতিহাসে গৰকা ৰজা আৰিমত্ত দিনত খন্দোৱা সমলেশ্বৰী পুখুৰীৰ দক্ষিণ -পশ্চিম কোণত অৱস্থিত ঝাকুৰাপাৰা-সমলাখাট গাঁৱত অৱস্থিত ঐতিহাসিক শ্ৰীশ্ৰীবাসুদেৱ দেৱালয়ত প্ৰতিবছৰে বহাগ মাহৰ ২২ আৰু ২৩ বহাগত এই কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে আৰু এই কাৰ্যসূচীত অসমৰ বিভিন্ন ঠাইৰ ভক্ত প্ৰাণ ৰাইজ উপস্থিত হৈ মনৰ আশা কামনা কৰি ভোটা আগবঢ়ায়। এই বেলি প্ৰায় এক হাজাৰৰো অধিক ভোটা আগবঢ়ায়ছে ভক্তপ্ৰাণ ৰাইজে। এই ধৰ্মীয় স্থান টি পৰ্যটন স্থলী লৈ ৰূপান্তৰ কৰাৰ লগতে অসম চৰকাৰক বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে শ্ৰীশ্ৰীবাসুদেৱ দেৱালয় পৰিচালনা সমিতিৰ সভাপতি সুনন্দি ডেকা আৰু সম্পাদক কৰুণা বৰুৱাই।

# ভাৰতীয় চাহ ব'ৰ্ডৰ যোৰহাট কাৰ্য্যালয়ত চাহ কলঘৰ স্বত্বাধিকাৰসকলৰ সজাগতা সভা




**অসম বাৰ্তা, নকছাৰি, ৮ মে' ঃ** ভাৰতীয় চাহ বৰ্ডৰ যোৰহাট আঞ্চলিক কাৰ্য্যালয়ৰ প্ৰেক্ষাগৃহতযোৰহাট জিলাৰ অন্তৰ্গত চাহ কলঘৰৰ স্বত্বাধিকাৰ/ পৰিচালক সকলক বৰ্ডৰ তৰফৰ পৰা নিমন্ত্ৰণ জনাই দিনযোৱা কাৰ্য্যসূচীৰে এখনি সজাগতা সভা অনুষ্ঠিত কৰে। ভাৰতীয় চাহ বৰ্ডৰ যোৰহাট আঞ্চলিক কাৰ্য্যালয়ৰ সহ সঞ্চালক নিৰজ কান্তি দাসৰ সভাপতিত্বত সভাৰ উদ্দেশ্য ব্যাখ্যা দাঙি ধৰে চাহ বৰ্ডৰ উন্নয়ন বিষয়া এন ভুবনেশ্বৰে। উদ্দেশ্য ব্যাখ্যাত তেখেতে বৰ্তমান সময়ত কলঘৰ সমূহৰ কৰণীয়ৰ লগতে ভাৰতীয় চাহ বৰ্ডৰ নিয়ম নিৰ্দেশনা সমূহৰ ওপৰত আলোচনা কৰিবৰ বাবে আপোনালোকক নিমন্ত্ৰণ জনোৱা হৈছে বুলি মন্তব্য আগবঢ়াই। সভাত যোৰহাট জিলাৰ অন্তৰ্গত চাহ কলঘৰ মালিক সকলৰ লগতে সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ যোৰহাট জিলাৰ সভাপতি আৰু সম্পাদক উপস্থিত থাকে। সভাৰ সভাপতি তথা ভাৰতীয় চাহ বৰ্ডৰ যোৰহাট আঞ্চলিক কাৰ্য্যালয়ৰ সহ সঞ্চালক নিৰজ কান্তি দাসে ভাৰত তথা অসমৰ চাহৰ মানদণ্ড বিশ্ব দৰবাৰত অটুট ৰাখিবৰ বাবে আমি ভাৰতীয় চাহ বৰ্ডৰ তৰফৰ পৰা কাম কৰি আছো। বতৰৰ পৰিৱৰ্তনৰ বাবে কেঁচা চাহ পাতৰ মানদণ্ড অৱনতি ঘটা দেখিবলৈ পোৱা যায় বিষয়ে ভাবে ইয়াৰ প্ৰভাৱ ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ ওপৰত বেছিকৈ পৰে। ভাৰতীয় চাহ বৰ্ডৰ তৰফৰ পৰা ক্ষুদ্ৰ চাহ খেতিয়ক সকলক কেঁচাপাতৰ মানদণ্ড উন্নত কৰিবলৈ আত্ম সহায়ক গোটৰ যোগেদি বহু সামগ্ৰী বিনামূলীয়া ভাবে আগবঢ়ুৱা হৈছে আমি আশা কৰিছোঁ এই বৰ্ষত ক্ষুদ্ৰ চাহ খেতিয়ক সকলে গুণগত মানৰ কেঁচা পাত উৎপাদন কৰি উচিত মূল্য পাবলৈ সক্ষম হব। বিগত সময়ত যোৰহাট জিলাৰ অন্তৰ্গত কিছু কলঘৰ সমূহে ভাৰতীয় চাহ বৰ্ডৰ নিয়ম নমনা দেখা গৈছে আজি সেইবাবেই আপোনালোকক লিখিত ভাবে কলঘৰ সমূহে কৰিবলগীয়া কাম আৰু নিয়ম সমূহৰ বিষয়ে আপোনালোকক দিয়া হৈছে আৰু আশা কৰিছোঁ কলঘৰ সমূহে মানি চলিব। চাহ বৰ্ডৰ তৰফৰ পৰা কলঘৰ সমূহ পৰিদৰ্শন কৰোঁতে যদি নিয়ম উলংঘা কৰা দেখা যায় তেন্তে তাৰ বিহীত ব্যৱস্থা গ্ৰহণ কৰা হব বুলি সহ সঞ্চালক নিৰজ কান্তি দাসে মন্তব্য কৰে। চাহ বৰ্ডৰ উন্নয়ন বিষয়া প্ৰণিত থাপা আৰু কলঘৰ পৰামৰ্শদাতা ৰিখব ৰাজ লাহনে বহু পৰামৰ্শ আগবঢ়াই। শেষত সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সংস্থাৰ যোৰহাট জিলাৰ সভাপতি জীৱন শইকীয়াই ভাৰতীয় চাহ বৰ্ডৰ তৰফৰ পৰা এনে সজাগতা সভা অনুষ্ঠিত কৰাৰ বাবে উদ্যোক্তা সকলক ধন্যবাদ জ্ঞাপন কৰে লগতে তেখেতে কয় যোৰহাট জিলাৰ অন্তৰ্গত প্ৰায় ৭২টা কলঘৰ আছে বাগিছা কলঘৰ আৰু বটলিফ কলঘৰ মিলাই। আজি এই সভাত বহু কলঘৰৰ তৰফৰ পৰা অংশগ্ৰহণ কৰা নাই। আমি দেখি আহিছো বহু কলঘৰে কোনো নিয়ম নামানে নিজৰ মন মাৰ্জিত কাম কৰে সেই বাবে কেঁচা পাতৰ মানদণ্ড বেয়া হয় লগতে ক্ষুদ্ৰ চাহ খেতিয়ক সকলেও উচিত মূল্যৰ পৰা বঞ্চিত হব লগা হয়। শেষত সকলোৱেই ভাৰতীয় চাহ বৰ্ডৰ নিয়ম মানি অসম চাহৰ মানদণ্ড বিশ্ব দৰবাৰত শীৰ্ষত ৰাখিবৰ বাবে কাম কৰিম বুলি প্ৰতিশ্ৰুতি দিয়ে।

# উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক শুভেচ্ছা পি এম শ্ৰী জাজৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ



**অসম বাৰ্তা, বেবেজীয়া, ৮ মে' ঃ** সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূৰান্ত পৰীক্ষাৰ ফলাফলত নগাঁও জিলাৰ পুৰণি শিক্ষানুষ্ঠান পি এম শ্ৰী জাজৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ে উন্নত ফলাফল দেখুৱাবলৈ সক্ষম হয়। শিক্ষানুষ্ঠানৰ কেন্দ্ৰটোৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা মুঠ ১৮৩ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১৭৯ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। তাৰে ১৪৬ গৰাকী প্ৰথম বিভাগত আৰু ৩৩ গৰাকী দ্বিতীয় বিভাগত উত্তীন হয়। উল্লেখ্য যে স্বাধীনতা-উত্তৰ কালৰে অৰ্থাৎ ১৯৪৪ চনতে স্থাপিত ঐতিহ্যপূৰ্ণ বিদ্যালয়খনৰ যোৱা কেইটামান বছৰ ফলাফলৰ বতৰা আশানুৰূপ আছিল যদিও এই বাৰ উচ্চতৰ মাধ্যমিকৰ ফলাফলে বিদ্যালয়খনৰ অধ্যক্ষ্যা স্মৃতি বৰাৰ লগতে শিক্ষাগুৰু সকলক উৎফুল্ল কৰি তুলিছে। কেন্দ্ৰটোৰ লগতে বিশেষকৈ পি এম শ্ৰী জাজৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মুঠ শিক্ষাৰ্থী ৬৮ জনৰ ভিতৰত ৬৫জন উত্তীন হয়। তাৰে ৫২জন প্ৰথম বিভাগত আৰু ১২জন দ্বিতীয় বিভাগত। মুঠ ১২জন শিক্ষাৰ্থীয়ে ষ্টাৰ নম্বৰ আৰু ৯২জন শিক্ষাৰ্থীয়ে বিভিন্ন বিষয়ত লেটাৰ নম্বৰ পাই অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিছে। উল্লেখ্য যে কেন্দ্ৰটোৰ তিনিজন ছাত্ৰ ক্ৰমে প্ৰণৱজ্যোতি ৰাজবংশী, জিংকু ডেকা আৰু ৰাগিৱ মুক্তাজে অসমৰ ভিতৰতে ইলেক্ট্ৰনিকছ বিষয়ত সৰ্বোচ্চ নম্বৰ পাই বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। সেই উদ্দেশ্যে বিদ্যালয়খনৰ অধ্যক্ষ্যা স্মৃতি বৰা আৰু শিক্ষাগুৰু সকলে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী সকলৰ ঘৰে-ঘৰে গৈ শুভেচ্ছা জনোৱাৰ উপৰিও সকলোকে বিদ্যালয় প্ৰাংগণলৈ নিমন্ত্ৰণ কৰি শুভেচ্ছা জ্ঞাপন কৰে।

# সাংস্কৃতিক কৰ্মী তথা সমাজ কৰ্মী দ্বিজেন কলিতাৰ মৃত্যু

**অসম বাৰ্তা, নিমাতীঘাট, ৮ মে' ঃ** উত্তৰ যোৰহাটৰ কমাৰমাটি গাঁৱৰ ক্ষুদ্ৰ ব্যৱসায়ী তথা সমাজকৰ্মী দ্বিজেন কলিতা(মণি)ৰ যোৱা নিশা যোৰহাট চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল প্ৰায় ৫৫ বছৰ। অগ্ৰণী সামাজিক তথা সাংস্কৃতিক অনুষ্ঠান সৰস্বতী পুস্তক মন্দিৰ, বসন্ত মইনা পাৰিজাতৰ দুটা কাৰ্যকালৰ সম্পাদকৰ দায়িত্ব পালন কৰাৰ উপৰি অঞ্চলটোৰ ছখন গাঁৱৰ সন্মিলিত অনুষ্ঠান কলিয়নী শ্ৰীশ্ৰী শংকৰদেৱ কৃষ্টি কলা সংঘৰ এজন সক্ৰিয় কৰ্মী আছিল। ভাওনা আৰু নাটকতো অভিনয় কৰাৰ উপৰি ৰাসৰ এজন পৰিচালক ৰূপে তেওঁ অৱদান আগবঢ়াইছিল। তেওঁ কাৰিকৰী দিশৰ এজন ক্ষুদ্ৰ ব্যৱসায়ী আছিল। অবিবাহিত ব্যক্তিজনে মৃত্যুৰ সময়ত দুই জ্যেষ্ঠ ভাতৃ সহ আত্মীয়ক এৰি থৈ গৈছে। সৰ্ববৰহী লোকজনৰ মৃতদেহ নিশা ঘৰলৈ অনাৰ পাছত সৰস্বতী পুস্তক মন্দিৰ, নামঘৰ পৰিচালনা সমিতি, সৰস্বতী মহিলা সমিতি, কলিয়নী শ্ৰীশ্ৰী শংকৰদেৱ কৃষ্টি কলা সংঘ আৰু বিভিন্নজনে শেষ শ্ৰদ্ধাঞ্জলি জনায়। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উত্তৰ-পূব যোৰহাট আঞ্চলিক সমিতি, প্ৰকৃতিপ্ৰেমী সংগঠন সেৱাই সমাজকৰ্মীজনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

# চেলুন ব্যৱসায়ৰ যোগেদি স্বাৱলম্বী হোৱাৰ প্ৰয়াস নাজিৰাৰ অভিজিৎ দাসৰ

**অসম বাৰ্তা, গেলেকী, ৮ মে' ঃ** নাজিৰা সমজিলাৰ অন্তৰ্গত এটা অঞ্চল ওপৰ নাজিৰা কৈৱৰ্ত গাঁৱৰ ১ নং ৱাৰ্ড। এই গাঁৱৰে নিবাসী ব্যৱসায়ী দেহেশ্বৰ দাস আৰু ব্যক্তিগত খণ্ডৰ সুৰক্ষা কৰ্মী হিচাপে কৰ্মৰত মঞ্জু দাসৰ পুত্ৰ অভিজিৎ দাস। সৰুৰে পৰা অমায়িক স্বভাৱৰ অভিজিতে নাজিৰাৰ অসম কোম্পানী ল'ৰা প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা, যোৰহাটৰ জয়া বিদ্যাপীঠৰ পৰা মেট্ৰিক উত্তীৰ্ণ আৰু জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা অসমীয়া বিভাগত স্নাতক ডিগ্ৰী লাভকৰাৰ পিছত তৰাজনৰ চেওনি গাঁৱত অৱস্থিত পুৰুষ-মহিলা উভয়ৰে বিউটি পাৰ্লাৰ এখনত চুলি কটা কাম শিকিবলৈ লয়। তেওঁ জানিবলৈ দিয়া মতে, নতুন কাম শিকাৰ আগ্ৰহ থকাৰ বাবে তেওঁ ডিপুত তেল দিয়াৰ লগতে অন্যান্য কামতো জড়িত হৈ পৰিছিল। শেষত নিজে কিবা এটা কৰিম বুলি যোৰহাটৰ পৰা আহি নিজৰ জন্ম গাঁৱত অভিজিৎ হেয়াৰ কাটিং নামৰ এখন চেলুন আৰম্ভ কৰি বুদবাৰী সত্ৰৰ তিনি আলিত স্থায়ীকৈ চেলুন খুলি চুলি কটা কাম কৰি আহিছে। অভিজিতে কোৱা মতে, এইয়া তেওঁৰ নিজ স্বাধীন ব্যৱসায়, ৰাইজৰ সঁহাৰিও ভাল লগতে উপাৰ্জনো ভাল বুলি জনালে যুৱকজনে। লগতে অসমীয়া ল'ৰাসকলে ঘৰতে বহি নাথাকি হাতৰ বিদ্যাৰ জৰিয়তে নিজ নিজ কামত আগবাঢ়ি আহি স্বাৱলম্বী হ'বলৈও আহ্বান যুৱকজনৰ।

**অধ্যাপকৰ ভাও ধৰি ধন দাবী কৰা সভাপতি হৃদয় মজুমদাৰ আৰু সহ সাধাৰণ সম্পাদক পৰাশমণি কলিতাক বহিষ্কাৰ**

# ছয়গাঁও মহাবিদ্যালয়ত নামভৰ্তিৰ নামত ছাত্ৰ একতা সভাৰ সভাপতি আৰু সহঃ সাধাৰণ সম্পাদকৰ মুকলি বজাৰ

**অসম বাৰ্তা, ছয়গাঁও, ৮ মে' ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্যতম এখন আগশাৰীৰ মহাবিদ্যালয়ৰ ভিতৰত ছয়গাঁও মহাবিদ্যালয়। বিগত কেইবাটাও বৰ্ষত ছয়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ভাল ফলাফল আনিবলৈ সক্ষম হৈছিল যদিও সদ্যঘোষিত উচ্চতৰ মাধামিক পৰীক্ষাৰ ফলাফল একেবাৰে নিৰাশজনক। যাৰ বাবে সমগ্ৰ ছয়গাঁও অঞ্চলৰ ৰাইজ তথা অভিভাৱক সকল হতাশ হৈ পৰিছিল ফলাফলক লৈ। পিছে ইয়াৰ মাজতে ছয়গাঁও মহাবিদ্যালয়ৰ এটা ভিডিঅ তথা ফোনকলৰ অ.ডি.অ-ই মহাবিদ্যালয়ৰ নাম কলংকিত কৰিছে। ছয়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক পৰশমণি কলিতাই মহাবিদ্যালয়ত নামভৰ্তিৰ নামত খুলিছে মুকলি বজাৰ। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ এজন দুখীয়া ছাত্ৰৰ পৰা নামভৰ্তি কৰি দিয়াৰ নামত বিচাৰিলে ৩০০০ টকা। ছাত্ৰজনৰ উত্তীৰ্ণ নম্বৰৰ হাৰ কম থকাৰ বাবে সহায় বিছাৰিছিল ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক পৰশমণি কলিতাৰ পৰা। বিনিময়ত ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক পৰশমণিৰ নিৰ্দেশ মৰ্মে ভুৱা অধ্যাপক হয় ছাত্ৰ একতা সভাৰ সভাপতি হৃদয় মজুমদাৰে। মজুমদাৰে অধ্যাপকৰ ভাও লৈ ৩০০০ হাজাৰ টকা বিছৰাৰ অভিযোগ ভুক্তভোগী ছাত্ৰ গৰাকীৰ। ঘটনাটো চৌদিশে বিয়পি পৰাৰ পিছতে আজি ছয়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱ কুমাৰ কলিতাই এক বৈঠক অনুষ্ঠিত কৰি তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ ছাত্ৰ একতা সভাৰ সভাপতি হৃদয় মজুমদাৰ আৰু সহ সাধাৰণ সম্পাদক পৰাশমণি কলিতাক ছাত্ৰ একতা সভাৰ পৰা বহিষ্কাৰ কৰে।

# চাইবাৰ অপৰাধীৰ বিৰুদ্ধে বৰপেটা আৰক্ষীৰ বৃহৎ সফলতা

**অসম বাৰ্তা, বৰপেটা সদৰ, ৮ মে' ঃ** চাইবাৰ অপৰাধীৰ বিৰুদ্ধে বৰপেটা আৰক্ষীৰ বৃহৎ সফলতা। জিলাখনৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্য আৰু কলগাছিয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হিতেশ হালৈৰ নেতৃত্বত নিশা কলগাছিয়াত আৰক্ষীয়ে অভিযান চলায়। আৰক্ষীৰ অভিযানত উদ্ধাৰ হয় ৮০ খনতকৈ অধিক ATM কাৰ্ড, ৫০টা মোবাইল ফোন, কিউৱাৰ কোড আৰু নগদ চাৰিলাখ টকা। এই অভিযান কালত আৰক্ষীৰ জালত পৰে মাছুদ জিন্নুল আহমেদ নামৰ দুধৰ্ষ চাইবাৰ অপৰাধীজন। কলগাছিয়াৰ বিভিন্ন স্থানত বৰ্তমান অব্যাহত আছে আৰক্ষীৰ চাইবাৰ অভিযান।

**ৰাইজে দিলে উত্তম মধ্যম**

# স্কুটি চোৰ কৰিবলৈ আহি ছয়গাঁৱত হাতে-লোটে ধৰা পৰিল বিহাৰৰ চোৰ


**অসম বাৰ্তা, ছয়গাঁও, ৮ মে' ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱত আজি এজন চোৰক হাতে-লোটে কৰায়ত্ত কৰিবলৈ সক্ষম হয় স্থানীয় ৰাইজ। উল্লেখযোগ্য যে বৃহস্পতিবাৰে ছয়গাঁৱত চলি থকা সাপ্তাহিক বজাৰৰ সময়তে এইগৰাকী চোৰে বজাৰলৈ অহা এগৰাকী ব্যক্তিৰ স্কুটীৰ ওচৰত থিয় হৈ আছিল। স্কুটীৰ গৰাকীৰ সন্দেহ হোৱাত দূৰৰ পৰাই কিছু সময় প্ৰত্যক্ষ কৰি আছিল চোৰৰ গতিবিধি। কিছু সময় পিছতে চোৰ গৰাকীয়ে স্কুটিখনৰ ডিকি খুলিবলৈ লওঁতেই স্কুটিৰ গৰাকীয়ে চিএৰ বাখৰ কৰাত চোৰ গৰাকীয়ে পলাবলৈ চেষ্টা কৰে যদিও উপস্থিত ৰাইজে খেদি খেদি কৰায়ত্ত কৰাৰ লগতে উত্তম-মাধ্যম সোধায় চোৰক। আনহাতে ঘটনাস্থলীত ছয়গাঁও আৰক্ষী উপস্থিত হৈ চোৰ গৰাকীক ছয়গাঁও আৰক্ষী থানালৈ লৈ আহি সোধ-পোছা কৰাত চোৰগৰাকীয়ে নিজকে বিহাৰৰ কিষানগঞ্জৰ বিশাল দাস বুলি চিনাকি দিয়ে। আৰক্ষীৰ তদন্তৰ পিছতহে গম পোৱা যাব সঠিক ৰহস্য।

# ঐতিহাসিক শ্ৰীশ্ৰীবাসুদেৱ দেৱালয়ৰ গোন্ধ চৌপৰী সবাহ, মহাবিষ্ণু যজ্ঞ আৰু বুঢ়ীনগৰ পুখুৰীত পানী তোলা বৰ্ণাঢ্য উৎসৱ




**অসম বাৰ্তা, পাথৰিঘাট, ৮ মে' ঃ** দৰঙৰ দেওমৰনৈৰ ঝাকুৰাপাৰাত অৱস্থিত ইতিহাসে গৰকা ৰজা আৰিমত্তৰ দিনত খন্দোৱা সমলেশ্বৰী পুখুৰীৰ দক্ষিণ-পশ্চিম কোণত স্থাপিত শ্ৰীশ্ৰীবাসুদেৱ দেৱালয়ত প্ৰতিবছৰৰ দৰে এই বেলিও বৰ্ণাঢ্য দুদিনীয়া কাৰ্য্যসূচীৰে ৬ আৰু ৭ মে'ত গোন্ধ চৌপৰী সবাহ, মহাবিষ্ণু যজ্ঞ আৰু ভাগৱত শোভাযাত্ৰাৰে ঐতিহাসিক বুঢ়ীনগৰ পুখুৰীত পানী তোলা উৎসৱ অনুষ্ঠিত হয়। বিভিন্ন প্ৰান্তৰ অগনণ ভক্তৰে পৰিপূৰ্ণ শাক্ত আৰু বৈষ্ণৱৰ মিলনতীৰ্থ দেৱালয় প্ৰাংগণত প্ৰথম দিনা প্ৰজ্বলন, ভোটা প্ৰজ্বলন, সমূহীয়া সেৱা, দৰঙৰ আগশাৰীৰ ওজা কনক বৈশ্য আৰু সহশিল্পী বৃন্দৰ ওজাপালি পৰিবেশনৰে কাৰ্যসূচী সমাপন হয়। দ্বিতীয় দিনা পৰিবেশ নিকাকৰণ, গছপুলি ৰোপণ, ভাগৱত শোভাযাত্ৰা আৰু ঐতিহাসিক বুঢ়ীনগৰ পুখুৰীত পানী তোলা বৰ্ণাঢ্য উৎসৱ অনুষ্ঠিত হয়। শোভাযাত্ৰা সমাপ্তিত মহাবিষ্ণু যজ্ঞ আৰু গীতা পাঠ, ভোগ গ্ৰহণ, সমূহীয়া নিৰ্মালি গ্ৰহণৰ পিছতে সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰী বাসুদেৱ দেৱালয় হাজাৰ বছৰ পুৰণি দেৱালয় বুলি তাম্ৰফলি উদ্ধাৰ পিছতেই অনুমান কৰা হয়। এই দেৱালয়ত ভবা মতে মনৰ কামনা পূৰ্ণ হয় বুলি লোকবিশ্বাস আছে। অসম চৰকাৰক এই দেৱালয়খন পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ দাবী জনায় পৰিচালনা সমিতিয়ে। পৰিচালনা সমিতিৰ সভাপতি সুনন্দি ডেকা আৰু সম্পাদক কৰুণা বৰুৱাই সকলো ৰাইজৰ সহায়-সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

# ৰূপহীহাটৰ জুকাটি বজাৰত জন ঔষধি কেন্দ্ৰ মুকলি জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ




**অসম বাৰ্তা, ৰূপহীহাট, ৮ মে' ঃ** ৰূপহীহাটৰ তিনিচুকীয়া পূৱ চতিয়ান জুকাটি বজাৰত নতুনকৈ স্থাপন কৰা কেন্দ্ৰীয় চৰকাৰৰ অভিলাষী আঁচনি প্ৰধানমন্ত্ৰী ভাৰতীয়জন ঔষধি পৰিযোজনাৰ অধীনস্থ এটি "জন ঔষধি কেন্দ্ৰ" আজি নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই শুভ উদ্বোধন কৰে। এই কেন্দ্ৰটোৰ জৰিয়তে সাধাৰণ ৰাইজে বজাৰৰ দামী ব্ৰেণ্ডেড ঔষধতকৈ প্ৰায় ৫০ শতাংশৰ পৰা ৯০ শতাংশ পৰ্যন্ত কম মূল্যত উন্নত মানদণ্ডৰ জেনেৰিক দৰৱ লাভ কৰিব পাৰিব। উক্ত অনুষ্ঠানত উপস্থিত থাকি জিলা আয়ুক্ত দেৱাশিস শৰ্মাই কয় যে কেন্দ্ৰীয় চৰকাৰৰ অভিলাষী আঁচনিৰ লক্ষ্য হৈছে দৰিদ্ৰ আৰু মধ্যবিত্ত লোকসকলক চিকিৎসাৰ অত্যধিক খৰচৰ পৰা সকাহ দিয়া। বিশ্ব স্বাস্থ্য সংস্থাৰ মানদণ্ড অনুসৰি পৰীক্ষিত এই ঔষধসমূহৰ লগতে ইয়াত বিভিন্ন চাৰ্জিকেল আৰু স্বাস্থ্যসেৱা সামগ্ৰীও উপলব্ধ হ'ব। এই বিপণিখনৰ জৰিয়তে সুলভ মূল্যত ঔষধ যোগান ধৰি অনাগত দিনত ৰূপহীহাটৰ বিভিন্ন অঞ্চলৰ সৰ্বসাধাৰণ ৰাইজক বিশেষভাৱে উপকৃত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। উক্ত সভাত উপস্থিত থাকে নগাঁও জিলা ঔষধ পৰিদৰ্শক চিন্ময় পাতিৰ লগতে বিপনীৰ খনৰ স্বত্বাধিকাৰী আজাহাৰুল ইছলামৰ প্ৰমুখ্য কৰি এই বৃহত্তৰ অঞ্চলটোৰ কেইবাগৰাকীও গণ্য মান্য ব্যক্তি সকল।

# পানীৰ দৰত বিক্ৰী ৰৌ-ভকুৱা মাছ; এপোৱা মাছ ১০ টকাত

**অসম বাৰ্তা, দলগাঁও, ৮ মে' ঃ** দলগাঁও দৈনিক বজাৰত নিৰ্বাচনত জয়লাভৰ আনন্দত দলগাঁৱত এজন মৎস্য ব্যৱসায়ীৰ কথা চৌদিশে চৰ্চা লাভ কৰিছে। দলগাঁও সমষ্টিৰ এই বাৰৰ এআইইউডিএফৰ প্ৰাৰ্থী মজিবৰ ৰহমানে জয় লাভ কৰে। বিধায়ক গৰিকীৰ জয় লাভৰ আনন্দত আত্মহাৰা হৈ মৎস্য ব্যৱসায়ী জাগিৰ আলী ওৰফে বাবুৱে পানীৰ দৰত মাছ বিক্ৰী কৰে ক্ৰেতাৰ মাজত হেতা ওপৰা লাগে বিভিন্ন জনক বিতৰণ কৰিলে। এপোৱাকৈ মাছ। তেওঁ লোকসকলৰ পৰা ১০ টকাকৈ সংগ্ৰহ কৰে। মৎস্য ব্যৱসায়ীজনে জনোৱা মতে, তেওঁ এই ৪০ কিলোগ্ৰাম মাছৰ প্ৰতি কিলোগ্ৰাম ১৩০ দৰত ক্ৰয় কৰি আনিছিল। এনেদৰে ক্ৰয় কৰি তেওঁ প্ৰায় বিনামূল্যে বিতৰণ কৰে। ৰাইজৰ পৰা মাথোঁ তেওঁ মাছ ক্ৰয় কৰিবলৈ যোৱা যাতায়াত আৰু বজাৰৰ খাজনাৰ বাবদ ১০ টকাকৈ ১৬০০ টকা সংগ্ৰহ কৰে। এনেদৰে একপ্ৰকাৰ বিনামূল্যে মাছ পাই তেওঁৰ পৰা মাছ সংগ্ৰহ কৰিবলৈ বহুতে উৎপথপ লগায়। এই সন্দৰ্ভত মৎস্য ব্যৱসায়ীজনে কয়, 'লাভ-লোকচানৰ কথা ভবা নাই, প্ৰিয় নেতাজন জিকিছে, সেয়াই মোৰ বাবে ডাঙৰ লাভ। ৰাইজক দিয়া কথা ৰাখিবলৈ মই আজি পৰম সন্তুষ্টি লাভ কৰিছো।' আনহাতে, ১০ ৰৌ মাছেৰে দুপৰীয়াৰ সাঁজ জুতি লগাই খোৱাৰ পাছত স্থানীয় ৰাইজে এতিয়া বাবুক 'দলগাঁৱৰ আটাইতকৈ জনপ্ৰিয় মাছ বেপাৰী' খিতাপ দিছে। মজিবৰ ৰহমানৰ জয়ত এতিয়া নেতাৰ লগতে জনতাৰো পেট ভৰিল।

# বালিজানৰ প্ৰথমজন MBBS কংকণ নাথ

**অসম বাৰ্তা, লীলাবাৰী, ৮ মে' ঃ** সদ্যঘোষিত MBBS পাঠ্যক্ৰমৰ ২০২৬বৰ্ষৰ চূড়ান্ত পৰীক্ষাত লখিমপুৰ জিলাৰ উজ্জ্বলপুৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত বালিজানৰ কংকণ নাথে ৩৬৮ সংখ্যক ৰেংকেৰে অঞ্চলটিলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। লক্ষেশ্বৰ নাথ আৰু ৰেখামণি নাথৰ জ্যেষ্ঠ পুত্ৰ কংকৰে অসম চিকিৎসা মহাবিদ্যালয়ৰ (ডিব্ৰুগড় চৌহদ) পৰা MBBS পাঠ্যক্ৰমৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। কংকৰ ডাক্তৰ হোৱাৰ খবৰ বিয়পি পৰাত উৎফুল্ল হৈ পৰিছে বালিজান গাঁৱবাসী। উল্লেখ্য যে, কালি বালিজানৰ ৰাইজে কংকণক আদ-বাটৰে পৰা ফুল-মালা পিন্ধাই ঘৰলৈ আদৰি আনে। স্থানীয় ৰাইজ যথেষ্ট উৎফুল্ল, কিয়নো কংকন অঞ্চলটোৰ প্ৰথমজন MBBS উত্তীৰ্ণ ছাত্ৰ।

## সম্পাদকীয়

# নিৰ্বাচনোত্তৰ হিংসাই কঢ়িয়াই অনা প্ৰশ্ন

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ ৪৮ ঘণ্টাও পূৰণ নহওঁতেই ৰাজ্যখনৰ ৰাজনৈতিক পটভূমি তেজেৰে ৰঙীন হৈ পৰে। উত্তৰ ২৪ পৰগনা জিলাৰ মধ্যমগ্ৰামৰ দোলতালা অঞ্চলত সংঘটিত হোৱা শুভেন্দু অধিকাৰীৰ ব্যক্তিগত সহায়ক চন্দ্ৰনাথ ৰথৰ সু-পৰিকল্পিত হত্যাকাণ্ডই প্ৰশ্ন তুলিছে- পশ্চিমবংগত নিৰ্বাচনৰ পাছতো শান্তি স্থাপন কিয় হোৱা নাই? নে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ পিছত সঘনাই পুনৰাবৃত্তি হোৱা এই হিংসাৰ চক্ৰবোৰ চিৰস্থায়ী হৈ পৰিল?

চন্দ্ৰনাথ ৰথ এক সাধাৰণ ৰাজনৈতিক কৰ্মী নাছিল। তেওঁ আছিল ভৱানীপুৰ সমষ্টিত মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক পৰাস্ত কৰি চৰ্চা লাভ কৰা বিজেপি নেতা শুভেন্দু অধিকাৰীৰ বিশ্বাসী সহায়ক। নিৰ্বাচনী প্ৰচাৰত তেওঁৰ ভূমিকা আছিল গুৰুত্বপূৰ্ণ। কোনো এখন নিৰ্বাচনত প্ৰতিদ্বন্দ্বী দলৰ নেতাক পৰাস্ত কৰাটো গণতন্ত্ৰৰ নিয়মীয়া প্ৰক্ৰিয়া। কিন্তু সেই জয়ৰ পাছত প্ৰতিদ্বন্দ্বী ৰাজনৈতিক শক্তিৰ কাৰ্যকৰ্তাক লক্ষ্য কৰি চলোৱা গুলীচালনাই কেৱল এটা প্ৰাণহানি কৰা নাই, ই সম্পূৰ্ণ ৰাজনৈতিক প্ৰতিশোধৰ ভয়ংকৰ ৰূপ।

সাধাৰণ মানুহৰ মনত এটা প্ৰশ্ন হৈছে— এই নিৰ্বাচনত পৰাজিত মমতা বেনাৰ্জীৰ দল তৃণমূল কংগ্ৰেছে প্ৰতিশোধৰ এনে অপৰিসীম ক্ষোভ প্ৰদৰ্শন কৰাটো প্ৰত্যাশিত নেকি? নে বিজয়ী দল বিজেপিয়েও নিজৰ লোকসকলক সুৰক্ষা দিয়াতেই ব্যৰ্থ হৈছে? আনফালে, বিজেপি নেতা কৌস্তৱ বাগচীয়ে পোনপটীয়াকৈ মমতা আৰু অভিষেক বেনাৰ্জীক দোষী সাব্যস্ত কৰি মৃতদেহ দাহ নকৰাৰ প্ৰত্যাহ্বান জনাই, তেনে দোষাৰোপৰ যথাযথ প্ৰমাণ আছে নেকি সেয়াও গুৰুত্বপূৰ্ণ। এই ধৰণৰ অভিযোগে পৰিস্থিতি অধিক জটিল কৰি তোলে। ঘটনাস্থলীত জ্যেষ্ঠ আৰক্ষী উপস্থিত হৈছে, কিন্তু আৰক্ষীৰ ভূমিকা নিশক্টীয়া হৈ পৰা যেন লাগে, কিয়নো নিৰ্বাচনৰ ফলাফল ঘোষণাৰ আগৰে পৰা সংঘাত প্ৰতিহত কৰিবলৈ আৰক্ষীৰ প্ৰস্তুতি যথেষ্ট নাছিল।


পুনৰ প্ৰশ্ন হয়— ৰাজনৈতিক দলসমূহে প্ৰতিশোধৰ এই সংস্কৃতি দাহ কৰিবলৈ প্ৰকৃতাৰ্থত সাজু নে? বিজেপিয়ে দাবী কৰে যে তেওঁলোকৰ কাৰ্যকৰ্তা শান্তিপূৰ্ণ আছিল। তৃণমূল কংগ্ৰেছে সমালোচনা কৰিব পাৰে যে বিজেপি বহিঃৰাজ্যিক শক্তি। কিন্তু এনেকুৱা সময়ত এই বাক্যবাণ যুঁজে মাত্ৰ মৃতদেহৰ সংখ্যা বঢ়ায়। প্ৰশ্ন উঠে, ৰাজ্য চৰকাৰে নিৰ্বাচনী জয়-পৰাজয়ক লৈ হিংসাত্মক প্ৰতিক্ৰিয়া নিয়ন্ত্ৰণৰ দায়িত্ব কিমান ফলপ্ৰসূভাৱে পালন কৰিছে? কেন্দ্ৰীয় চৰকাৰে এতিয়াও এই বিষয়ে কোনো কঠোৰ ভাষ্য দিয়া নাই, কিন্তু মুম্বাই বা দিল্লীত হ'লে প্ৰতিক্ৰিয়া বেলেগ নহ'লহেঁতেন নেকি?

চন্দ্ৰনাথ ৰথৰ পৰিয়ালে আজি এজন অকামিলা লোকক হেৰুৱাইছে। কিন্তু এই একেটা ঘটনাই এতিয়া পশ্চিমবংগৰ ৰাজনীতিত চাঞ্চল্য সৃষ্টি কৰিছে। বিজেপি বিধায়ক তৰুণজ্যোতি তেওঁৰীয়ে কৈছে- "তৃণমূলে আটাইতকৈ ডাঙৰ ভুল কৰিলে।" এই 'ভুল' শব্দটোৱেই বুজাই দিয়ে যে হয়তো ৰাজনৈতিক প্ৰতিহিংসা এটা পৰিকল্পিত কৌশলৰ অংশ। গণতন্ত্ৰৰ মূল চৰ্ত হ'ল মতদ্বন্দ্ব থাকিব, কিন্তু সেয়া অস্ত্ৰৰে নহয়, বাক্যৰে সমাধান কৰা উচিত। নিৰ্বাচনী প্ৰচাৰত যিসকলে জনাদেশ বিচাৰিছিল, সেই একেটা জনাদেশক তেওঁলোকে কিয় আমানত দিব নোখোজে? পৰাজিত দলে ঘৃণা নিবৃত্তি কৰি জয়ী দলৰ কাৰ্যকৰ্তাক সুৰক্ষা দিয়া ন্যায়ৰ আহ্বান। জয়ী দলে ক্ষমতাত অন্ধ নহৈ হিংসাৰ শান্তিপূৰ্ণ সমাধান বিচৰা উচিত। নহ'লে পশ্চিমবংগ নামৰ ৰাজ্যখনত 'নিৰ্বাচন' মানেই 'হিংসা' বুলি এবাৰৰ বাবে নহয়, চিৰদিনৰ বাবে দাগ লাগি যাব।

ৰাজ্যখনৰ প্ৰত্যেক নাগৰিকৰ মনত এটা প্ৰশ্ন— মোৰ প্ৰিয় প্ৰাৰ্থী পৰাজিত হ'লে মই তেওঁৰ প্ৰতিদ্বন্দ্বীক গুলীয়াই মাৰি দিব পাৰোঁ নেকি? যদি উত্তৰ 'না' হয়, তেন্তে আজি যি ঘটিল, সেয়া কোনো সাধাৰণ অপৰাধ নহয়, ই আছিল সংগঠিত সন্ত্ৰাস। আৰু এই সন্ত্ৰাসৰ অন্ত নপৰালৈকে পশ্চিমবংগৰ নিৰ্বাচন নিষ্প্ৰয়োজন।

# যুৱ প্ৰজন্ম আৰু মানসিক দাসত্ব

বৰ্তমানৰ যুগ আধুনিকতাৰ যুগ। কিন্তু কেতিয়াবা অনুভৱ হয় যেন এই যুগৰ ছদ্মবেশত বৌদ্ধিক পংগুত্বই আমাক আৱৰি ধৰিছে। বৰ্তমান আমি ইণ্টাৰনেটৰ জৰিয়তে পৃথিৱীৰ যিকোনো প্ৰান্তৰ তথ্য নিমিষতে আহৰণ কৰিবলৈ পাৰোঁ। কিন্তু এই তাৎক্ষণিক তথ্য লাভৰ প্ৰৱণতাৰ অন্তৰালত লোপ পাইছে গভীৰ



অধ্যয়নৰ অভ্যাস। মানুহে এতিয়া কিতাপৰ পাত লুটিয়াই জটিল তত্ত্বৰ মাজত বুৰ মৰাৰ সলনি চলভাষৰ পৰ্দাত আঙুলি বুলাই সহজ সমাধান বিচাৰে।

আজি আমি শিক্ষিত হৈছোঁ, কিন্তু জ্ঞানী হ'বলৈ সক্ষম হৈছোঁ নে? আমাৰ শিক্ষা ব্যৱস্থাই আমাক একোজন প্ৰকৃত মানুহ হিচাপে গঢ়াৰ পৰিৱৰ্তে একো একোজন যান্ত্ৰিক দাসলৈহে ৰূপান্তৰিত কৰিছে। কেৱল আনতকৈ ভাল প্ৰদৰ্শন কৰাৰ এক নিৰন্তৰ অসুস্থ প্ৰতিযোগিতাৰ মাজত যুৱপ্ৰজন্মক এনেদৰে ঠেলি দিছে যে তেওঁলোকৰ মৌলিক চিন্তা ক্ৰমান্বয়ে স্থবিৰ হৈ পৰিছে। আজিৰ যুৱ প্ৰজন্ম কেৱল পাঠ্যক্ৰমকেন্দ্ৰিক শিক্ষাৰ সংকীৰ্ণ পৰিধিত আবদ্ধ হৈ প্ৰকৃত শিক্ষাৰ পৰা বঞ্চিত হৈছে। আজিৰ প্ৰজন্মই ভৱিষ্যতৰ সমাজ গঢ়িব। কিন্তু যি সমাজে চিন্তা কৰিবলৈ পাহৰি যায়, সেই সমাজৰ উত্তৰণ কেতিয়াও সম্ভৱ নহয়। আজি পৃথিৱীৰ সকলো তথ্য লাভ কৰাৰ উৎস থাকিলেও, তথ্যৰ উপযুক্ত ব্যৱহাৰৰ দ্বাৰা তাক মানৱ উপকাৰী কৰি তোলাৰ জ্ঞান আহৰণৰ বাবে প্ৰয়োজনীয় বৌদ্ধিক মন্থনৰ অভাৱ পৰিলক্ষিত হৈছে। জীৱনৰ সকলো ক্ষেত্ৰতে আজি আমি যন্ত্ৰৰ সহায় লৈছোঁ। ইয়াক বাৰু মানসিক দাসত্ব বুলিবলৈ নোৱাৰি নে? যদি আমি নিজৰ বিবেকেৰে ভাবি বিচাৰ কৰাৰ ক্ষমতা হেৰুৱাই পেলাওঁ আৰু গভীৰ অধ্যয়নৰ প্ৰতি এনেদৰেই অনীহা প্ৰকট কৰোঁ, তেন্তে আমাৰ সমাজৰ গতি কি হ'বগৈ বাৰু?

বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে ইণ্টাৰনেটৰ ওপৰত অতিমাত্ৰা নিৰ্ভৰশীলতাই মস্তিষ্কৰ নিঅ'কৰ্টে'ক ক্ৰমান্বয়ে স্থবিৰ কৰি পেলায়। ফলস্বৰূপে, যুৱ প্ৰজন্মৰ অধিকাংশৰে মনোযোগৰ গভীৰতা হ্ৰাস পাইছে আৰু কোনো এটা কামত অধিক সময়ৰ বাবে একাগ্ৰভাৱে লাগি থকাৰ ক্ষমতা লোপ পাইছে। যিটো মস্তিষ্কই এসময়ত ঘণ্টাৰ পিছত ঘণ্টা ধৰি দৰ্শন আৰু সাহিত্যৰ গভীৰতাক বিশ্লেষণ কৰিব পাৰিছিল, সেই মগজু এতিয়া মাত্ৰ কেইচেকেণ্ডমানৰ চুটি তথ্যৰ বাহিৰে আন একো গ্ৰহণ কৰিব নোৱাৰা হৈছে। তদুপৰি মানুহে বৰ্তমান মগজুক তথ্য সংৰক্ষণৰ বাবে ব্যৱহাৰ নকৰে। বৰঞ্চ ছাৰ্চ ইঞ্জিনৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল হৈ পৰিছে। যেতিয়া মগজুৱে জানে যে তথ্যসমূহ সহজেই উপলব্ধ, তেতিয়া ই সেইবোৰ সংৰক্ষণ কৰিবলৈ এৰি দিয়ে। ফলত আমাৰ স্মৃতি শক্তি আৰু বিশ্লেষণাত্মক ক্ষমতা দুয়োৰে অৱক্ষয় ঘটিবলৈ ধৰিছে।

শেষত, এনেদৰেই যদি আমি প্ৰযুক্তিক প্ৰগতিৰ বাবে নহয় মানসিক দাসত্বৰ বাবে ব্যৱহাৰ কৰোঁ তেন্তে ভৱিষ্যৎ প্ৰজন্ম জৈৱিক যন্ত্ৰৰ প্ৰজন্মলৈ পৰিণত হ'ব, য'ত আমাৰ সৃজনীশীলতা আৰু উদ্ভাৱনী শক্তি সম্পূৰ্ণৰূপে যন্ত্ৰৰ অধীন হৈ পৰিব।

**চৈয়দা তনজিয়া ৰাৰিছা আজমি**

# ভোটদানৰ পৰা অংশগ্ৰহণলৈ নাগৰিকৰ সজাগতাই হ'ব সুস্থ শাসনৰ আধাৰ



নলিনী ৰঞ্জন ভূঞা

বিশ্বৰ বৃহত্তম গণতান্ত্ৰিক দেশ হিচাপে ভাৰতবৰ্ষৰ শাসন ব্যৱস্থাত জনসাধাৰণৰ ভূমিকা কেৱল ভোটদানতে সীমাবদ্ধ নহয়। গণতন্ত্ৰৰ সংজ্ঞা অনুসাৰে, ই হৈছে 'জনসাধাৰণৰ দ্বাৰা, জনসাধাৰণৰ বাবে আৰু জনসাধাৰণৰ চৰকাৰ'। অৰ্থাৎ, গণতন্ত্ৰত নাগৰিকসকলৰ সক্ৰিয় অংশগ্ৰহণ কেৱল নিৰ্বাচনী প্ৰক্ৰিয়াতে সীমিত নহয়, বৰঞ্চ ই দৈনন্দিন শাসন ব্যৱস্থাৰ সৈতে জড়িত এক অবিচ্ছিন্ন প্ৰক্ৰিয়া। কিন্তু বাস্তৱ ক্ষেত্ৰত লক্ষ্য কৰা যায় যে, নিৰ্বাচনৰ সময়ত যি উৎসাহ, আগ্ৰহ আৰু জনজাগৰণ দেখা যায়, ফলাফল ঘোষণা হোৱাৰ পাছত সেই উৎসাহ ধীৰে ধীৰে কমি আহে। এইটো এটা চিন্তনীয় বিষয়, কাৰণ গণতন্ত্ৰৰ সুস্থ বিকাশৰ বাবে নাগৰিকসকলৰ অবিৰত সজাগতা আৰু অংশগ্ৰহণ অত্যন্ত প্ৰয়োজনীয়।

গণতান্ত্ৰিক শাসন ব্যৱস্থাত বিৰোধী দলৰ ভূমিকাও অত্যন্ত গুৰুত্বপূৰ্ণ। তেওঁলোকে চৰকাৰৰ কামকাজৰ দিশত প্ৰয়োজনীয় নিয়ন্ত্ৰিতশক্তি হিচাপে কাম কৰে। প্ৰকৃত অৰ্থত বিৰোধী দলক গণতন্ত্ৰৰ প্ৰহৰী বুলি কোৱা হয়-যিয়ে চৰকাৰক জবাবদিহিতাৰ ভিতৰত ৰাখে আৰু জনসাধাৰণৰ কণ্ঠস্বৰ সংসদৰ মজিয়ালৈ আগবঢ়ায়। বিৰোধী দলৰ মূল দায়িত্বসমূহৰ ভিতৰত প্ৰথমেই আছে চৰকাৰৰ কাম-কাজৰ নিৰীক্ষণ। শাসকীয় দলে যাতে সীমা অতিক্ৰম নকৰে, তাৰ বাবে তেওঁলোকে চৰকাৰৰ প্ৰতিটো নীতি আৰু কাৰ্যকলাপৰ ওপৰত চোকা নজৰ ৰাখে। ইয়াৰ লগতে, গঠনমূলক সমালোচনাৰ জৰিয়তে চৰকাৰৰ ভুল সিদ্ধান্তসমূহ উন্মোচন কৰে আৰু জনকল্যাণৰ স্বাৰ্থত বিকল্প পৰিকল্পনা আগবঢ়ায়। আনহাতে, জনসাধাৰণৰ সমস্যা, অভাৱ-অভিযোগ আৰু আশা-আকাংক্ষাসমূহক প্ৰতিনিধিত্ব কৰি চৰকাৰক সজাগ কৰি ৰখাটোও বিৰোধী দলৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব। কিন্তু অসমৰ সদ্য ঘোষিত বিধানসভা নিৰ্বাচনৰ ফলাফলত দেখা গৈছে যে, বিৰোধী শিবিৰৰ উপস্থিতি অতি সীমিত। এনে পৰিস্থিতিত বিধানসভাৰ ভিতৰত তেওঁলোকে কিমান সক্ৰিয়ভাৱে নিজৰ মত প্ৰকাশ কৰিব পাৰিব, সেই সন্দেহো উত্থাপিত হৈছে। ফলত আগন্তুক পাঁচ বছৰ একপ্ৰকাৰ এক পক্ষীয়ভাৱে চৰকাৰী আঁচনিসমূহ ৰূপায়ণ হোৱাৰ সম্ভাৱনা দেখা যায়। এনে অৱস্থাত গণতন্ত্ৰৰ সুস্থতা ৰক্ষা কৰাৰ ক্ষেত্ৰত জনসাধাৰণৰ ভূমিকা অধিক গুৰুত্বপূৰ্ণ হৈ উঠিব। সচেতন নাগৰিক হিচাপে জনতাই নিজে সজাগ থাকি চৰকাৰৰ কাৰ্যকলাপ নিৰীক্ষণ কৰাটো সময়ৰ দাবী হৈ পৰিছে।

গণতন্ত্ৰত এজন সচেতন নাগৰিকৰ বাবে নিৰ্বাচনত ভোটদান কৰা এক প্ৰাথমিক দায়িত্ব। চৰকাৰ এখন গঠন হোৱাৰ পাছতহে প্ৰকৃত অৰ্থত এজন নাগৰিকৰ দ্বায়িত্ব বৃদ্ধি হয়। শাসন ব্যৱস্থাৰ নীতি নিৰ্ধাৰণৰ পৰা আৰম্ভ কৰি আঁচনিসমূহৰ ৰূপায়ণলৈকে প্ৰতিটো স্তৰতে জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণ আৰু নিৰন্তৰ নিৰীক্ষণ অবিহনে এখন কল্যাণকামী ৰাষ্ট্ৰ গঠন কৰাটো অসম্ভৱ। সাধাৰণতে এজন ভোটাৰে নিজৰ পচন্দৰ প্ৰাৰ্থীক জয়ী কৰাৰ পাছত ভাৱে যে তেওঁৰ কৰ্তব্য শেষ হৈছে। ইয়াৰ ফলত শাসন ব্যৱস্থাত এক ধৰণৰ শূন্যতাৰ সৃষ্টি হয়। যাৰ সুযোগ লৈ প্ৰশাসনিক শিথিলতা বা দুৰ্নীতিয়ে গা কৰি উঠিব পাৰে। নাগৰিকৰ কাম হ'ল চৰকাৰী প্ৰতিশ্ৰুতি আৰু কাৰ্যৰ মাজৰ ব্যৱধান পৰীক্ষা কৰা। নিৰ্বাচনী ইস্তাহাৰত দিয়া প্ৰতিশ্ৰুতিবোৰ চৰকাৰে কেনেদৰে পালন কৰিছে, তাৰ খতিয়ান লোৱাৰ অধিকাৰ জনসাধাৰণৰ আছে। বাজেটৰ ধন কি শিতানত খৰচ হৈছে, সেই ধনৰ সঠিক ব্যৱহাৰ হৈছে নে নাই, সেই বিষয়ে চৰকাৰক প্ৰশ্ন কৰিব পৰা মানসিকতা গঢ়ি তুলিব লাগিব। প্ৰশ্ন কৰাৰ অধিকাৰ প্ৰতিজন নাগৰিকৰে আছে। ৰাজহুৱা সমালোচনা আৰু গঠনমূলক পৰামৰ্শইহে এখন চৰকাৰক অধিক সক্ৰিয় আৰু জনমুখী কৰি তোলে।

নিৰ্বাচনৰ সময়ত বিভিন্ন ৰাজনৈতিক দলৰ আদৰ্শগত সংঘাত আৰু প্ৰতিযোগিতাৰ ফলত সমাজত প্ৰায়েই এক অদৃশ্য বিভাজনৰ সৃষ্টি হয়। নিৰ্বাচন শেষ হোৱাৰ লগে-লগে এই ৰাজনৈতিক তিক্ততা বিসৰ্জন দিয়াটো সমাজৰ সুস্থতাৰ বাবে অপৰিহাৰ্য। ইয়াৰ বাবে এক ফলপ্ৰসূ মাধ্যম হ'ল 'সমন্বয় সভা'। স্থানীয় পৰ্যায়ত গাঁওবুঢ়া, সমাজসেৱক আৰু সচেতন যুৱক-যুৱতীসকলে উদ্যোগ লৈ নিৰ্বাচনৰ পাছত এখন শান্তি আৰু সম্প্ৰীতি সভা আয়োজন কৰা উচিত। ইয়াত সকলো দল-মতৰ লোকে একেলগে বহি অঞ্চলটোৰ উন্নয়নৰ বাবে এক উমৈহতীয়া লক্ষ্য স্থিৰ কৰিব পাৰে। যেতিয়া ৰাজনীতিৰ উৰ্ধত গৈ মানুহে সমাজৰ কথা চিন্তা কৰিবলৈ লয়, তেতিয়াহে প্ৰকৃত সামাজিক উন্নয়ন সম্ভৱ হয়। সমন্বয় সভাই কেৱল শান্তি প্ৰতিষ্ঠাই নকৰে, ই বিভেদৰ প্ৰাচীৰ ভাঙি একতাৰ এক নতুন নিদৰ্শন দাঙি ধৰে।

শাসন ব্যৱস্থাৰ বিকেন্দ্ৰীকৰণৰ লক্ষ্যৰে পঞ্চায়ত আৰু পৌৰসভাৰ দৰে স্থানীয় নিকায়সমূহ গঠন কৰা হৈছে। এই নিকায়সমূহ হৈছে গণতন্ত্ৰৰ সৰ্বনিম্ন আৰু গুৰুত্বপূৰ্ণ স্তৰ। এজন সচেতন নাগৰিকে নিজৰ অঞ্চলৰ উন্নয়নমূলক আঁচনি প্ৰস্তুত কৰাত সক্ৰিয় অংশ ল'ব লাগে। উদাহৰণস্বৰূপে, গ্ৰাম সভা বা ৱাৰ্ড সভাৰ বৈঠকসমূহত নিয়মীয়াকৈ উপস্থিত থকাটো জৰুৰী। ইয়াত কেৱল আঁচনি গ্ৰহণ কৰাই নহয়, চৰকাৰী পুঁজিৰ খৰচৰ হিচাপো ৰাজহুৱাকৈ আলোচনা কৰা হয়। যেতিয়া এজন নাগৰিকে নিজৰ ঘৰৰ সমীপত হোৱা ৰাস্তাটোৰ কামৰ মানদণ্ড পৰীক্ষা কৰে বা বিদ্যালয়ৰ মধ্যাহ্ন ভোজনৰ তদাৰক কৰে, তেতিয়াহে শাসন ব্যৱস্থাত স্বচ্ছতা আহে। নীতি নিৰ্ধাৰণৰ এই প্ৰক্ৰিয়াত সাধাৰণ মানুহৰ কণ্ঠস্বৰ যিমানেই প্ৰবল হ'ব, সিমানেই আমোলাতন্ত্ৰৰ প্ৰভাৱ হ্ৰাস পাব।

এখন সমাজৰ পৰিৱৰ্তনৰ মূল চালিকা শক্তি হৈছে সেই সমাজৰ যুৱ প্ৰজন্ম। গাঁৱৰ পুথিভঁৰালটোৰ অৱস্থাই হওক বা স্থানীয় স্বাস্থ্য কেন্দ্ৰটোৰ সেৱাই হওক— যুৱক-যুৱতীসকলে এইবোৰৰ ওপৰত এক গঠনমূলক চকু ৰখা উচিত। শিক্ষিত যুৱপ্ৰজন্মই যেতিয়া দলীয় সংকীৰ্ণতাৰ উৰ্ধত গৈ গাঁৱৰ উন্নয়নৰ বাবে পঞ্চায়তৰ কাম-কাজত ভাগ লয় আৰু প্ৰশ্ন কৰিবলৈ শিকে, তেতিয়াহে সমাজত প্ৰকৃত গণতন্ত্ৰ প্ৰতিষ্ঠা হয়। যুৱক-যুৱতীসকল কেৱল ভোটাৰেই নহয়, তেওঁলোক হ'ব লাগে সমাজৰ একো একোজন অতন্দ্ৰ প্ৰহৰী।"

বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগত চৰকাৰী কাম-কাজত স্বচ্ছতা আনিবলৈ ডিজিটেল পদ্ধতি এক আশীৰ্বাদ স্বৰূপ। চৰকাৰৰ প্ৰতিটো বিভাগৰ তথ্য এতিয়া ই-পৰ্টেলৰ জৰিয়তে সৰ্বসাধাৰণৰ বাবে উপলব্ধ। এজন সচেতন নাগৰিকে তথ্য জনাৰ অধিকাৰ আইন ব্যৱহাৰ কৰি লগডতে বিভিন্ন চৰকাৰী এপ্লিকেচন আৰু ৱেবছাইটৰ জৰিয়তে আঁচনিৰ স্থিতি নিৰীক্ষণ কৰিব পাৰে। ডিজিটেল লেনদেন আৰু অনলাইন আবেদন প্ৰক্ৰিয়াই মধ্যভোগীৰ দৌৰাত্ম্য হ্ৰাস কৰিছে। প্ৰযুক্তিৰ সহায়ত এজন ব্যক্তিৰ পৰা আন এজন ব্যক্তিলৈ পোনে পোনে হিতাধিকাৰীৰ ধন হস্তান্তৰ কৰাটো সম্ভৱ হৈছে। এই ব্যৱস্থাটো অধিক কাৰ্যকৰী কৰিবলৈ হ'লে জনসাধাৰণেও নিজকে কাৰিকৰীভাৱে শিক্ষিত কৰি তোলাটো প্ৰয়োজনীয়। যিমান বেছি স্বচ্ছতা থাকিব, দুৰ্নীতিৰ অৱকাশ সিমানেই কমি যাব। কেৱল সেয়াই নহয়, 'তথ্য জনাৰ অধিকাৰ আইন' (RTI) হৈছে এজন সচেতন নাগৰিকৰ হাতত থকা আটাইতকৈ শক্তিশালী অস্ত্ৰ। নিজৰ অঞ্চলৰ উন্নয়নমূলক কামৰ বাবে কিমান পুঁজি আৱণ্টন হৈছে আৰু সেই ধন কেনেদৰে ব্যয় কৰা হৈছে, তাৰ লিখিত তথ্য বিচাৰি এজন সাধাৰণ ব্যক্তিয়েও চৰকাৰক জবাবদিহি কৰিব পাৰে। সমান্তৰালভাৱে, বৰ্তমানৰ ছ'চিয়েল মিডিয়াৰ যুগত ফেচবুক বা এক্স (টুইটাৰ)ৰ দৰে মঞ্চসমূহক কেৱল মনোৰঞ্জনৰ বাবে ব্যৱহাৰ নকৰি ৰাজহুৱা সমস্যাসমূহ (যেনে— জৰাজীৰ্ণ পথ, কৃত্ৰিম বান বা চৰকাৰী কাৰ্যালয়ৰ বিসংগতি) চৰকাৰৰ দৃষ্টিগোচৰ কৰাৰ এক ফলপ্ৰসূ মাধ্যম হিচাপে গঢ়ি তুলিব পৰা যায়। এনে 'ডিজিটেল এক্টিভিজিম' বা সজাগতাই প্ৰশাসনক অধিক সক্ৰিয় আৰু উত্তৰদায়ী হ'বলৈ বাধ্য কৰে।"

নিৰ্বাচনী জয়-পৰাজয় এক সাময়িক বিষয়, কিন্তু উন্নয়ন এক নিৰন্তৰ প্ৰক্ৰিয়া। নিৰ্বাচনৰ পাছত শাসক-বিৰোধী নিৰ্বিশেষে 'সকলোৰে বাবে উন্নয়ন' বা অন্তৰ্ভুক্তিমূলক উন্নয়নৰ লক্ষ্যৰে কাম কৰাটো প্ৰয়োজন। আমাৰ সমাজৰ উন্নয়ন তেতিয়াহে সম্পূৰ্ণ হ'ব, যেতিয়া সমাজৰ একেবাৰে নিম্ন স্তৰত থকা দুখীয়া-দৰিদ্ৰ লোকজনেও চৰকাৰী আঁচনিৰ সুফল লাভ কৰিব। ইয়াৰ বাবে নাগৰিক সজাগতা অত্যন্ত জৰুৰী। যদি কোনো এটা অঞ্চলৰ ৰাস্তা বা বিজুলীৰ সমস্যা আছে, তেন্তে সেইটো এটা বিশেষ দলৰ সমস্যা নহয়, সেয়া সমগ্ৰ সমাজৰ সমস্যা। ব্যক্তিগত লাভালাভৰ পৰিৱৰ্তে সামূহিক স্বাৰ্থক অগ্ৰাধিকাৰ দিলেহে সমাজখন দ্ৰুতগতিত আগুৱাই যাব পাৰে।

শাসন ব্যৱস্থাৰ সফলতা কেৱল চৰকাৰৰ ওপৰত নিৰ্ভৰ নকৰে, ই নিৰ্ভৰ কৰে নাগৰিকৰ সচেতনতা বা 'চিভিক চেন্স'ৰ ওপৰত। ৰাজহুৱা সম্পত্তি যেনে— বিদ্যালয়, চিকিৎসালয়, পথ-ঘাট আৰু উদ্যানসমূহৰ সুৰক্ষা কৰাটো আমাৰ দায়িত্ব। যান-বাহনৰ নিয়ম মানি চলা, য'তে ত'তে আৱৰ্জনা নেপেলোৱা আৰু পৰিৱেশ সংৰক্ষণৰ প্ৰতি সজাগ হোৱাটোৱেই হৈছে এজন সজাগ নাগৰিকৰ লক্ষণ। চৰকাৰক কেৱল সমালোচনা কৰি হাত সাবটি বহি থকাতকৈ এজন সক্ৰিয় অংশীদাৰ হিচাপে নিজৰ দায়িত্ব পালন কৰিলেহে গণতন্ত্ৰ সফল হয়। সমাজৰ প্ৰতি থকা আমাৰ এই দায়বদ্ধতা আৰু নৈতিকতাৰ ফলত এক সুস্থ প্ৰশাসনিক পৰিৱেশ গঢ়ি উঠে।


পৰিশেষত ক'ব পাৰি যে, শাসন ব্যৱস্থাত জনসাধাৰণৰ অংশগ্ৰহণ কেৱল এটা অধিকাৰেই নহয়, ই এক বৃহৎ সামাজিক দায়িত্ব। নিৰ্বাচনৰ পাছৰ সময়ছোৱাত বিভাজনৰ ৰাজনীতি ত্যাগ কৰি ঐক্য আৰু সংহতিৰ জৰিয়তে উন্নয়নৰ হকে কাম কৰাটো অতীব প্ৰয়োজন। প্ৰযুক্তিৰ ব্যৱহাৰ, স্বচ্ছতাৰ দাবী আৰু স্থানীয় প্ৰশাসনত সক্ৰিয় উপস্থিতিৰ দ্বাৰা আমি এক শক্তিশালী শাসন যন্ত্ৰ গঢ়ি তুলিব পাৰো। যেতিয়ালৈকে সমাজৰ প্ৰতিজন ব্যক্তিয়ে নিজকে শাসন ব্যৱস্থাৰ এজন অংশীদাৰ বুলি গণ্য নকৰে, তেতিয়ালৈকে গণতন্ত্ৰৰ প্ৰকৃত সোৱাদ সৰ্বসাধাৰণে লাভ নকৰিব। গতিকে আমি সকলোৱেই এখন সচেতন নাগৰিক সমাজ গঢ়ি তুলি দেশৰ প্ৰগতিৰ যাত্ৰাত একো একোজন সক্ৰিয় সৈনিক হিচাপে নিজকে নিয়োজিত কৰিব পাৰিলেহে এখন প্ৰগতিশীল ৰাজ্য সৃষ্টি কৰিবলৈ সক্ষম হম। নিশ্চয়কৈ আমাৰ সজাগতাই হ'ব এখন সমৃদ্ধিশালী আৰু দুৰ্নীতিমুক্ত সমাজৰ ভেটি।



*নিৰ্বাচনী জয়-পৰাজয় এক সাময়িক বিষয়, কিন্তু উন্নয়ন এক নিৰন্তৰ প্ৰক্ৰিয়া। নিৰ্বাচনৰ পাছত শাসক-বিৰোধী নিৰ্বিশেষে 'সকলোৰে বাবে উন্নয়ন' বা অন্তৰ্ভুক্তি মূলক উন্নয়নৰ লক্ষ্যৰে কাম কৰাটো প্ৰয়োজন। আমাৰ সমাজৰ উন্নয়ন তেতিয়াহে সম্পূৰ্ণ হ'ব, যেতিয়া সমাজৰ একেবাৰে নিম্ন স্তৰত থকা দুখীয়া-দৰিদ্ৰ লোকজনেও চৰকাৰী আঁচনিৰ সুফল লাভ কৰিব। ইয়াৰ বাবে নাগৰিক সজাগতা অত্যন্ত জৰুৰী। যদি কোনো এটা অঞ্চলৰ ৰাস্তা বা বিজুলীৰ সমস্যা আছে, তেন্তে সেইটো এটা বিশেষ দলৰ সমস্যা নহয়, সেয়া সমগ্ৰ সমাজৰ সমস্যা। ব্যক্তি গত লাভালাভৰ পৰিৱৰ্তে সামূহিক স্বাৰ্থক অগ্ৰাধিকাৰ দিলেহে সমাজখন দ্ৰুতগতিত আগুৱাই যাব পাৰে। শাসন ব্যৱস্থাৰ সফলতা কেৱল চৰকাৰৰ ওপৰত নিৰ্ভৰ নকৰে, ই নিৰ্ভৰ কৰে নাগৰিকৰ সচেতনতা বা 'চিভিক চেন্স'ৰ*

# সুস্থ গণতন্ত্ৰৰ বাবে শক্তিশালী বিৰোধী দল অপৰিহাৰ্য

বৰ্তমান সময়ত দেশৰ ৰাজনৈতিক পৰিৱেশত গণতন্ত্ৰৰ কাৰ্যকাৰিতা আৰু বিশ্বাসযোগ্যতা লৈ বিভিন্ন মহলত আলোচনা অব্যাহত আছে। এই আলোচনাৰ কেন্দ্ৰবিন্দুত থকা এক গুৰুত্বপূৰ্ণ বিষয় হ'ল গণতান্ত্ৰিক ব্যৱস্থাত বিৰোধী দলৰ ভূমিকা।



গণতন্ত্ৰত চৰকাৰ গঠন কৰা দল যিমান গুৰুত্বপূৰ্ণ, তেনেদৰে বিৰোধী দলো সমানেই প্ৰাসংগিক। এখন সুস্থ গণতান্ত্ৰিক ব্যৱস্থাত বিৰোধী দল কেৱল সমালোচক নহয়; ই চৰকাৰৰ কাৰ্যকলাপৰ ওপৰত নজৰ ৰখা এক সাংবিধানিক শক্তি। চৰকাৰৰ নীতি, সিদ্ধান্ত আৰু কাৰ্যপদ্ধতিৰ ওপৰত গঠনমূলক সমালোচনা আগবঢ়াই বিৰোধী দলে শাসন ব্যৱস্থাত স্বচ্ছতা আৰু জৱাবদিহিতা নিশ্চিত কৰিবলৈ চেষ্টা কৰে।

ইয়াৰ উপৰিও, বিৰোধী দলে জনসাধাৰণৰ কণ্ঠস্বৰ হিচাপেও কাৰ্য কৰে। সমাজৰ বিভিন্ন সমস্যা, অভাৱ-অভিযোগ আৰু জনমত সংসদ বা ৰাজহুৱা ক্ষেত্ৰত উত্থাপন কৰি সাধাৰণ নাগৰিকৰ অনুভৱ আৰু দাবীক শাসক পক্ষৰ সন্মুখত তুলি ধৰে। ফলত শাসন ব্যৱস্থা অধিক দায়িত্বশীল আৰু জনমুখী হোৱাত সহায় হয়।

কিন্তু সাম্প্ৰতিক সময়ত বহু ক্ষেত্ৰত বিৰোধী দলৰ দুৰ্বলতা অথবা বিভাজনৰ ছবি লক্ষ্য কৰা যায়। এনে পৰিস্থিতিত ক্ষমতাৰ ওপৰত প্ৰয়োজনীয় নিয়ন্ত্ৰণ কমি যায় আৰু গণতন্ত্ৰৰ মূল আদৰ্শ ক্ষতিগ্ৰস্ত হোৱাৰ আশংকা বৃদ্ধি পায়। শক্তিশালী বিৰোধী কণ্ঠৰ অভাৱত বহু সময়ত জনমতৰ সঠিক প্ৰতিফলনো নোহোৱা হয়।

গণতন্ত্ৰত মতানৈক্য, সমালোচনা আৰু প্ৰশ্ন স্বাভাৱিক। এইবোৰক বাধা হিচাপে নহয়, বৰঞ্চ সুস্থ গণতান্ত্ৰিক চৰ্চাৰ অংশ হিচাপে গ্ৰহণ কৰাটো অত্যন্ত প্ৰয়োজনীয়। কাৰণ, য'ত প্ৰশ্ন থাকে, তাতেই জৱাবদিহিতা থাকে; আৰু য'ত জৱাবদিহিতা থাকে, তাতেই গণতন্ত্ৰ অধিক শক্তিশালী হয়।

সেয়ে, এখন শক্তিশালী আৰু সুস্থ গণতন্ত্ৰ গঢ়ি তুলিবলৈ দায়িত্বশীল চৰকাৰৰ লগতে এক সজাগ, সক্ৰিয় আৰু গঠনমূলক বিৰোধী দলৰ উপস্থিতি সমানেই অপৰিহাৰ্য। গণতন্ত্ৰৰ সৌন্দৰ্য একপক্ষীয় ক্ষমতাত নহয়, বৰঞ্চ মতবিনিময়, সমালোচনা আৰু সমতাৰ মাজত নিহিত হৈ আছে।

*মৌচুম কৌশিক*
*দেৰগাঁও*

# অসমৰ শিক্ষা ব্যৱস্থাত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগ আৰু ইতিবাচক দিশ

বৰ্তমান যুগত কৃত্ৰিম বুদ্ধিমত্তাই বা Artificial Intelligence য়ে (AI) বিশ্বজুৰি শিক্ষা, স্বাস্থ্য, কৃষি, উদ্যোগ আদি বিভিন্ন ক্ষেত্ৰত দ্ৰুত প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিছে। অসমতো শিক্ষা ব্যৱস্থাত AI-ৰ প্ৰয়োগ তুলনামূলক ভাৱে বৃদ্ধি পাইছে। বিশেষকৈ ভাৰত চৰকাৰৰ নতুন শিক্ষা নীতি ২০২০ (NEP 2020)-এ ডিজিটেল শিক্ষা, দক্ষতা বিকাশ আৰু প্ৰযুক্তিনিৰ্ভৰ শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ ফলত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ অধিক প্ৰাসংগিক হৈ উঠিছে। নতুন শিক্ষা নীতিত শিক্ষাক অধিক সৃষ্টিশীল, ব্যৱহাৰিক আৰু প্ৰযুক্তিমুখী কৰাৰ কথা উল্লেখ কৰা হৈছে। এই নীতিত অনলাইন শিক্ষা, স্মাৰ্ট ক্লাছৰুম, ডিজিটেল লাৰ্নিং প্লেটফৰ্ম আৰু ভাৰ্চুৱেল লেবৰেটৰীৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। AI-ভিত্তিক শিক্ষণ ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত দক্ষতা আৰু দুৰ্বলতা চিনাক্ত কৰি সেই অনুসৰি পাঠদান কৰাত সহায় কৰে। ফলত শিক্ষাৰ মান উন্নত হয়।

অসমৰ বিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত স্মাৰ্ট ব'ৰ্ড, অনলাইন ক্লাছ, ডিজিটেল লাইব্ৰেৰী আৰু AI-চালিত শিক্ষা এপৰ ব্যৱহাৰ বৃদ্ধি পাইছে। বিশেষকৈ COVID-19 মহামাৰীৰ সময়ত অনলাইন শিক্ষাৰ প্ৰয়োজনীয়তা বেছি অনুভৱ কৰা হৈছিল। Google Classroom, DIKSHA, SWAYAM আদি প্লেটফৰ্মে ছাত্ৰ-ছাত্ৰীক ঘৰত বহিয়েই শিক্ষা গ্ৰহণ কৰাৰ সুবিধা প্ৰদান কৰিছিল। AI-ৰ সহায়ত অনলাইন পৰীক্ষা, স্বয়ংক্ৰিয় মূল্যায়ন সহজলভ্য কৰি তুলিছে।

AI-ই শিক্ষকৰ ভূমিকাও সহজ কৰি তুলিছে। শিক্ষকে AI-ৰ সহায়ত পাঠ পৰিকল্পনা, শিক্ষাৰ্থীৰ অগ্ৰগতি মূল্যায়ন আৰু শিক্ষণ সামগ্ৰী তৈয়াৰ কৰিব পাৰে। আনহাতে, ছাত্ৰ-ছাত্ৰীয়ে Chatbot, Virtual Assistant আৰু AI Tutor-ৰ সহায়ত নিজৰ সন্দেহ দূৰ কৰিব পাৰে। অসমীয়া ভাষাতো ডিজিটেল শিক্ষাৰ সামগ্ৰী তৈয়াৰ হোৱাত গ্ৰাম্য অঞ্চলৰ শিক্ষাৰ্থীসকল উপকৃত হৈছে।

কিন্তু AI-ৰ প্ৰয়োগত কিছুমান সমস্যাও আছে। অসমৰ বহু গ্ৰামাঞ্চলত ইণ্টাৰনেট সংযোগ, স্মাৰ্টফোন আৰু ডিজিটেল সুবিধাৰ অভাৱ দেখা যায়। সকলো শিক্ষাৰ্থীয়ে সমান সুবিধা লাভ নকৰে। লগতে AI-ৰ ওপৰত অত্যধিক নিৰ্ভৰশীলতা ছাত্ৰ-ছাত্ৰীৰ সৃজনশীল চিন্তা আৰু মানৱীয় মূল্যবোধৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাব পাৰে।

ভৱিষ্যতে শিক্ষা ব্যৱস্থাত AI-ৰ ভূমিকা অধিক বৃদ্ধি পাব বুলি আশা কৰা যায়। ব্যক্তিগতভাৱে শিক্ষাদান, স্মাৰ্ট মূল্যায়ন, ভাষা অনুবাদ, গৱেষণা আৰু দক্ষতা বিকাশৰ ক্ষেত্ৰত AI এক গুৰুত্বপূৰ্ণ মাধ্যম হৈ উঠিব। যদি অসমত ডিজিটেল ব্যৱস্থা উন্নত কৰা যায় আৰু সকলো শিক্ষাৰ্থীৰ মাজত প্ৰযুক্তিৰ সমান সুযোগ সৃষ্টি কৰা হয়, তেন্তে AI-ই অসমৰ শিক্ষা ব্যৱস্থাক নতুন দিশ প্ৰদান কৰিব পাৰিব। সেয়েহে কৃত্ৰিম বুদ্ধিমত্তা আধুনিক শিক্ষা ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংশ হৈ পৰিছে। সঠিক ব্যৱহাৰ আৰু সচেতন নীতি গ্ৰহণৰ জৰিয়তে AI-ই অসমৰ শিক্ষাক্ষেত্ৰত ইতিবাচক পৰিৱৰ্তন আনিব পাৰে।

***ৰিতু শৰ্মা***
*ছাত্ৰী, সাংবাদিকতা আৰু গনসংযোগ অধ্যয়ন কেন্দ্ৰ*
*ডিব্ৰুগড় বিশ্ববিদ্যালয়*

# গ্ৰন্থ-সমীক্ষা আলোক সন্ধানী আমি

বীৰ্কে বাহাদুৰ থাপা

বিশিষ্ট লেখক, সাহিত্যিক তথা ৰাজ্যিক কৃতি শিক্ষকৰ বঁটা প্ৰাপক আৰু 'অসম বাৰ্তা' কাকতৰ মুখ্য সম্পাদক শৰৎ চন্দ্ৰ চিৰিংফুকন ছাৰৰ নৱতম গ্ৰন্থ 'আলোক সন্ধানী আমি' এখনি শিশু গল্প-সংকলন। গল্প-সংকলনখনিত সন্নিৱিষ্ট হৈছে মুঠ আঠটা গল্প। ইতিপূৰ্বে ছাৰে 'আলোক', 'দাপোন', 'অন্বেষা', 'আলোচ্য', 'চিন্তন' আদিকে ধৰি প্ৰায় ছাব্বিশখন গ্ৰন্থ ৰচনা কৰিছে। প্ৰকাশিত এই গ্ৰন্থসমূহৰ ভিতৰত সৰহভাগেই চৰিত্ৰ গঠন, সদাচাৰ, অসমীয়া সমাজ-জীৱন, সাহিত্য আৰু সংস্কৃতি বিষয়ক। তদুপৰি তেখেতে 'অসমীয়া খণ্ডবাক্য' আৰু 'প্ৰবচন বিশ্লেষণ'ৰ দৰে সংকলন গ্ৰন্থ তথা 'শৈশৱ, কৈশোৰৰ জিলিঙনি' শীৰ্ষক এখনি উপন্যাসো ৰচনা কৰিছে। বিগত কেইবাদশক ধৰি বিভিন্ন কাকত-আলোচনী, স্মৃতিগ্ৰন্থ আদিত নিয়মীয়াকৈ লিখা-মেলা কৰি থকা ছাৰৰ ৰচনাত সততে তেখেতৰ স্বভাৱসুলভ সদাচাৰী মনৰ স্পষ্ট প্ৰতিফলন ঘটা পৰিলক্ষিত হয়।

'আলোক সন্ধানী আমি' - এই শিশুগ্ৰন্থখনিত সন্নিৱিষ্ট গল্পসমূহত লেখকে শিশুৰ মানসিকতাৰ ভিন্ন চিত্ৰ অংকন কৰিবলৈ চেষ্টা কৰিছে। শিশুৰ কল্পনাপ্ৰৱণ মনত বহু কথাই খেলি থাকে। তাৰে বেছিভাগেই হয়তো দুষ্টালিৰে ভৰা। শিশোৱে এনে কিছুমান কাম কৰি ভাল পায় যিবোৰ কামৰ বাবে ডাঙৰে বহু সময়ত সমস্যাত পৰিবলগীয়া হয়। উৎপাত কৰা, হুলস্থুল কৰা, জোকা-জুকি কৰা, খোছা-খুছি কৰা - এইবোৰ শিশুৰ স্বভাৱজাত বৈশিষ্ট্য। গালি-ধমকি দি, শাৰীৰিক শাস্তি প্ৰদান কৰি মাথোঁ কিছু সময়লৈকেহে ৰখাই থ'ব পাৰি, আকৌ আৰম্ভ হৈ যায়। এনে দুষ্টালিসুলভ মানসিকতাৰ মাজতো বহু শিশুৰ ভিতৰত কিছুমান অসাধাৰণ গুণ বা প্ৰতিভা থকা দেখিবলৈ পোৱা যায়। যেনে - কোনোবাই হয়তো ভাল ছবিকে আঁকিব পাৰে, কোনোবাই ভাল গানকে গাব পাৰে, কোনোবাই খেলিব পাৰে, কোনোবাই ঢোল-খোল-বাঁহী আদিকে বজাব পাৰে ইত্যাদি। শিশুৰ এনে প্ৰতিভাসমূহক চিনাক্ত কৰি সিবিলাকৰ বিকাশৰ সুযোগ পিতৃ-মাতৃ, অভিভাৱক-অভিভাৱিকা, শিক্ষক-শিক্ষয়িত্ৰীসকলে আৰু সমাজে দিয়া উচিত। শিশুৰ দুষ্টালি, অবাধ্যতা, চঞ্চলমতি আদিক গালি-ধমকি, শাৰীৰিক শাস্তি আদিৰে জোৰকৈ দমাই ৰাখিবলৈ কৰা চেষ্টাৰ পৰিণতি কেতিয়াবা বিষম হৈ পৰাও চকুত পৰে। বিশেষকৈ এনে প্ৰচেষ্টাই শিশুৰ কোমল মনত বেয়াকৈ আঘাত কৰাৰ ফলত তেওঁলোকৰ মন-মগজুত নেতিবাচক প্ৰভাৱ পৰে। তেওঁলোকৰ মনোবল ভাগি পৰে আৰু তেওঁলোক হতাশাত ভোগে। নিজকে অকলশৰীয়া অনুভৱ কৰে। নিজকে পিতৃ-মাতৃৰ মৰম-স্নেহৰ পৰা বঞ্চিত যেন অনুভৱ কৰিবলৈ লোৱাৰ পৰাই বহুসময়ত শিশুৰ মনত আত্মধ্বংসী প্ৰৱণতাও সততে গঢ় লৈ উঠে। সেয়ে এই ক্ষেত্ৰত আধুনিক যুগৰ শিক্ষাতত্ত্ববিদ আৰু মনোবিজ্ঞানীসকলেও গভীৰ চিন্তা আৰু উদ্বেগ প্ৰকাশ কৰা দেখিবলৈ পোৱা যায়।

দীৰ্ঘদিন ধৰি শিক্ষকতাৰ সৈতে জড়িত এগৰাকী শিক্ষক হিচাপে লেখকে ছাত্ৰ-ছাত্ৰীসকলৰ শিশুসুলভ মন আৰু তেওঁলোকৰ কাৰ্যসমূহক ওচৰৰ পৰা সূক্ষ্মভাৱে নিৰীক্ষণ কৰাৰ সুযোগ লাভ কৰিছে। সংকলিত গল্পকেইটা এই নিৰীক্ষণৰে ফচল। গল্পকেইটাত লেখকে শিশুমনৰ দুষ্টালিবোৰৰ মাজেৰে সম্ভাৱনীয়তাৰ সন্ধান কৰিবলৈ চেষ্টা কৰিছে।

উল্লেখযোগ্য যে, 'আলোক সন্ধানী আমি' গল্প সংকলনত সন্নিৱিষ্ট গল্পসমূহৰ বিষয়বস্তু তেনেই সৰল। আজিৰ বিজ্ঞান-প্ৰযুক্তিৰে পূৰ্ণ, বস্তুবাদী যুগত জন্মগ্ৰহণ কৰা শিশুৰ মনস্তাত্বিক জটিলতা গল্পকেইটাত নাই। আজিৰ শিশুৰ মানসিকতাত পুৰণিকলীয়া খেল-ধেমালি, ৰং-ৰহইচ আদিৰ পৰিৱৰ্তে মোবাইল ফোন, কম্পিউটাৰ, ভিডিঅ' গেম, কাৰ্টুন, হ'ৰৰ বা চাচপেঞ্চ মুভী, কাৰ-বাইক, ফেশ্বন আদি দৰে বস্তুসমূহে ব্যাপক প্ৰভাৱ পেলাইছে। বস্তুবাদী আৰু ভোগসৰ্বস্ব যুগৰ পৰিপ্ৰেক্ষিতত আজি বহু পিতৃ-মাতৃৰ হাতত নিজৰ সন্তানক মৰম-স্নেহ দিবলৈ, আদৰ-যত্ন ল'বলৈ সময়কে নোহোৱা হৈছে। তেনেস্থলত শিশুৰ মানসিকতাৰ ওপৰত পৰা প্ৰবল চাপ বা হেঁচাই কি ভয়ানক প্ৰভাৱ পেলাব পাৰে সেয়া এক চিন্তাৰ বিষয়। এনে জটিল বিষয়সমূহৰ ওপৰত গভীৰ চিন্তা-চৰ্চা কৰাৰ প্ৰয়োজনীয়তা আছে। সেয়া এক অন্য বিষয়। আমি আলোচনা কৰিবলৈ লোৱা গল্প-সংকলনখনত লেখকে শিশু মনস্তত্ত্বৰ তেনে কোনো জটিল বিষয়বস্তু উপস্থাপন কৰা নাই। গল্পকেইটাত চিত্ৰিত কৰা শিশুসকলো আধুনিক যুগ-যন্ত্ৰণা বা জটিলতাৰ পৰা বহু আঁতৰত। অনুমান কৰিব পাৰি, এই শিশুসকলক লেখকে চিত্ৰিত কৰিছে একো একোখন সাধাৰণ, জটিলতাহীন গাওঁ বা চহৰৰ পটভূমিত।

> *গল্প-সংকলনখনিত সন্নিৱিষ্ট 'পোহৰ বিচাৰি যাওঁ' গল্পৰ পটভূমি এখন সাধাৰণ বিদ্যালয়। বিদ্যালয়খনৰ কণ-কণ শিশুহঁতৰ পঢ়া-শুনাত একেবাৰেই মন নাই। পঢ়াৰ নাম শুনিলেই বিৰক্তি অনুভৱ কৰা এই শিশুহঁতক সংগীত শিকায় সন্ধানী বাইদেৱে। এইগৰাকী বাইদেৱে তেওঁলোকক সংগীতৰ লগে-লগে কিছুমান প্ৰয়োজনীয় কথা কৈ শিক্ষামূলক ভ্ৰমণলৈ নিয়াৰ কথা কয়। তেওঁ জানে- কেনেকৈ শিশুসকলক শ্ৰেণীকোঠাত শিকাব নোৱাৰা বিষয়বোৰ শ্ৰেণীকোঠাৰ বাহিৰতো খেল-ধেমালি, ৰং-ৰহইচ, ফুৰা-চকাৰ জৰিয়তেও শিকাব পাৰি বা বিষয়বস্তু কিছুমানৰ প্ৰতি আকৰ্ষিত কৰিব পাৰি। সেইদৰে লেখকে 'পোহৰৰ পম খেদি' শীৰ্ষক গল্পত এজাক কণকণ শিশুৰ কলকাকলিৰে পূৰ্ণ 'চৌধুৰী পাৰা'ৰ অপৰিষ্কাৰ-অস্বাস্থ্যকৰ পৰিৱেশৰ চিত্ৰ অংকন কৰিছে।*

গল্প-সংকলনখনিত সন্নিৱিষ্ট 'পোহৰ বিচাৰি যাওঁ' গল্পৰ পটভূমি এখন সাধাৰণ বিদ্যালয়। বিদ্যালয়খনৰ কণ-কণ শিশুহঁতৰ পঢ়া-শুনাত একেবাৰেই মন নাই। পঢ়াৰ নাম শুনিলেই বিৰক্তি অনুভৱ কৰা এই শিশুহঁতক সংগীত শিকায় সন্ধানী বাইদেৱে। এইগৰাকী বাইদেৱে তেওঁলোকক সংগীতৰ লগে-লগে কিছুমান প্ৰয়োজনীয় কথা কৈ শিক্ষামূলক ভ্ৰমণলৈ নিয়াৰ কথা কয়। তেওঁ জানে- কেনেকৈ শিশুসকলক শ্ৰেণীকোঠাত শিকাব নোৱাৰা বিষয়বোৰ শ্ৰেণীকোঠাৰ বাহিৰতো খেল-ধেমালি, ৰং-ৰহইচ, ফুৰা-চকাৰ জৰিয়তেও শিকাব পাৰি বা বিষয়বস্তু কিছুমানৰ প্ৰতি আকৰ্ষিত কৰিব পাৰি। সেইদৰে লেখকে 'পোহৰৰ পম খেদি' শীৰ্ষক গল্পত এজাক কণকণ শিশুৰ কলকাকলিৰে পূৰ্ণ 'চৌধুৰী পাৰা'ৰ অপৰিষ্কাৰ - অস্বাস্থ্যকৰ পৰিৱেশৰ চিত্ৰ অংকন কৰিছে। অঞ্চলটোৰ পিতৃ-মাতৃৰ অনভিজ্ঞতাৰ বাবে শিক্ষা, স্বাস্থ্য, সংস্কাৰ আদি সকলো ক্ষেত্ৰত অৱহেলিত হৈ অহা শিশুহঁতৰ ভৱিষ্যতৰ কথা চিন্তা কৰি আগবাঢ়ি আহিছে ৰশ্মিতা, বিকাশ, ৰূপেশৰ দৰে তিনিগৰাকী শিক্ষিত যুৱক-যুৱতী। তেওঁলোকে মৰমেৰে শিশুহঁতৰ মনবোৰক পুনৰ পঢ়া-শুনা, পৰিষ্কাৰ-পৰিচ্ছন্নতা আদিৰ প্ৰতি আকৃষ্ট কৰি তুলিছে। লেখকে গল্পটোৰ দ্বাৰা দেখুৱাব বিচাৰিছে যে আমি দেখি থকা চহৰৰ অলিয়ে-গলিয়ে লেতেৰা নলী-নাদ, গেলা-পঁচা আৱৰ্জনা, শৌচ-প্ৰস্ৰাৱেৰে ভৰি থকা অপৰিষ্কাৰ পৰিৱেশত শিক্ষা-দীক্ষাহীন জাক জাক ল'ৰা-ছোৱালী অনাদৰ-অৱহেলাৰ মাজতে কুকুৰ-মেকুৰীৰ দৰে ডাঙৰ-দীঘল হয়। তেওঁলোকৰ ভৱিষ্যতৰ বাবে কিন্তু কোনেও চিন্তা নকৰে। এনেকৈয়ে চলি থাকে। আমাৰ দেশত শিশুসকলৰ শিক্ষা, স্বাস্থ্য আদি বিষয়বোৰৰ বাবে চৰকাৰে লোৱা আঁচনিসমূহৰ পৰা বহু আঁতৰত যুগ যুগ ধৰি অৱহেলিত হৈ পৰি থাকে এইসকল শিশু। এনে অপৰিষ্কাৰ অঞ্চলসমূহত বাস কৰা ডাঙৰসকলেও সকলো সময়তে কেৱল নিজৰ নিজৰ জীৱিকা, হাট-বজাৰ আদিৰ কামতে ব্যস্ত হৈ থাকে। কোনেও নিজে বাস কৰা এলেকাটোৰ অপৰিষ্কাৰ, অস্বাস্থ্যকৰ পৰিৱেশৰ উন্নয়নৰ বাবে চিন্তা নকৰে। কিন্তু ৰশ্মিতা, বিকাশ, ৰূপেশহঁতৰ দৰে যুৱক-যুৱতীসকলৰ ভূমিকাই দেখুৱাই দিছে যে স্থিতাৱস্থাৰ পৰিৱৰ্তনৰ বাবে কেৱল চৰকাৰলৈ বাট চাই থকাৰ প্ৰয়োজন নাই, প্ৰয়োজন কেৱল ইচ্ছাৰ। মানুহে ইচ্ছা কৰিলে আৰু সেই ইচ্ছাত দৃঢ়তা থাকিলে সকলো কামেই সম্ভৱপৰ হৈ উঠে।

গল্প-সংকলনখনিত সন্নিৱিষ্ট আন আন গল্পবোৰতো লেখকে সহজ-সৰলভাৱে শিশুসকলৰ হতুৱাই কৰাব পৰা বিভিন্ন ভাল ভাল কামৰ বৰ্ণনা দিছে, যেনে - কাকলি বৰুৱা আৰু বন্দনা বৰা বাইদেউৰ অনুপ্ৰেৰণাত শিশুসকলে উৎসাহিত হৈ টকা-পইচা তুলি, চকী-মেজ গোটাই 'শিল্পী দিৱসৰ' আয়োজন কৰিছে (আলোক সন্ধানী আমি), বন বিষয়া এগৰাকীৰ উদ্যোগত শিশুসকলে বৃক্ষৰোপণ কাৰ্যসূচী পাতিছে (আমি অকণি দেশৰ ধৰণি) আদি।

মূলতঃ সংকলিত গল্পকেইটাৰ জৰিয়তে লেখক শৰৎ চন্দ্ৰ চিৰিংফুকনছাৰে শিশুসকলৰ মাজত লুকাই থকা প্ৰতিভা আৰু সেই প্ৰতিভাসমূহৰ বিকাশৰ বাবে আমি ল'বপৰা বিভিন্ন পদক্ষেপৰ বিষয়ে উনুকিয়াবলৈ চেষ্টা কৰিছে। স্বাধীনতা দিৱস, গণতন্ত্ৰ দিৱস, শিল্পী দিৱস আদি পাতি থকা হয়, কিন্তু এই দিৱসবোৰ কেৱল আনুষ্ঠানিকতা ৰক্ষা কৰি কাম সামৰিলেই নহ'ব। কণ-কণ শিশুসকলক এই দিৱসবোৰৰ তাৎপৰ্যৰ বিষয়েও তেওঁলোকে বুজি পোৱাকৈ, সহজ-সৰলভাৱে বুজোৱা উচিত। এনেবোৰ দিশেই প্ৰতিফলিত হৈছে আলোক' সন্ধানী আমি' গল্প সংকলনখনিত সন্নিৱিষ্ট গল্পসমূহত। আমাৰ বোধেৰে কণ-কণ শিশুসকলৰ সৈতে জড়িত শিক্ষক-শিক্ষয়িত্ৰী, পিতৃ-মাতৃসকলে বিশেষকৈ গল্পসমূহৰ ওপৰত এবাৰ চকু ফুৰোৱা উচিত। গল্পসমূহত কাহিনী-বৈচিত্ৰ্য বা বিষয়বস্তুৰ গভীৰতা বিশেষ পৰিলক্ষিত নহয় যদিও আটাইকেইটা গল্পৰ পৰাই আমি শিকিবলগীয়া বহু কথাই আছে।

*তালাপ, তিনিচুকীয়া*

---

# যুৱ কবি অৰূপ বড়োৰ 'দীঘল পথৰ গান'

জ্যোতি প্ৰসাদ কলিতা

কবিতাৰ মহোদধিত কবিৰ বিচিত্ৰ ভাৱনাৰ নাও চৰি ফুৰে। কবিৰ মহানুভৱতে শব্দৰ বৰ্ণ জাতিষ্কাৰ হয়। কবিৰ পৃথিৱী কবিৰ সন্মুখত লুণ্ঠিত হৈ পৰি আছে, কবিতাত স্থিৰ হৈ থাকিব নোৱাৰে। বুকু ভাঙি বৈ অহা চকুপানীবোৰ কবিৰ কাপেৰে নিগৰি নিগৰি যদি আকাৰ লয় কবিতাৰ! সেয়া জানো নহয় জীৱন শিল্প? সেয়া জানো নহয় স্বদেশ স্বকালৰ বা বিপ্লৱৰ অমোঘ সংগীত? সঁচাকৈয়ে ......ই হ'ব পাৰে এটি 'দীঘল পথৰ গান'।

অসমীয়া কাব্য সাহিত্যৰ জগতখনত অনবদ্য কবিতাৰ সম্ভাৰেৰে জীপাল কৰি অহা নৱপ্ৰজন্মৰ প্ৰতিভাৱান কবি অৰূপ বড়ো এগৰাকী উদীয়মান কবি। 'কেনভাছ' কাব্যগ্ৰন্থৰে কাব্য সাহিত্যৰ পথাৰত ভূমুকি মৰা এইগৰাকী যুৱ কবিৰ দ্বিতীয় কাব্যগ্ৰন্থ 'দীঘল পথৰ গান' ছপা কৰি উলিওৱাৰ প্ৰাক্‌মুহূৰ্তত সম্যক চকু ফুৰাই চোৱাৰ সুযোগ লাভ কৰিলোঁ। কবিগৰাকীয়ে ষাঠিটাকৈ কবিতাৰে 'দীঘল পথৰ গান' প্ৰস্তুত কৰি উলিয়াইছে। প্ৰাত্যহিক জীৱনৰ আবেগ, অনুভূতি, সুখ-দুখ, মান-অভিমান, পোৱা-নোপোৱাৰ হা-হুতাহ আৰু নৱ চেতনাৰ উন্মেষ ঘটিছে কবিগৰাকীৰ 'দীঘল পথৰ গান'ত। তেওঁৰ কবিতাৰ শব্দত আছে প্ৰেম, তথা স্বদেশকালৰ একো একোটি মেটমৰা সেউজীয়া স্বপ্ন। নৱ প্ৰজন্মৰ মনোবিজ্ঞানত তেওঁ ঢালি-বাকি দিবলৈ প্ৰয়াস কৰিছে সমাজ গঢ়াৰ গধুৰ দায়িত্বৰ বোজা।

কবি অৰূপ বড়ো প্ৰকৃতাৰ্থত এগৰাকী সমাজবাদী কবি। বিপ্লৱ তেওঁৰ চেতনাৰ অমোঘ অস্ত্ৰ। তেওঁৰ মানসিকতাত আছে এক আপোচহীন বিপ্লৱী সত্ত্বা। যুৱ শক্তিক মূল্যায়নৰ দিশটো কবিগৰাকীৰ কবিতাত পৰিস্ফুত হোৱা দেখা যায়। মানবিক চেতনাৰ উদ্ৰেকে তেওঁৰ অন্তঃলোকৰ আধ্যাত্মিক চেতনাৰ দিশটো প্ৰকট কৰি তোলা যেন অনুভৱ হয়। তেওঁৰ কবিতাৰ মূল উপজীব্য যুৱ শক্তি। যেনে-

"আমি যুৱ পুৰণি ছাঁয়াত
থকা নহয়
আমি আগুৱাই যাবলৈ
জন্ম লোৱা প্ৰজন্ম।
শিকলি ছিঙি অন্ধকাৰত
পোহৰ গঢ়িম
য'ত সপোনৰ গীত
বাজিব
তেজ ৰঙা অগ্নিৰে।
(দীঘল পথৰ গান)


আৰ্তজনৰ প্ৰতি আছে কবিৰ গভীৰ অনুকম্পা। পুঞ্জীভূত ক্ষোভ আৰু বেদনা তেওঁৰ মানৱতাবাদী কবিতাৰ আন এটি বৈশিষ্ট্য। সেয়ে তেওঁ কবিতাৰে প্ৰকাশ কৰিব বিচাৰিছে এনে ভাব-

"তেজত তিৰ্বিৰাই থকা
মোৰ হেজাৰ কণিকা
কেৱল দেহৰ নহয়, ই মানসিক
বিদ্ৰোহ। (শক্তি)

যুৱ শক্তিৰ উন্মেষ, সমসাময়িকতা আদি বিষয়ৰ লগতে আশাবাদৰ ভাৱনাই তেওঁৰ কবিতাসমূহত ভূমুকিয়াইছে। এক ইতিবাচক মানসিকতাৰে সংপৃক্ত তেওঁৰ কবিতাসমূহ অতিকৈ সু-সংহত আৰু সহজবোধ্য হৈ পৰিছে।

সমাজৰ আসোঁৱাহ, ভগ্ন সমাজৰ পুনঃজন্ম, নতুন যুগৰ আহ্বান, ন্যায়ৰ দীপশিখা, নতুন সমাজৰ গান, নতুন সূৰ্য্য, অগ্নিশিখা, পূৰ্ণ প্ৰজন্ম, নতুন পথ, অসমীয়া যুৱক, নতুন প্ৰভাত, জাতীয়তাবাদ আদি কবিতাত কবিগৰাকীৰ শুভংকৰ জীৱন চেতনাই জীৱনৰ মহত্ত্ব উপলব্ধিৰে স্বদেশ-স্বকালৰ প্ৰতি যুৱ প্ৰজন্মৰ দায়বদ্ধতাৰ কথাকেই প্ৰকট কৰিবলৈ বিনম্ৰ প্ৰয়াস কৰিছে। দেৱী দুৰ্গাৰ প্ৰতি প্ৰাণৰ আকৃতি প্ৰকাশ পাইছে তেওঁৰ 'দুৰ্গা' শিৰোনামৰ কবিতাটিত এনেদৰে-

হে! মা,
তুমি আহা বছৰি বছৰি
যাওঁতে থৈ যোৱা অন্যায়ৰ
বিৰুদ্ধে কণ্ঠ শক্তি। (দুৰ্গা)




'যুৱক আৰু বাইক' শীৰ্ষক কবিতাটিত যুৱ শক্তিৰ অৱক্ষয় তথা মৃত্যু চেতনাই কবিক ব্যথিত কৰি তুলিছে। বাটে-ঘাটে যুৱকৰ মৃত্যুৰ সুলভ কিৰিলিয়ে পাঠকৰো অনুভূতিক কাৰুণ্যৰে ভৰাই তোলে। 'যুৱক আৰু বাইক' কবিতাৰ অন্তৰালত কবিয়ে যুৱ শক্তিৰ অৱক্ষয়ৰ মানসিকতাক কটাক্ষ কৰিছে আৰু সতৰ্কবাণী শুনাইছে এনেদৰে- প্ৰতিটো গতিত সাৱধান তোমাৰেই সুন্দৰ জীৱন পৰিয়ালৰো বহু আশা তোমাৰ সতৰ্কতাই অসংখ্য জীৱনৰ সুৰক্ষা।

আধুনিক কবিতাৰ এটি মূল উপজীব্য প্ৰকৃতি প্ৰেম। কবি অৰূপ বড়োই এটি প্ৰকৃতি বিষয়ক কবিতাত হৃদয়ৰ সমস্ত আকুলতাৰে মনৰ আবেগ ঢালি সেউজীয়াৰ সৈতে একাত্ম হৈ পৰাৰ মানসিকতা প্ৰকাশ কৰিছে এনেদৰে- 'জীৱন হওক আমাৰ গছৰ দৰে গহীন গম্ভীৰ পাতৰ দৰে সেউজীয়া ফুলৰ দৰে সুবাসেৰে ভৰা।'

'প্ৰেমৰ ৰঙীন শলিতা' কবিৰ ব্যক্তিগত প্ৰেমানুভূতিৰ বিমুগ্ধ কাব্যিক প্ৰকাশ অনস্বীকাৰ্য যে যিবোৰৰ চিৰন্তন আবেদনে সহৃদয় পাঠকৰ হৃদয়কো সহজতে স্পৰ্শ কৰিব পাৰে। জীৱন চেতনায়ো কবিগৰাকীৰ কবিতাবোৰক এক নতুন মাত্ৰা প্ৰদান কৰিছে। শিল্পীৰ প্ৰতিও আছে কবিগৰাকীৰ প্ৰাণৰ গভীৰ আকুতি। মাতৃভাষাৰ প্ৰতি আছে তেওঁৰ অগাধ ভালপোৱা। শৈলীৰ ফালৰ পৰা অকপটে ক'ব পাৰি কবি অৰূপ বড়োৰ কবিতাৰ ভাৱ-অনুভূতি ভাষাৰ প্ৰয়োগ সাৱলীল। আধুনিক অসমীয়া কবিতাক মান্যতা প্ৰদান কৰি যুৱ শক্তিক জঞ্জালহীন এখন সমাজৰ দায়বদ্ধ নাগৰিক হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত কবিগৰাকীৰ কবিতাসমূহ ফলপ্ৰসূ হ'ব বুলি নিঃসন্দেহে আশা কৰিব পাৰি। অৱশ্যে দুই-এটি কবিতাত ছন্দ মিলৰ বিভ্ৰাট নঘটাও নহয়।

এয়া চিন্তাশীল কবিগৰাকীৰ বাবে অধিক সমস্যা নহয়। প্ৰতিভাৰ সৈতে সমন্বিত হৈ পৰিচালিত হোৱাজনেহে প্ৰকৃতাৰ্থত কবি। কবি অৰূপ বড়ো এইক্ষেত্ৰত এধানিও ব্যতিক্ৰম নহয়। সদৌ শেষত ক'বলৈ হ'লে- 'দীঘল পথৰ গান' কাব্য সংকলনটিৰ ভালে সংখ্যক কবিতাৰ প্ৰকাশ ৰীতি শলাগিবলগীয়া। যদিও দুই-এটি কবিতা শিথিল পদবন্ধনযুক্ত তথাপি এটি উজ্জ্বল জীৱনবোধ, প্ৰখৰ দেশাত্মবোধ আৰু বিপ্লৱমুখী সমাজ চেতনাৰে কবি অৰূপ বড়োৰ মানসিক স্থিতি উজ্জীৱিত। অৰূপ বড়োৰ কাব্য সাধনাৰ উত্তৰণ কামনা কৰিলোঁ।


---

অযোগ্য, অনুপযুক্ত মানুহে আমাৰ দেশৰ ৰাজনীতিত নমাটো অক্ষমনীয় কথা। ভাৰত স্বাধীন হোৱাৰ পিছত তৰুণ ফুকন, নবীন বৰদলৈ, কুলধৰ চলিহাৰ দৰে মানুহ কিয় ওলোৱা নাই? কিছু সুন্দৰ বাক্যই উপন্যাসখন সোণত সুৱগা চৰাইছে। যেনে "স্মৃতিৰ বেদনা আৰু আশাৰ উৎকণ্ঠাৰ নিৰ্ভুল নামকৰণ কৰা হ'ল জানো?"

# অঘৰী আত্মাৰ কাহিনী

সাহিত্য একাডেমী পুৰস্কাৰ –১৯৭২ চৈয়দ আব্দুল মালিক এজন বিশিষ্ট গল্পকাৰ, ঔপন্যাসিক, নাট্যকাৰ আৰু কবি। ড° নগেন শইকীয়া ছাৰে কৈছে "চৈয়দ আব্দুল মালিক এইনামটো ব্যৱহাৰ নকৰাকৈ আধুনিক অসমীয়া সাহিত্যৰ আৰু অসমীয়া জাতিৰ ইতিহাস ৰচনা কৰিব নোৱাৰি।" ৭২খনউপন্যাস, দুহেজাৰ চুটি গল্প, ৫খন কবিতা সংকলন, ৫খন জীৱনী গ্ৰন্থ, দুখন হাস্য ব্যংগ, তিনিখন ভ্ৰমণ কাহিনী, ৯খন গৱেষণামূলক গ্ৰন্থ, ৫খন শিশু গ্ৰন্থ, ২১খন নাটক, এখন গীতৰ সংকলন, কেইবাখনো অনুবাদ গ্ৰন্থ ৰচনা কৰে। এই উপন্যাসখনৰ মূল চৰিত্ৰ দুটা শশাঙ্ক চৌধুৰী আৰু অপৰাজিতা খাউণ্ড। এই দুটা চৰিত্ৰক লৈয়ে কাহিনী ভাগ আগবাঢ়িছে। শশাঙ্ক চৌধুৰী মন্ত্ৰী পুত্ৰ আছিল যদিও মানবীয় গুণ হেৰাই যোৱা নাছিল। সেইবাবেই সৰু থাকোঁতে টাং গুটি খেলি চকু নষ্ট কৰা অকণমানি ছোৱালী জনীৰ কথা পাহৰি যোৱা নাছিল। তেওঁ প্ৰতিজ্ঞা কৰিছিল উপযুক্ত হৈ তেওঁক বিয়া কৰাব। কিন্তু নোৱাৰিলে। বন্ধু নিৰঞ্জনে অপৰাজিতাক বিয়া কৰালে। অপৰা আৰু নিৰঞ্জনৰ সংসাৰো সুখৰ নহ'ল। কাৰণ অপৰাৰ জীৱনৰ প্ৰথম পুৰুষ মৃগাঙ্কই দাগ দি থৈ গ'ল। এই কথা অপৰাৰ মুখেদি নিৰঞ্জনে বিয়াৰ পিছত গম পালে আৰু নিৰঞ্জনক এক বিষণ্ণতাই আগুৰি ধৰিলে। শশাঙ্কই নিৰঞ্জনৰ সংসাৰলৈ আহি গম পালে দুটা জীৱন ইটো সিটোৰ পৰা কিমান দূৰত। শশাঙ্ক, নিৰঞ্জন আৰু অপৰা তিনিওটা নীড় হেৰুৱা অঘৰী আত্মা। উপন্যাসখনৰ মাজেদি কিছু বাস্তৱ ছবি উন্মোচিত হৈছে। শশাঙ্কই কৈছে "অযোগ্য, অনুপযুক্ত মানুহে আমাৰ দেশৰ ৰাজনীতিত নমাটো অক্ষমনীয় কথা। ভাৰত স্বাধীন হোৱাৰ পিছত তৰুণ ফুকন, নবীন বৰদলৈ, কুলধৰ চলিহাৰ দৰে মানুহ কিয় ওলোৱা নাই? কিছু সুন্দৰ বাক্যই উপন্যাসখন সোণত সুৱগা চৰাইছে। যেনে "স্মৃতিৰ বেদনা আৰু আশাৰ উৎকণ্ঠাৰ নিৰ্ভুল নামকৰণ কৰা হ'ল জানো?"

*নিবেদিতা ভূঞা*




---

# ৰুদ্ৰাণী শৰ্মাৰ ভ্ৰমণ উপন্যাস 'চফৰনামা'

লিপ্সী শইকীয়া

ৰুদ্ৰাণী শৰ্মা অসমীয়া সাহিত্য জগতৰ এটা চিনাকি নাম। তেওঁৰ শেহতীয়া উপন্যাস 'চফৰনামা'। ৰুদ্ৰাণী শৰ্মাৰ আন আন উপন্যাস সমূহ হ'ল- উত্তৰকাল (২০১৩) দমিতাৰ দস্তাবেজ (২০১৪) লৌহিত্য তীৰৰ অমৃত গাথা (২০১৫) পাণবজাৰৰ পাণ্ডুলিপি (২০১৬) কাঁহিবুনৰ মালিতা (২০১৭), ত্ৰিভুজ (২০২০) বতাহৰ ছবি (২০২১)।

'চফৰনামা' এখন ভ্ৰমণ উপন্যাস। চফৰনামা শব্দটো উৰ্দুমূলৰ। ইয়াৰ অসমীয়া অৰ্থ ভ্ৰমণ বিৱৰণ। উপন্যাসখন ২০২৫ চনৰ ডিচেম্বৰ মাহত প্ৰথম প্ৰকাশ হয়। জাগৰণ সাহিত্য প্ৰকাশনে উপন্যাসখন প্ৰকাশ কৰি উলিয়ায়। মুঠ ১৫৮ পৃষ্ঠাৰ সৰু কলেৱৰৰ এই উপন্যাসখনত প্ৰচলিত সমাজ ব্যৱস্থা, ৰাজনৈতিক ব্যৱস্থা আৰু ইতিহাসৰ কিছুমান ঘটনাৰ টুকুৰা ছবি পোৱা যায়। ইয়াৰ লগতে আছে লেখিকাৰ আত্মদৰ্শনৰ উপলব্ধি আৰু মানুহৰ অস্তিত্বৰ ধাৰণা। প্ৰথম পুৰুষত বৰ্ণিত উপন্যাসখনৰ আৰম্ভণি হৈছে কাহিনীকথকৰ চাৰিদিনীয়া ভ্ৰমণসূচীৰে। চণ্ডীগড়, অমৃতসৰ আৰু দিল্লী ভ্ৰমণৰ অভিজ্ঞতাৰ কাহিনী বিবৃত এই উপন্যাসখনৰ সামৰণি পৰিছে লেখিকা ঘৰলৈ উভতি অহাৰ মাজেদি। লেখিকাৰ ভাষাত- "মানুহৰ জীৱনৰ প্ৰতিটো দিনেই একো একোটা যাত্ৰা। এই যাত্ৰাৰ অন্তত মানুহ ঘৰলৈ ঘূৰি আহে বাহিৰৰ পৰা ভিতৰলৈ, নিজৰ মাজলৈ।"

চণ্ডীগড়, অমৃতসৰ আৰু দিল্লীৰ বাহ্যিক চফৰৰ মাজেদিয়েই উপন্যাসখনৰ লেখিকাই এক গভীৰ আভ্যন্তৰীণ যাত্ৰা সম্পন্ন কৰিছে। এই যাত্ৰা কেৱল ভৌগোলিক সীমাত আবদ্ধ নহয়; ই বৰ্তমানৰপৰা অতীতলৈ, আৰু এগৰাকী ৫২ বছৰীয়া ধীৰ-স্থিৰ মহিলাৰপৰা শৈশৱৰ নীলা-সেউজীয়া ফুটুকীয়া চোলা পিন্ধা চিং-পখিলী ছোৱালীজনীলৈ বিস্তৃত এক মানসিক চফৰ।

উপন্যাসখনত মনৰ গতিশীলতা এক গুৰুত্বপূৰ্ণ দিশ হিচাপে উত্থাপিত হৈছে। লেখিকাই দেখুৱাইছে যে মানৱ মন প্ৰকৃততে নিৰন্তৰ যাত্ৰাশীল-ই ঘৰৰপৰা বাহিৰলৈ আৰু বাহিৰৰপৰা ঘৰলৈ, ইঠাইৰপৰা সিঠাইলৈ অহৰহ চলি থাকে। এই মানসিক গতিৰ মাজতেই চৰিত্ৰটোৰ আত্মানুসন্ধান সংঘটিত হয়। দিল্লীৰপৰা ঘূৰি আহি লেখিকাই 'নিজৰ ঘৰ' বুলি যিখন স্বাধীন ঘৰ পাইছে, সেই ঘৰ কেৱল ভৌতিক বাসস্থান নহয়; ই প্ৰকৃত শান্তি আৰু আত্মসুখৰ প্ৰতীক হিচাপে উপন্যাসখনত উদ্ভাসিত হৈছে। বাহ্যিক জগতখনৰ বিভিন্ন অভিজ্ঞতাৰ মাজত ঘূৰি-ফুৰি শেষত চৰিত্ৰটোৱে পুনৰ নিজৰ অন্তৰ্মুখী জগতখনত প্ৰৱেশ কৰিছে। শৈশৱ, অতীত আৰু বৰ্তমানৰ স্মৃতিৰ মাজেৰে কৰা এই আভ্যন্তৰীণ চফৰেই উপন্যাসখনক এক গভীৰ মনস্তাত্ত্বিক মাত্ৰা প্ৰদান কৰিছে।

শিল্পৰীতিৰ ফালৰপৰা 'চফৰনামা'ক চেতনাস্ৰোত ৰীতিৰ উল্লেখযোগ্য নিদৰ্শন বুলিব পৰি। উপন্যাসখনৰ কাহিনী ক্ৰমবৰ্দ্ধমান ঘটনাৰ শৃংখলাৰ ওপৰত নিৰ্ভৰশীল নহয়, বৰঞ্চ চৰিত্ৰৰ মনোজগতত অহৰহ প্ৰবাহিত হোৱা চিন্তা, স্মৃতি আৰু অনুভৱৰ স্বতঃস্ফূৰ্ত ধাৰাকেই মুখ্য কৰি তোলা হৈছে। লেখিকাৰ চেতনাৰ তৰপবোৰ পিয়াজৰ খোলৰ দৰে বহুতৰপীয়া। বাহ্যিক ভ্ৰমণৰ ঘটনাসমূহো আভ্যন্তৰ্স্ত্ৰীণ চেতনাৰ উদ্দীপক ৰূপে কাম কৰিছে। মানুহৰ স্বপ্ন আৰু মনৰ গোপন ৰহস্যক কেন্দ্ৰ কৰি সৃষ্টি হোৱা ফ্ৰান্সৰ অধিবাস্তৱবাদী ধাৰণাইও উপন্যাসখনত ভূমুকি মাৰিছে। আন্ধাৰৰ ছায়াৰে আবৰা গুহা আৰু উলংগ ভুতুনীৰ সপোনৰ প্ৰসংগটো বিশেষভাৱে উল্লেখনীয়।

বলীব মাতৃৰ সৈতে কথাৰ টনা-আজোৰাবোৰৰ মাজেৰে প্ৰজন্মৰ ব্যৱধানৰ ফলত হোৱা সংঘাতৰ ছবিখন স্পষ্ট। বলী সমাজত প্ৰচলিত কেতবোৰ নিয়মৰ বান্ধোনৰ পৰা মুক্তপ্ৰয়াসী, স্বাধীন। কিন্তু একেবাৰে স্বাধীন নহয়, সময়ে সময়ে আৰোপিত হৈয়ে থাকে নাৰীকেন্দ্ৰিক ঘূণে ধৰা নিয়মবোৰ। মাতৃৰ ওপৰত জাপি দিয়া সমাজ নিৰ্ধাৰিত নিয়মবোৰ কণীৰ ওপৰতো জাপি দিব খোজে জোৰ কৰি। কণীয়ে এনে নিয়মবোৰৰ প্ৰতিবাদ কৰিছে, ঘূণে ধৰা হোকা সদৃশ সমাজৰ নিয়মবোৰ ওফৰাই স্বাধীন জীৱন বাচি লৈছে। সমাজৰ প্ৰচলিত কিছুমান নিয়ম, অস্পৃশ্যতাৰ ধাৰণা, নাৰী-পুৰুষৰ অসমতা, সামাজিক বৈষম্যৰ বিধিনিষেধ আদিত কণীৰ প্ৰতিবাদী মনোভাৱ আৰু কাৰ্যকলাপে লেখিকাৰ নাৰীবাদী চেতনাক ব্যক্ত কৰিছে।

ভ্ৰমণ সাহিত্য হৈছে এগৰাকী ব্যক্তিৰ ভ্ৰমণ সম্পৰ্কীয় অভিজ্ঞতাৰ কলাত্মক প্ৰকাশ। ভ্ৰমণ সাহিত্যত লেখকৰ ভ্ৰমণ সম্পৰ্কীয় অভিজ্ঞতাৰ লগতে ব্যক্তিগত জীৱনৰো প্ৰকাশ ঘটে। ভ্ৰমণ সাহিত্যত ভ্ৰমণৰত ঠাইখনৰ লগতে লেখকৰ নিজৰ ঠাইৰো বিভিন্ন দিশ প্ৰতিফলিত হয়। 'চফৰনামা' ইয়াৰ ব্যতিক্ৰম নহয়।

উপন্যাসখনত লেখিকাৰ আত্মদৰ্শন বহুমাত্ৰিক দাৰ্শনিক ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত। উপন্যাসখনত 'নামঘোষা'ৰ ভক্তিমূলক আধ্যাত্মিকতা, শিখ ধৰ্মৰ পৱিত্ৰ ধৰ্মগ্ৰন্থ 'গুৰু গ্ৰন্থ চাহিব'ত প্ৰতিফলিত মানৱিক সমতা আৰু নিৰ্ভয়তাৰ বোধ, পাশ্চাত্য অস্তিত্ববাদী চিন্তা, ডাচ দাৰ্শনিক বাৰুখ স্পিনোজাৰ দৰ্শন আদিৰ সমন্বয় লক্ষ্য কৰা যায়। লেখিকা কেতিয়াবা নামঘোষাৰ বসময়ী ভকতিত নিমজ্জিত হৈছে, কেতিয়াবা শিখসকলৰ 'নিৰভউ নিৰ্বেৰ' বাণীৰে নিৰ্ভয় আৰু ঘৃণাহীন আত্মশক্তিক জগাই তুলিছে। আকাংক্ষাশূন্য হৈ ভকতিত ডুব দিছে। গভীৰভাৱে উপলব্ধি কৰিছে স্বৰ্গ, মৰ্ত্য, অতীত, বৰ্তমান, ভৱিষ্যত সকলো শূন্য। উদাহৰণস্বৰূপে উপন্যাসখনৰ কেইটামান শাৰী তুলি দিয়া হৈছে-

(১) 'মই স্বৰ্গ আৰু নৰকৰ কাল্পনিক জগতৰ পৰা আঁতৰত থকা মানুহ। মোৰ শেষ নিশ্বাস পৃথিৱীৰ বুকুত এৰি দিয়াৰ পিছতে মোৰ শেষ।' (চফৰনামা, পৃষ্ঠা- ১৩)

(২) নিজকে নিজে বুজাওঁ- নিজৰ অস্তিত্ব বুজি উঠ ৰণী। (চফৰনামা, পৃষ্ঠা- ৪৪)

(৩) মোৰ আত্মশক্তিয়েই মোৰ ঈশ্বৰ। (চফৰনামা, পৃষ্ঠা- ৬৬)

(৪) বিশাল পৃথিৱীখনত মই এক ক্ষুদ্ৰ প্ৰাণী- পৰুৱা, পিপৰা, চৰাই এটাৰ দৰে। (চফৰনামা, পৃষ্ঠা- ৭৮)

(৫) ন্যায় পাওক। অকল মানুহেই কিয় জীৱ-জন্তু, পশু-পক্ষী, গছ-গছনি সকলোৱে পাওক। পৃথিৱীখন জানো মানুহৰ একচেটিয়া অধিকাৰৰ গ্ৰহ। (চফৰনামা)

এই সকলোবোৰ লেখিকাৰ স্বতন্ত্ৰ আধ্যাত্মিক-মানৱতাবাদী চিন্তাৰ প্ৰকাশ। ইয়াৰ উপৰিও, উপন্যাসখনত প্ৰতিফলিত মানৱমুক্তিৰ আকাংক্ষা আৰু বিশ্বজনীন কল্যাণকামিতাই লেখিকাৰ গভীৰ মানৱতাবাদী মনোভাৱৰ পৰিচয় দিছে। প্ৰকৃতি, সমাজ আৰু সাধাৰণ মানুহৰ মঙ্গল কামনা কৰা উক্তিসমূহতো প্ৰকাশ পাইছে লেখিকাৰ অন্তৰ্মুখী মানবীয় দৃষ্টিভংগী -

"কুশলে থাকক গছ আৰু বতাহ, কুশলে থাকক নদী আৰু অৰণ্য, কুশলে থাকক সৰু সৰু মানুহ।" চফৰনামা, পৃষ্ঠা- ৬৭-৬৮)

'চফৰনামা' এখন সাধাৰণ ভ্ৰমণ উপন্যাস নহয়; ই আত্মানুসন্ধান, স্মৃতি আৰু মানৱ মনৰ সূক্ষ্ম গতি-বিধিৰ সাহিত্যিক দলিল। বাহ্যিক চফৰ অন্তৰালত নিহিত আভ্যন্তৰীণ যাত্ৰাই উপন্যাসখনক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে।

## পশ্চিমবংগৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব শুভেন্দু

শ্বাহ। তেওঁৰ লগতে সহ-পৰ্যবেক্ষক হিচাপে উপস্থিত আছিল কেন্দ্ৰীয় মন্ত্ৰী মোহন চৰণ মাঝি। বৈঠকখন শ্বাহৰ অধ্যক্ষতাত অনুষ্ঠিত হয়। তাতেই সবিশেষ আলোচনাৰ অন্তত সৰ্বসন্মতিক্ৰমে শুভেন্দু অধিকাৰীৰ নাম চূড়ান্ত কৰা হয়। নিৰ্বাচিত হোৱাৰ পাছত তেওঁ ৰাজ্যপাল আৰ এন ৰবিৰ সৈতে সাক্ষাৎ কৰি চৰকাৰ গঠনৰ বাবে দাবী জনাব। শনিবাৰে, অৰ্থাৎ ৯ মে'ত পশ্চিমবংগৰ নতুন মুখ্যমন্ত্ৰীয়ে শপত গ্ৰহণ কৰিব। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্মবাৰ্ষিকী (ৰবীন্দ্ৰ জয়ন্তী)ৰ দিনা এই অনুষ্ঠান আয়োজন কৰা হৈছে। কলকাতাৰ বিখ্যাত ব্ৰিগেড পেৰেড খেলপথাৰত পুৱা ১১ বজাত শপতগ্ৰহণ সভা অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিয়া হৈছে। এই ঐতিহাসিক অনুষ্ঠানত উপস্থিত থাকিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি বিভিন্ন কেবিনেট মন্ত্ৰী। লগতে দেশৰ ২০খন বিজেপি শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলকো বিশেষ ভাৱে নিমন্ত্ৰণ জনোৱা হৈছে। শুকুৰবাৰে কলকাতা বিমানবন্দৰত অৱতৰণ কৰাৰ পাছতে অমিত শ্বাহে পোনপটীয়াকৈ যায় দক্ষিণেশ্বৰৰ ভৱতাৰিণী মন্দিৰলৈ। তাত পূজা-অৰ্চনা আগবঢ়াই শক্তি উপাসনা কৰে শ্বাহে। তাৰ পিছত নিউ টাউনস্থিত হোটেললৈ যায় তেওঁ। তাতেই নিশা কটায়। শুকুৰবাৰে অনুষ্ঠিত বিধায়ক দলৰ বৈঠকত তেওঁ নতুন মুখ্যমন্ত্ৰীৰ নাম গাঁথি উলিয়ায়। শনিবাৰে পুৱা প্ৰায় ১০.৩০ বজাত হোটেলৰ পৰা ৰাওনা হৈ ১১ বজাৰ ভিতৰত ব্ৰিগেড পেৰেড গ্ৰাউণ্ডত উপস্থিত হ'ব গৃহমন্ত্ৰীগৰাকী। শপতগ্ৰহণ অনুষ্ঠান প্ৰায় ১২.৩০ বজাত শেষ হোৱাৰ পাছতে তেওঁ বিমানবন্দৰলৈ যাত্ৰা কৰি দিল্লী উভতি যাব। শুভেন্দু অধিকাৰীক পশ্চিমবংগৰ মুখ্যমন্ত্ৰী হিচাপে নিৰ্বাচিত কৰাটোৰ লগে লগে ৰাজ্যৰ ৰাজনৈতিক মহলত তীব্ৰ আলোড়ন সৃষ্টি হৈছে। তৃণমূল কংগ্ৰেছৰ পৰা বিজেপিলৈ অহা এই বলিষ্ঠ নেতাগৰাকীক দলটোৰ শীৰ্ষ নেতৃত্বই বিশেষ দায়িত্ব অৰ্পণ কৰা বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে। ৰাজ্যখনত প্ৰথমবাৰৰ বাবে বিজেপি চৰকাৰ গঠন কৰিবলৈ যোৱা বাবে নিৰাপত্তা আৰু অন্যান্য ব্যৱস্থাৰ প্ৰতি তীব্ৰ নজৰ ৰখা হৈছে। শনিবাৰে ব্ৰিগেড পেৰেড গ্ৰাউণ্ডত লক্ষাধিক দলীয় কাৰ্যকৰ্তা আৰু সমৰ্থকৰ সমাগম হ'ব বুলি আশা কৰা হৈছে।

## দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব ড° হিমন্ত

ল'বলৈ দলটোৱে বিস্তৃত প্ৰস্তুতি চলাইছে। অহা ১২ মে'ৰ পুৱা ১১ বজাত গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব এই ঐতিহাসিক শপতগ্ৰহণ অনুষ্ঠান। শপতগ্ৰহণৰ মাত্ৰ তিনিদিন বাকী থাকোঁতেই খানাপাৰাৰ খেলপথাৰটোত যুদ্ধকালীন তৎপৰতা দেখা গৈছে। বিশাল আকাৰৰ মণ্ডপ সাজি তোলা হৈছে, আৰু দিন-ৰাতি বনুৱাসকলে কাম কৰি আছে। সমগ্ৰ খানাপাৰা অঞ্চলটো সজাই তোলাৰ লগতে ইয়াক অভেদ্য দুৰ্গত পৰিণত কৰা হৈছে। অনুষ্ঠানস্থলীত লক্ষাধিক লোকৰ সমাগম হ'ব বুলি বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই পূৰ্বেই জানিবলৈ দিছে। শপতগ্ৰহণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। তেওঁৰ নিৰাপত্তাৰ দায়িত্বত থাকে বিশেষ সুৰক্ষা গোট (এছপিজি)। শুকুৰবাৰে (৮ মে') এছপিজিৰ বিষয়াসকলে খেলপথাৰ পৰিদৰ্শন কৰি নিৰাপত্তাৰ সকলো দিশ তদাৰক কৰে। সেই সময়ত সাংবাদিকৰ প্ৰৱেশতো কিছু সময়ৰ বাবে বাধা দিয়া হৈছিল। লগতে অসম আৰক্ষীৰ শীৰ্ষ বিষয়াসকলও মাটিত উপস্থিত হৈ বেৰিকেডিং আৰু অন্যান্য ব্যৱস্থা নিৰীক্ষণ কৰে। প্ৰাপ্ত তথ্য অনুসৰি, ১২ মে'ৰ পুৱা প্ৰায় ১০.১৫ বজাত বৰঝাৰ বিমানবন্দৰত উপস্থিত হ'ব প্ৰধানমন্ত্ৰী মোদী। তাতপৰা তেওঁ নাৰেংগীৰ হেলিপেডলৈ যাত্ৰা কৰিব। হেলিকপ্টাৰযোগে নাৰেংগী পায়েই পুৱা ১১ বজাত তেওঁ খানাপাৰাৰ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ইপিনে, ইতিমধ্যে বৰ্তমানৰ ভাৰপ্ৰাপ্ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ হাতত নিজৰ পদত্যাগ পত্ৰ দাখিল কৰিছে। নতুন চৰকাৰ গঠন নোহোৱালৈকে ৰাজ্যপালে তেওঁক ভাৰপ্ৰাপ্ত মুখ্যমন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰিছে। ১০ মে'ত অনুষ্ঠিত হ'ব বিজেপি বিধায়ক দলৰ বৈঠক। তাৎক্ষণিক পাছত অনুষ্ঠিত হ'ব এনডিএ বিধায়ক দলৰ বৈঠক। ৰাজ্যিক বিজেপি কাৰ্যালয়ত এই বৈঠক অনুষ্ঠিত হ'ব। চৰকাৰ গঠনৰ সমগ্ৰ প্ৰক্ৰিয়া তদাৰকৰ বাবে কেন্দ্ৰীয়ভাৱে পৰ্যবেক্ষক নিযুক্তি দিয়া হৈছে কেন্দ্ৰীয় মন্ত্ৰী জেপি নাড্ডাক। সহ-পৰ্যবেক্ষক হিচাপে কাম কৰিব হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়ব সিং ছৈনীয়ে। ১০ মে'ত তেওঁলোক গুৱাহাটীত উপস্থিত হৈ বিধায়ক দলৰ নেতা নিৰ্বাচনৰ প্ৰক্ৰিয়া সম্পন্ন কৰিব। তাৰ পিছতেই ১২ মে'ত শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন। উল্লেখ্য যে, ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত বিজেপিয়ে অকলে ৮২খন আসন লাভ কৰে। ইয়াৰ উপৰিও মিত্ৰদল অসম গণ পৰিষদ (অগপ) আৰু বড়োলেণ্ড পিপলছ ফ্ৰণ্টে (বিপিএফ) ১০খনকৈ আসন লাভ কৰে। ফলত এনডিএৰ মুঠ আসন সংখ্যা দাঁতায় ১০২টা। বিৰোধী দল কংগ্ৰেছে মাত্ৰ ১৯টা আসন লাভ কৰিবলৈ সক্ষম হয়। এই বিপুল জয়ৰ পাছতে একেৰাহে তৃতীয়বাৰলৈ অসমত চৰকাৰ গঠন কৰিবলৈ সাজু হৈছে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন এনডিএ চৰকাৰ। অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিভিন্ন এনডিএ শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰীসকল, ৰাজ্যৰ বিশিষ্ট ব্যক্তি, দলৰ কাৰ্যকৰ্তা আৰু বৃহৎ সংখ্যক ৰাইজ উপস্থিত থাকিব বুলি আশা কৰা হৈছে।

## মুছলিম লীগলৈ পৰিণত

বদৰুদ্দিন আজমলে। ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পাছত বিৰোধী দলসমূহৰ ভূমিকা লৈ তীব্ৰ অসন্তোষ প্ৰকাশ কৰি আজমলে কয় যে কংগ্ৰেছৰ ভুল পৰিকল্পনা আৰু সাংগঠনিক দুৰ্বলতাৰ বাবেই নিৰ্বাচনী পৰাজয়ৰ পাছত ছিন্ন-ভিন্ন হৈ পৰিছে বিৰোধী শিবিৰ। "কংগ্ৰেছে প্ৰদেশত বিৰোধীৰ ভূমিকা পালন কৰিবলৈ কোনো ধৰণৰ সক্ষমতা দেখুওৱা নাই। সেই শূন্যস্থান পূৰণ কৰিবলৈ বাধ্য হৈছে আমাৰ দল। এতিয়াৰ পৰা এআইইউডিএফেই ৰাজ্যৰ প্ৰকৃত বিৰোধী দল হিচাপে কাম কৰিব"— বুলি স্পষ্টভাৱে জাননী জাৰি কৰে আজমলে। ইয়াৰ পূৰ্বে আজমলে কংগ্ৰেছৰ বিৰুদ্ধে আৰু এক অভিযোগ উত্থাপন কৰি কয়, "অসমত কংগ্ৰেছ দল সম্পূৰ্ণৰূপে শেষ হৈ গৈছে। সেই দলটি আৰু ভাৰতীয় জাতীয় কংগ্ৰেছ নহৈ এক প্ৰকাৰ 'মুছলিম লীগ'লৈ পৰিণত হৈছে।" তেওঁ লগতে কয়, "যিসকলে আনৰ বাবে গাত খান্দে, তেওঁলোক নিজেই সেই কুঁৱাত পৰে। কংগ্ৰেছে আমাক ধ্বংস কৰিবলৈ পাঁচো মেলিছিল, কিন্তু শেষত কংগ্ৰেছ নিজেই সমাপ্ত হৈছে। এই কথা ভাবি মই বেজাৰ অনুভৱ কৰিছো।" উল্লেখযোগ্য যে অসম বিধানসভা নিৰ্বাচনত কংগ্ৰেছে প্ৰক্ষেপ কৰা ২০ গৰাকী মুছলমান প্ৰাৰ্থীৰ ভিতৰত ১৮ গৰাকীয়ে বিপুল ভোটেৰে জয়লাভ কৰিছে। কিন্তু কংগ্ৰেছৰ অমুছলমান প্ৰাৰ্থীসকলৰ সফলতাৰ হাৰ অতি নগণ্য। ৰাজ্যখনত ধৰ্মীয় ভিত্তিত ভোটবেংক কেন্দ্ৰীভূত হোৱাৰ অভিযোগ উত্থাপন কৰি আজমলে কংগ্ৰেছৰ এই কৌশলক প্ৰত্যাখ্যান কৰে। তেওঁৰ মতে, কংগ্ৰেছে মুছলমান ভোটত নিৰ্ভৰশীল হৈ পৰিছে বাবেই দলটোৰ চৰিত্ৰ সলনি হৈছে। বিজেপি নেতৃত্বাধীন এনডিএই অসমত অভূতপূৰ্ব সফলতা লাভ কৰে। মুঠ ১২৬খন আসনৰ ভিতৰত ১০২খন আসন লাভ কৰি চৰকাৰ গঠন কৰে বিজেপি আৰু ইয়াৰ মিত্ৰদলসমূহে। বিজেপিয়ে অকলে ৮২খন আসন লাভ কৰে, আনহাতে অগপ আৰু বিপিএফে ১০খনকৈ আসন লাভ কৰে। বিৰোধী দলসমূহৰ ভিতৰত কংগ্ৰেছে মাত্ৰ ১৯খন আসন লাভ কৰিবলৈ সক্ষম হয়। ৰাইজৰ দলে ২খন আৰু এআইইউডিএফে ২খন আসন লাভ কৰে। ইয়াৰ পিছতো আজমলে দাবী কৰে যে তেওঁলোকৰ দলৰ সাংগঠনিক শক্তি আৰু জনসমৰ্থন যথেষ্ট, কেৱল নিৰ্বাচনী কৌশলগত ত্ৰুটিৰ বাবেই আসন কম হৈছে।

## তামিলনাড়ুত বৃহত্তম দলটোক চৰকাৰ গঠনৰ

দ্ৰাৱিড় মুন্নেত্ৰা কাঝাগম (ডিএমকে) আৰু অল ইণ্ডিয়া আন্না দ্ৰাৱিড় মুন্নেত্ৰা কাঝাগম (এআইএডিএমকে) নামৰ দুটা দলে সালসলনি কৰি শাসন চলাই অহা তামিলনাড়ুত এইবাৰ ঐতিহাসিক পৰিবৰ্তন ঘটাই এককভাৱে সৰ্বাধিক আসন লাভ কৰিছে থালাপতি বিজয়ৰ তামিলাগা ভেট্ৰি কাজাগম (টিভিকে) দলে। ২৩৪খন আসনৰ ভিতৰত টিভিকে লাভ কৰে ১০৮খন আসন। কিন্তু চৰকাৰ গঠন কৰিবলৈ প্ৰয়োজনীয় ১১৮ আসনৰ সংখ্যাগৰিষ্ঠতাৰ পৰা দলটো এতিয়াও দহখন আসনে দূৰত। ফলাফল ঘোষণাৰ পাছত উদ্ভৱ হোৱা ৰাজনৈতিক অনিশ্চয়তাৰ মাজতে শুকুৰবাৰে শীৰ্ষ কংগ্ৰেছ নেতা পি চিদাম্বৰমে ৰাজ্যপালৰ উদ্দেশ্যে এক প্ৰশ্ন উত্থাপন কৰি কটাক্ষ কৰে যে একক বৃহত্তম দলটোক চৰকাৰ গঠনৰ বাবে আমন্ত্ৰণ জনোৱাই সাংবিধানিক অধিৱেশন আৰু সংসদীয় গণতন্ত্ৰৰ পৰম্পৰা। এক্সত পোষ্ট কৰি চিদাম্বৰমে লিখে যে যদি কোনো ৰাজনৈতিক মিত্ৰজোঁট বা দলে বিধানসভাত সংখ্যাগৰিষ্ঠতা লাভ নকৰে, তেন্তে ৰাজ্যপালৰ কৰ্তব্য হৈছে বিধায়কৰ সংখ্যাৰ ভিত্তিত আগশাৰীৰ দলৰ নেতাক চৰকাৰ গঠনৰ বাবে আমন্ত্ৰণ জনোৱা। ১৯৯৪ চনৰ এছ আৰ বোম্মাই বনাম ইউনিয়ন অৱ ইণ্ডিয়া গোচৰত উচ্চতম ন্যায়ালয়ৰ ৰায়দানৰ উদ্ধৃতি দি তেওঁ কয় যে এইটোৱেই ৰাজনৈতিক নিয়ম আৰু সংসদীয় পৰম্পৰা, আৰু বিধানসভাৰ সংখ্যাগৰিষ্ঠতাৰ সমৰ্থন প্ৰমাণ কৰা বিধায়ক দলৰ নেতাৰ দায়িত্ব। তেওঁ তামিলনাড়ুৰ ৰাজনৈতিক দলসমূহক এই নিয়মৰ ব্যাখ্যা আৰু গুৰুত্ব দিয়া বাবে শলাগ লয়। প্ৰসংগত উল্লেখ কৰা প্ৰয়োজন যে টিভিকে ১০৮খন আসন লাভ কৰি একক বৃহত্তম দল হিচাপে আবিৰ্ভাৱ হোৱাৰ পিছতো ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰে বিজয়ক চৰকাৰ গঠনৰ বাবে আমন্ত্ৰণ দিবলৈ অস্বীকাৰ কৰে। এই পদক্ষেপৰ প্ৰতিক্ৰিয়াতে চিদাম্বৰমে ওপৰৰ মন্তব্য কৰে। উল্লেখযোগ্য যে কংগ্ৰেছৰ পাঁচগৰাকী বিধায়কৰ সমৰ্থন লাভ কৰি টিভিকেৰ সমৰ্থিত মুঠ বিধায়কৰ সংখ্যা ১১২ লৈ বৃদ্ধি পাইছে। অৱশ্যে টিভিকে লাভ কৰা দুখন আসনৰ ভিতৰত এখন খালী হোৱাৰ সম্ভাৱনা আছে, যাৰ ফলত দলটোৰ আসন সংখ্যা ১০৭ লৈ হ্ৰাস পাব পাৰে। এনে ক্ষেত্ৰত চৰকাৰ গঠনৰ বাবে প্ৰয়োজনীয় ১১৮ আসনৰ পৰা তেওঁলোক এতিয়াও ছয়খন আসনে দূৰত থাকে। খবৰ অনুসৰি, ৰাজ্যপালে চৰকাৰ গঠনৰ বাবে আমন্ত্ৰণ জনোৱাৰ পূৰ্বে বিজয়ৰ পৰা বাকী আসনৰ সংখ্যা সম্পৰ্কীয় প্ৰশ্নৰ উত্তৰ বিচাৰিছিল। ডিএমকেৰ লগত কংগ্ৰেছৰ মাজত বাকযুদ্ধ সাম্প্ৰতিক পৰিস্থিতিত আৰু জটিল হৈ পৰিছে। টিভিকেক সমৰ্থন কৰি কংগ্ৰেছে মিত্ৰজোঁটৰ অংশীদাৰক প্ৰতাৰণা কৰা বুলি ডিএমকেৰ নেতাসকলে উত্থাপন কৰা অভিযোগৰ বিৰুদ্ধে কংগ্ৰেছে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। কংগ্ৰেছ সাংসদ মণিকম ঠাকুৰৰ বিৰুদ্ধে ডিএমকেৰ মুখপাত্ৰসকলে অসাংবিধানিক শব্দ ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰাৰ লগতে দুয়োটা দলৰ মাজৰ সম্পৰ্কত টান পৰাৰ ইংগিত দিয়ে। ডিএমকেৰ "পিঠিত ছুৰীৰে আঘাত কৰা" বুলি উত্থাপিত অভিযোগৰ জবাবত ঠাকুৰে কয় যে তেওঁলোক নিৰ্বাচনত পৰাস্ত হৈছে, আৰু কেৱল কংগ্ৰেছৰ বাবেই যে ডিএমকেৰ ক্ষতি হৈছে এনে নহয়। ২০১৩ চনত ডিএমকে দলে ইউপিএ চৰকাৰৰ পৰা পৃথক হৈ নিৰ্বাচন খেলি পৰাজিত হৈছিল আৰু পিছত কংগ্ৰেছৰ সমৰ্থন লাভ কৰিও পৃথকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল বুলি তেওঁ সোঁৱৰাই দিয়ে। ডিএমকেৰ মুখপাত্ৰ সৰৱনন আন্নাদুৰায়ে কংগ্ৰেছৰ এই পদক্ষেপক দুৰ্বল দৃষ্টিভংগী বুলি অভিহিত কৰি ২০২৯ চনৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে বিৰোধী ঐক্যৰ ক্ষতি হ'ব বুলি সকীয়াই দিয়ে। "কংগ্ৰেছক বিশ্বাস কৰিব নোৱাৰি বুলি সমগ্ৰ দেশতে এটা ধাৰণা আছে" - আন্নাদুৰায়ে কয়। কংগ্ৰেছ আৰু ডিএমকেৰ মাজত বাঢ়ি অহা এই বিভাজনে তামিলনাড়ুৰ ৰাজনৈতিক পটপৰিৱৰ্তন কৰি তুলিছে। টিভিকে চিপিআই, চিপিআই (এম) আৰু ভিচিকেৰ সৈতে অতিৰিক্ত সমৰ্থনৰ বাবে আলোচনা অব্যাহত ৰখাৰ লগে লগে ৰাজ্যখনত ৰাজনৈতিক অনিশ্চয়তা চৰম শিখৰত পাইছে। সকলো দলেই লোকভৱনৰ সঁহাৰিৰ প্ৰতি অপেক্ষা কৰি আছে।

## কাইলৈ বিজেপিৰ বিধায়িনী দলৰ বৈঠক

পুৱাতে বৈঠক অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। বিজেপি বিধায়ক দলৰ বৈঠক শেষ হোৱাৰ লগে লগে তাৰ পাছতে অনুষ্ঠিত হ'ব এনডিএৰ বিধায়ক দলৰ বৈঠক। এই বৈঠক দুয়োটা একেলগে একে স্থানতে বহাৰ সম্ভাৱনা আছে। জল্পনা—কল্পনাৰ অন্ত পেলাই ৰাজ্যৰ নতুন চৰকাৰৰ নেতৃত্ব কাৰ হাতত থাকিব সেই সিদ্ধান্ত গ্ৰহণ কৰাটো এই বৈঠকৰ মূল উদ্দেশ্য। বিজেপিৰ ৰাজ্যিক নেতৃত্বই জানিবলৈ দিয়া মতে, এই বৈঠকতেই বিধায়ক দলৰ নেতা নিৰ্বাচিত কৰা হ'ব। বৰ্তমান এই দায়িত্বত থকা ভাৰপ্ৰাপ্ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা পুনৰ দলীয় নেতা হিচাপে নিৰ্বাচিত হ'ব বুলি ধাৰণা কৰা হৈছে। বৈঠকত কেন্দ্ৰীয় পৰ্যবেক্ষকসকল উপস্থিত থাকি নিৰীক্ষণ কৰিব। উল্লেখ্য যে, ইতিমধ্যে ১২ মে'ৰ পুৱা ১১ বজাত গুৱাহাটীৰ খানাপাৰা খেলপথাৰত নতুন চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠানৰ বাবে প্ৰস্তুতি চলি আছে। তাৰ পূৰ্বে এই দলীয় বৈঠকসমূহ সম্পন্ন কৰাটো অনুষ্ঠানৰ পৰম্পৰাগত প্ৰক্ৰিয়াৰ অংশ। নিৰ্বাচিত নেতাই ৰাজ্যপালৰ পৰা চৰকাৰ গঠনৰ আমন্ত্ৰণ গ্ৰহণ কৰি শপত ল'ব।

## 'অখিল গগৈ সন্দেহজনক লোকত পৰিণত হৈছে';

সাম্প্ৰতিক মন্তব্যক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। গৌৰৱে একাষাৰে কয় যে অখিল গগৈ 'সন্দেহজনক লোক'ত পৰিণত হৈছে। তেওঁ অখিল গগৈৰ সমালোচনাত ক্ষুব্ধ হোৱাৰ লগতে ৰাইজৰ দলৰ সৈতে থকা মিত্ৰতা ভংগৰো ইংগিত দিয়ে। অখিল গগৈয়ে শেহতীয়াকৈ কৰা এক মন্তব্যত দাবী কৰিছিল যে কংগ্ৰেছৰ ভোট নাপালে অখিল গগৈ নিজে ধিঙত পৰাজিত হ'লহেঁতেন, আৰু ৰাইজৰ দলৰ প্ৰাৰ্থীয়েও সেই সমষ্টিত জয়লাভ কৰিব নোৱাৰিলেহেঁতেন। এই মন্তব্যই গৌৰৱ গগৈক অধিক ক্ষুব্ধ কৰি তোলে। প্ৰতিক্ৰিয়া দি গৌৰৱে স্পষ্টভাৱে কয়, 'অখিল গগৈ নিজকে আৰু নিজৰ দলটোক মানুহৰ দৃষ্টিত সন্দেহজনক স্থিতিলৈ নি আছে। কংগ্ৰেছৰ ভোট লাভ কৰাৰ বাবেহে শিৱসাগৰ আৰু ধিঙত আজি ৰাইজৰ দলৰ বিধায়ক বহি আছে। সেই ভোট নাপালে তেওঁলোক নিৰ্বাচনত জয়ী হ'ব নোৱাৰিলেহেঁতেন। 'গৌৰৱ গগৈয় লগতে কয় যে অখিল গগৈৰ এই ধৰণৰ বক্তব্যৰ পৰা স্পষ্ট হয় যে তেওঁ ৰাইজৰ দলৰ সৈতে কংগ্ৰেছৰ মিত্ৰতা অব্যাহত ৰখাৰ পক্ষপাতী নহয়। গৌৰৱে আশংকা প্ৰকাশ কৰি কয় যে যি কংগ্ৰেছে অখিল গগৈক নিৰ্বাচনত বাচি থাকিবলৈ ভোট দিছিল, তেওঁলোকৰ বিৰুদ্ধেই এতিয়া অখিলে অস্ত্ৰ তুলি লৈছে। এই পটভূমিত গৌৰৱ গগৈয়ে ইংগিত দিয়ে যে হয়তো ভৱিষ্যতে ৰাইজৰ দলৰ সৈতে কংগ্ৰেছৰ কোনো মিত্ৰতা নাথাকিব। অখিল গগৈৰ সাম্প্ৰতিক মন্তব্যক 'কংগ্ৰেছৰ ভোটৰ ওপৰত নিৰ্ভৰশীলতা স্বীকাৰ কৰা বুলি' উল্লেখ কৰি গৌৰৱে কয় যে এনে সন্দেহজনক লোকৰ সৈতে দেখা-সাক্ষাৎ আৰু ৰাজনৈতিক সম্পৰ্ক ৰখা আপোনপেটীয়া স্বাৰ্থৰ বাবেহে সম্ভৱ, কিন্তু ইয়াৰ ফলত দলহিত সাধিত নহয়। উল্লেখযোগ্য যে অচিৰেই সমাপ্ত হোৱা অসম বিধানসভা নিৰ্বাচনত কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মাজত কিছুমান সমষ্টিত সমন্বয় আছিল। কিন্তু সম্প্ৰতি অখিল গগৈৰ মন্তব্য আৰু গৌৰৱ গগৈৰ প্ৰত্যুত্তৰে বিৰোধী শিবিৰত নতুন অগ্নিগৰ্ভাৰ সৃষ্টি কৰিছে। নেতৃস্থানীয় ব্যক্তিৰ মাজত সৃষ্ট এই বাকযুদ্ধৰ অৱসান কেনেদৰে হয়, আৰু ই অহা দিনত ৰাজ্যৰ বিৰোধী ৰাজনীতিক কেনে প্ৰভাৱিত কৰিব, সেই দিশলৈ সকলোৰে দৃষ্টি পৰি আছে। ঘটনাৰ প্ৰতিক্ৰিয়াত অখিল গগৈয়ে কোনো মন্তব্য প্ৰত্যাহাৰ বা স্পষ্টীকৰণ প্ৰদান কৰা নাই যদিও তেওঁৰ ওচৰৰ সূত্ৰই জানিবলৈ দিছে যে শীঘ্ৰেই ইয়াৰ উত্তৰ দিবলৈ তেওঁ সংবাদ মাধ্যমৰ সন্মুখীন হ'ব।

## ৯ মে'ৰ পৰা ঝাৰখণ্ডক বাদ দি সমগ্ৰ পূৰ্বাঞ্চল বিজেপি-

এনডিএ চৰকাৰৰ অধীনলৈ আহিব। শুকুৰবাৰে সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীগৰাকীয়ে পশ্চিমবংগ আৰু অসমত চৰকাৰ গঠনৰ বিস্তৃত পৰিকল্পনাৰ কথা সদৰি কৰে। তেওঁ কয় যে কাইলৈৰ পৰা সমগ্ৰ পূৰ্বাঞ্চল বিজেপি আৰু ইয়াৰ সহযোগী দলৰ আধিপত্যত স্থাপিত হ'ব, আৰু এই দিশক তেওঁ এক বিশেষ 'বিজয়ৰ দিন' হিচাপে অভিহিত কৰিছে। উল্লেখযোগ্য যে পশ্চিমবংগত শনিবাৰে শুভেন্দু অধিকাৰীয়ে মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ লগে লগে এই দৃষ্টিভংগী সত্যত পৰিণত হ'ব বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে। পশ্চিমবংগৰ লগতে অসমত একেৰাহে তৃতীয়বাৰৰ বাবে চৰকাৰ গঠনৰ পাছত পূৰ্বাঞ্চলৰ প্ৰায় আটাইকেইখন ৰাজ্যকে এনডিএই শাসন কৰিব অথচ কেৱল ঝাৰখণ্ডহে এই তালিকাৰ বাহিৰত থাকিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই আশা প্ৰকাশ কৰে যে নতুন চৰকাৰ গঠনৰ লগে লগে পশ্চিমবংগৰ আইন-শৃংখলা পৰিস্থিতি পুনৰ স্বাভাৱিক হৈ পৰিব। পশ্চিমবংগৰ প্ৰসংগত তেওঁ কয় যে শনিবাৰে ৰাজ্যখনৰ বাবে এক ঐতিহাসিক মুহূৰ্তৰ সূচনা হ'ব। বিজেপি বিধায়ক দলৰ নেতা হিচাপে নিৰ্বাচিত হোৱা শুভেন্দু অধিকাৰীয়ে পশ্চিমবংগৰ প্ৰথমগৰাকী বিজেপি মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। বিশেষভাৱে লক্ষণীয় যে বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্মজয়ন্তীৰ দিনা এই শপতগ্ৰহণ অনুষ্ঠানটি অনুষ্ঠিত হ'ব। সেই ঐতিহাসিক অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু দেশৰ ২১খন ৰাজ্যৰ মুখ্যমন্ত্ৰী উপস্থিত থাকিব। ইফালে পশ্চিমবংগৰ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰি গুৱাহাটীলৈ উভতি অহাৰ পাছত মুখ্যমন্ত্ৰী ড° শৰ্মাই নিজৰ ৰাজ্য অসমৰ চৰকাৰ গঠনৰ প্ৰক্ৰিয়াত মনোনিবেশ কৰিব। তেওঁ ঘোষণা কৰা অনুসৰি, ১০ মে'ত বিজেপি বিধায়ক দলৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে জে পি নাড্ডা আৰু হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নয়াব সিং ছৈনীয়ে উপস্থিত থাকি বিধায়ক দলৰ নেতা নিৰ্বাচনৰ প্ৰক্ৰিয়া পৰ্যবেক্ষণ কৰিব। বিধায়ক দলে নেতা নিৰ্বাচন কৰাৰ পাছত এনডিএৰ সমৰ্থনত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰি চৰকাৰ গঠনৰ দাবী জনোৱা হ'ব। তাৰ পাছত অহা ১২ মে'ৰ পুৱা ১১ বজাত গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত অসমৰ নতুন চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব। ইতিমধ্যে মুখ্যমন্ত্ৰী ড° শৰ্মাই অনুষ্ঠানস্থলী পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লৈছে। সূত্ৰই জনোৱা মতে এই অনুষ্ঠানত উত্তৰ-পূবৰ বিভিন্ন ৰাজ্য তথা অসমৰ গণ্যমান্য ব্যক্তিৰ লগতে লক্ষাধিক দলীয় কাৰ্যকৰ্তাৰ উপস্থিতি থাকিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই শপতগ্ৰহণ কেৱল অসমৰ বাবেই নহয়, সমগ্ৰ পূৰ্বাঞ্চলৰ বাবে এক মাইলৰ খুঁটি হিচাপে চিহ্নিত হ'ব।

## টংকেশ্বৰ ৰাভাক কেবিনেটত অন্তৰ্ভুক্ত কৰিবলৈ বড়ো-ৰাভা

অনুষ্ঠিত এই বৈঠকত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, প্ৰাক্তন মন্ত্ৰী তথা নব নিৰ্বাচিত বিধায়ক জয়ন্তমল্ল বৰুৱা আৰু বি পি এফ (BPF) প্ৰধান হাগ্ৰামা মহিলাৰী উপস্থিত থাকে। এই সৌহাদ্যপূৰ্ণ বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ সৈতে মুখামুখি হৈ দিলীপ শইকীয়াই কয়, "ৰাভা হাছং অঞ্চলৰ ৰাইজে এন ডি এক যি অভূতপূৰ্ব জনদেশ দিলে, তাৰ বাবে আমি ৰাইজক কৃতজ্ঞতা জনাইছো। অহা ৫ বছৰত এই অঞ্চলক উন্নয়নৰ শিখৰলৈ লৈ যাবলৈ ইতিমধ্যে এক ৰোডমেপ প্ৰস্তুত কৰা হৈছে।" তেওঁ লগতে জানিবলৈ দিয়ে যে ১২ মে'ত শপত লোৱাৰ লগে লগেই চৰকাৰী কাম-কাজ পূৰ্ণোদ্যমে আৰম্ভ হ'ব। তেওঁ পুনৰ কয় টংকেশ্বৰ ৰাভা অকল ৰাভা হাচঙৰে নেতা নহয়, তেওঁ সমগ্ৰ অসমৰ নেতা। মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই সংবাদ মাধ্যমৰ আগত বেদখলকাৰীৰ বিৰুদ্ধে অধিক কঠোৰ স্থিতি ঘোষণা কৰে। তেওঁ কয়, "যোৱা বছৰ আমি ১.৫ লাখ বিঘা ভূমি বেদখলমুক্ত কৰিছিলো, এইবাৰ আমাৰ লক্ষ্য ইয়াতকৈ অধিক। ধৰ্মীয় অনুষ্ঠান বা বনাঞ্চল য'তেই অবৈধ বেদখল আছে, সকলো উচ্ছেদ কৰা হ'ব। বিশেষকৈ গোৱালপাৰা আৰু দক্ষিণ কামৰূপৰ খিলঞ্জীয়াৰ সুৰক্ষাৰ বাবে চৰকাৰ দায়বদ্ধ।" ইয়াৰোপৰি ভুৱা ভোটাৰ চিনাক্ত কৰিবলৈ চৰকাৰে 'এছ আই আৰ' (SIR) প্ৰৱৰ্তন কৰিব বুলিও তেওঁ পুনৰ উল্লেখ কৰে। আনহাতে, এই বৈঠকৰ মাজতে ৰাভা হাছং পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তথা দুধনৈৰ নৱ-নিৰ্বাচিত বিধায়ক টংকেশ্বৰ ৰাভাক ৰাজ্যিক কেবিনেটত স্থান দিবলৈ জোৰদাৰ দাবী উত্থাপন হৈছে। বড়ো কো-অৰ্ডিনেচন কমিটি (BCC) আৰু সদৌ ৰাভা ছাত্ৰ সন্থাই (ARSU) ঐক্যবদ্ধভাৱে এই দাবী জনাইছে। বি চি চিৰ সভাপতি তুলসীধৰ বড়োৱে কয়, "অঞ্চলটোৰ সমস্যাৰ স্থায়ী সমাধানৰ বাবে টংকেশ্বৰ ৰাভাক কেবিনেট মৰ্যাদা দিয়াটো জৰুৰী।" একেদৰে আৰছুৰ সম্পাদক ড০ সুভাষ চন্দ্ৰ ৰাভাই ৰাভা হাছং অঞ্চলক ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰাৰ দাবী উত্থাপন কৰে লগতে টংকেশ্বৰ ৰাভাক অসম মন্ত্ৰী সভাত মন্ত্ৰিত্ব দিয়াৰ বিষয়টো ড° হিমন্ত বিশ্ব শৰ্মাই সিদ্ধান্ত লব। বৈঠকত উপস্থিত থকা বি পি এফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে কয় যে পশ্চিম অসমৰ ৪টাকৈ সমষ্টিত ৰাইজে সুৰক্ষা আৰু উন্নয়নৰ স্বাৰ্থত এন ডি এক বিপুল সমৰ্থন দিছে। টংকেশ্বৰ ৰাভাৰ মন্ত্ৰিত্বৰ প্ৰসংগত মহিলাৰীয়ে ধেমালিৰ সুৰত কয় যে ৰাভাই নিজে আবেদন কৰা নাই বাবেই হয়তো কথাটো এতিয়ালৈ ওলোৱা নাই। আজিৰ এই বৈঠকত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ বিষয়ববীয়াসকলৰ লগতে এন ডি এৰ সহযোগী দল অগপ আৰু বড়ো কো-অৰ্ডিনেচন কমিটিৰ নেতৃত্বও উপস্থিত থাকে। ১২ মে'ৰ পাছত গঠন হ'বলগীয়া নতুন কেবিনেটত টংকেশ্বৰ ৰাভাই স্থান লাভ কৰিব নে নাই, এতিয়া সেয়া হ'ব বিশেষ লক্ষণীয়। আজিৰ এই বৈঠকত ৰাভা হাছং পৰিষদৰ অধ্যক্ষ, উপাধ্যক্ষ, ই ইম জিএম, নিখিল ৰাভা ছাত্ৰ সন্থা, ষষ্ঠ অনুসূচী দাবী সমিতি, নিখিল ৰাভা মহিলা পৰিষদৰ বিষয়ববীয়া, বড়ো কো-অৰডিনেশ্বন কমিটিৰ বিষববীয়া, ৰিহণ দৈমাৰী নিৰ্বাচিত বিধায়ক হিমাংশু শেখৰ বৈশ্য, পবিত্ৰ ৰাভাৰ লগতে জিলা বিজেপি আৰু ৰাভা হাছং যৌথ মঞ্চৰ নেতা কৰ্মী সকল উপস্থিত থাকে।

## অসম সহ চাৰি ৰাজ্য-কেন্দ্ৰ শাসিত অঞ্চলত বিধানসভা

অধিসূচনাৰ জৰিয়তে জনোৱাৰ লগতে আয়োগে অসমৰ মুখ্য সচিব আৰু ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া (CEO)ৰ নামত পৃথককৈ পত্ৰ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে অসম বিধানসভা নিৰ্বাচনৰ তাৰিখ ঘোষণা কৰাৰ দিনা অৰ্থাৎ ১৫ মাৰ্চৰ পৰাই ৰাজ্যখনত আচৰণ বিধি কাৰ্যকৰী হৈছিল। নিৰ্বাচন সম্পন্ন হোৱাৰ লগে লগে এই বিধিৰ প্ৰয়োজনীয়তা নাথাকাত ইয়াক উঠাই লোৱা হয়। ভাৰতৰ নিৰ্বাচন আয়োগে একেধৰণৰ নিৰ্দেশনা কেৱল অসমতে সীমাবদ্ধ নৰাখি অন্য চাৰিটা প্ৰদেশ আৰু এখন কেন্দ্ৰশাসিত অঞ্চলৰ বাবেও জাৰি কৰিছে। আয়োগৰ তথ্য অনুসৰি, কেৰালা, তামিলনাড়ু, পশ্চিম বংগ আৰু পুডুচেৰী কেন্দ্ৰশাসিত অঞ্চলত ২০২৬ চনৰ বিধানসভা নিৰ্বাচন সমাপ্ত হোৱাৰ পাছতো তাত প্ৰযোজ্য আচৰণ বিধি উঠাই লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। অৱশ্যে এই সিদ্ধান্তৰ পৰা পশ্চিম বংগৰ ফাল্টা বিধানসভা সমষ্টিক বাদ দিয়া হৈছে। ১৪৪ নং ফাল্টা সমষ্টিত নিৰ্বাচন আচৰণ বিধি (MCC) অদ্যাবধি বলবৎ থাকিব কাৰণ তাত ভোটদানৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱা নাই। নিৰ্বাচন আয়োগে এই সমষ্টিটোৰ বাবে নতুনকৈ ভোটদানৰ নিৰ্দেশ দিছে, ফলত সংশি-ষ্ট অঞ্চলটোত আচৰণ বিধি কাৰ্যকৰী হৈয়ে থাকিল। এই পদক্ষেপে নিৰ্বাচনী প্ৰক্ৰিয়াত স্বচ্ছতা আৰু আইনানুগতা নিশ্চিত কৰাৰ প্ৰতি আয়োগৰ নিৰপেক্ষ দৃষ্টিভংগীকে প্ৰতিফলিত কৰে। ৰাজ্যত নিৰ্বাচন সম্পূৰ্ণ হোৱাৰ লগে লগে চৰকাৰী কাম-কাজ আৰু উন্নয়নমূলক কাৰ্যসূচী পূৰ্বৰ দৰে সঞ্চালিত হোৱাৰ পথ মুকলি হৈছে।

## আছুৰ কাৰ্যনিৰ্বাহক সভাত

আছুৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাত ভাষণ দি তেওঁ লগতে কয় যে ৰাজ্যৰ শিক্ষা ক্ষেত্ৰখনত এখন নতুন বিপ্লৱৰ সূচনা কৰাৰ সময় আহি পাইছে। শিক্ষানুষ্ঠানসমূহত নতুন নতুন পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰাৰ পোষকতা কৰি তেওঁ কয় যে যিবোৰ বিষয়ৰ বাবে ছাত্ৰ-ছাত্ৰী বাহিৰলৈ গৈছে সেইবোৰ অসমৰ ভিতৰতে খুলিব পাৰিলে বহু মেধাৱী ল'ৰা-ছোৱালীয়ে নিজৰ ৰাজ্যতে থাকি উন্নত ভৱিষ্যত গঢ়ি তুলিবলৈ সক্ষম হ'ব। অভিভাৱকে যিসকলক বাহিৰলৈ পঠিয়াব পাৰে তেওঁলোকে পঠিয়াইছে, কিন্তু যিসকল মেধাৱী ছাত্ৰ-ছাত্ৰীৰ পক্ষে বাহিৰলৈ যোৱা সম্ভৱ নহয়, তেওঁলোকৰ বাবে ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহতে যুগোপযোগী শিক্ষাৰ ব্যৱস্থা কৰাটো চৰকাৰ আৰু বিশ্ববিদ্যালয়সমূহৰ দায়িত্ব বুলি তেওঁ স্পষ্ট কৰে। ইয়াৰ লগতে তেওঁ এটা সুপৰিকল্পিত অৰ্থনৈতিক সংগ্ৰামৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে অহা ২৮ মে'ত গুৱাহাটীত অসম উন্নতি সভাৰ অধিৱেশন অনুষ্ঠিত হ'ব। তাৰ আগমুহূৰ্তত ১৩, ১৪ আৰু ১৫ মে'ত ৰাজ্যৰ প্ৰতিখন জিলাতে জিলা ছাত্ৰ সন্থা আৰু জিলা উন্নতি সভাৰ যৌথ কাৰ্যনিৰ্বাহক সভা পাতি জিলাখনত অৰ্থনৈতিক কৰ্মসূচী গ্ৰহণৰ উপায় সম্বন্ধে ৰূপৰেখা প্ৰস্তুত কৰা হ'ব। সাংবিধানিক ৰক্ষাকবচৰ প্ৰসঙ্গত ড° ভট্টাচাৰ্যই কয় যে অসমত খিলঞ্জীয়া মানুহৰ প্ৰভুত্ব আৰু নিৰ্ণায়ক অধিকাৰ সৰ্বকালৰ বাবে নিশ্চিত কৰিবলৈ এই ৰক্ষাকবচ অত্যন্ত প্ৰয়োজন। যিবোৰ বিষয় কেন্দ্ৰীয় চৰকাৰৰ আওঁতাত পৰে, সেই বিষয়সমূহৰ বাবে কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু আছুৰ মাজত ত্ৰি-পাক্ষিক আলোচনাৰ যোগেদি ফলাফললৈ আহিব লাগে বুলি সভাত দাবী উত্থাপন কৰা হয়। আনহাতে, আছুৰ সভাপতি উৎপল শৰ্মাই সংবাদ মাধ্যমক জানিবলৈ দিয়ে যে অহা ১৮ মে'ত গুৱাহাটীত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ বাবে এখন অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত উচ্চতৰ মাধ্যমিকৰ কলা শাখাত ৪৭৪ নম্বৰৰ ওপৰত, বাণিজ্য শাখাত ৪৬৭ নম্বৰৰ ওপৰত, বিজ্ঞান শাখাত ৪৭৬ নম্বৰৰ ওপৰত নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰী আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৫৭৯ নম্বৰৰ ওপৰত নম্বৰ পোৱা কৃতীসকলক অভিনন্দন জনোৱা হ'ব। লগতে তেওঁ 'প্ৰত্যাশা প্ৰকল্প'ৰ বিষয়ে উল্লেখ কৰি কয় যে এই প্ৰকল্পৰ জৰিয়তে অসমৰ ছাত্ৰ-ছাত্ৰীক দিল্লীত ইউপিএছচিৰ বিনামূলীয়া প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। প্ৰশিক্ষণৰ সময়ছোৱাত প্ৰতি মাহে ১২ হাজাৰ টকাকৈ জলপানি প্ৰদান কৰা হ'ব। মুঠ ৪০ গৰাকী প্ৰাৰ্থী বাছনি কৰা হয়, যাৰ ভিতৰত ২৬ গৰাকী অসমৰ পৰা আৰু ১৪ গৰাকী উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যৰ পৰা নিৰ্বাচিত কৰা হৈছে। ৩১ মে'ত গুৱাহাটী, শিৱসাগৰ, তেজপুৰ আৰু নতুন দিল্লীত এই বাছনি পৰীক্ষা অনুষ্ঠিত হ'ব। দক্ষ প্ৰশাসনিক বিষয়া সৃষ্টি কৰাই এই প্ৰকল্পৰ মূল উদ্দেশ্য বুলি স্পষ্ট কৰি শৰ্মাই লগতে জানিবলৈ দিয়ে যে ২৮ মে'ত কলাক্ষেত্ৰত অসম উন্নতি সভাৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হ'ব আৰু বৰপেটাত কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস পালন কৰা হ'ব। আজিৰ কাৰ্যনিৰ্বাহক সভাত এই সকলো বিষয় বিস্তাৰিতভাৱে আলোচনা কৰা হয়।

## এন্দুৰে বিয়পাইছে হাণ্টা-

ৰোগীৰ ঘটনা চিনাক্ত কৰা হৈছে। লগতে তিনিটা সন্দেহজনক ঘটনা পৰ্যবেক্ষণত আছে। সংস্থাটোৰ মুৰব্বী ড° টেড্ৰছ আধানম গেব্ৰেইছাছে জেনেভাত এক সংবাদমেলত কয় যে বৰ্তমানে আশা কৰা হৈছে যদি উপযুক্ত জনস্বাস্থ্য ব্যৱস্থা দ্ৰুত আৰু কাৰ্যকৰীভাৱে গ্ৰহণ কৰা হয়, তেন্তে এই প্ৰাদুৰ্ভাৱ "সীমিত" হৈ থাকিব। কিন্তু তেওঁ সতৰ্ক কৰি দিয়ে যে বিভিন্ন দেশত সংস্পৰ্শত অহা যাত্ৰী আৰু সংশ্লিষ্ট ব্যক্তিসকলৰ সন্ধান চলি থকাত আৰু অধিক সংক্ৰমণৰ ঘটনা পোহৰলৈ অহাৰ সম্ভাৱনা উৰোৱা নাযায়। ইতিমধ্যে বিশ্ব স্বাস্থ্য সংস্থাই ১২খন দেশক এই পৰিস্থিতি সম্পৰ্কে অৱগত কৰিছে, কিয়নো এই দেশসমূহৰ নাগৰিকসকলে ক্ৰুজ জাহাজখনৰ পৰা চেণ্ট হেলেনাত অৱতৰণ কৰিছিল। দেশকেইখন হৈছে—কানাডা, জাৰ্মানী, নেদাৰলেণ্ড, নিউজিলেণ্ড, চেণ্ট কিটছ আৰু নেভিছ, ছিংগাপুৰ, ছুইডেন, চুইজাৰলেণ্ড, তুৰস্ক, ডেন কিংডম, আমেৰিকা যুক্তৰাষ্ট্ৰ। আৰ্জেণ্টিনাৰ পৰীক্ষাগাৰৰ পৰা পাঁচখন দেশলৈ প্ৰায় ২, ৫০০টা হাণ্টাভাইৰাছ পৰীক্ষা কিট প্ৰেৰণ কৰা হৈছে বুলি WHO-ৰ লগতে সংস্থাটোৱে জনাইছে। জাহাজখনৰ ডাচ অপাৰেটৰ 'মহাসাগৰীয় অভিযান' (Oceanwide Expeditions)ৰ ভাষ্যমতে, 'এম ভি হণ্ডিয়াছ'ত বৰ্তমান ১৪৯জন লোক আছে, যিসকল ২৩খন ভিন্ন দেশৰ নাগৰিক। ইফালে, এক চিন্তনীয় পৰিস্থিতিৰ সৃষ্টি হৈছে স্পেইনৰ কেনেৰী দ্বীপপুঞ্জত। ক্ৰুজ জাহাজখনৰ পৰা উদ্ধাৰ কৰা হাণ্টাভাইৰাছত আক্ৰান্ত সন্দেহৰ দুজন ৰোগীক লৈ এখন এয়াৰ এম্বুলেন্স কেপ ভাৰ্দেৰ পৰা উৰা মাৰিছিল। মূল পৰিকল্পনা অনুসৰি মৰক্কোৰ মাৰাকেশত ইন্ধন ভৰাই এই বিমানখন আমষ্টাৰডামলৈ যোৱাৰ কথা আছিল। কিন্তু মৰক্কোৰ কৰ্তৃপক্ষই বিমানখনক অৱতৰণৰ অনুমতি প্ৰদান কৰা নাছিল। স্পেইনৰ স্বাস্থ্য মন্ত্ৰালয়ে জনোৱা মতে, ইন্ধন ভৰোৱাৰ সময়ত বিমানখনৰ চিকিৎসকে বৈদ্যুতিক সহায়ক ব্যৱস্থাত (electrical support system) যান্ত্ৰিক ত্ৰুটি ধৰা পেলায়। ফলত বিমানখন কেনেৰী দ্বীপপুঞ্জত অৱতৰণ কৰিছিল যদিও ৰোগী দুজন এতিয়াও বিমানখনতে অপেক্ষা কৰি আছে। বিকল্প বিমানৰ ব্যৱস্থা নোহোৱালৈকে তেওঁলোকক তাতেই ৰখা হৈছে। স্পেইনৰ স্বাস্থ্য মন্ত্ৰালয়ে এই পৰিস্থিতিৰ ওপৰত নজৰ ৰাখিছে। তাৰ পূৰ্বে স্পেইনে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি জনায় যে আন্তঃৰাষ্ট্ৰীয় আইন আৰু মানৱীয়তাৰ মনোভাৱ অনুসৰি হাণ্টাভাইৰাছ-সংযুক্ত জাহাজ 'এম ভি হণ্ডিয়াছ'ক কেনেৰী দ্বীপপুঞ্জত প্ৰৱেশৰ অনুমতি দিয়া হ'ব। স্বাস্থ্য মন্ত্ৰালয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰা এক বিবৃতিত এই কথা নিশ্চিত কৰে। ইউৰোপীয় ৰোগ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ কেন্দ্ৰ (ECDC)-এ জাহাজখনত থকা পৰিস্থিতিৰ বিস্তৃত মূল্যায়ন চলাই আছে। মূল লক্ষ্য হৈছে—কেপ ভাৰ্দেত কোন কোন ব্যক্তিক জৰুৰীভাৱে উদ্ধাৰ বা স্থানান্তৰ কৰাৰ প্ৰয়োজন আছে, সেইটো নিৰ্ধাৰণ কৰা। বাকী যাত্ৰী আৰু কৰ্মচাৰীসকলে কেনেৰী দ্বীপপুঞ্জলৈ যাত্ৰা অব্যাহত ৰাখিব, আৰু তিনিৰ পৰা চাৰি দিনৰ ভিতৰত তাত উপস্থিত হোৱাৰ সম্ভাৱনা আছে বুলি জানিবলৈ দিয়া হৈছে।

## লখিমপুৰৰ কাকৈ ৰাজগড় আৰ্ট একাডেমিৰ ছাত্ৰৰ পৰশত প্ৰাণ পাই উঠিল হাৰ্টথ্ৰ'ৰৰ প্ৰতিচ্ছবি

**অসম বাৰ্তা, লীলাবাৰী, ৮ মে' ঃ** লখিমপুৰ জিলাৰ কাকৈ ৰাজগড় যুৱ মঞ্চৰ উদ্যোগত অনুষ্ঠিত ৰঙালী বিহু সন্মিলনৰ চতুৰ্দশ সংখ্যক 'বিৰিণা'ৰ বাকৰিত প্ৰাণ পাই উঠিল অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গ। কাকৈ ৰাজগড় উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত দুদিনীয়াকৈ অনুষ্ঠিত ৰঙালী বিহু সন্মিলন 'বিৰিণা'ৰ বাকৰিত কাকৈ ৰাজগড় আৰ্ট একাডেমিৰ তিনি ছাত্ৰ-ছাত্ৰী- মিলন গোস্বামী, ময়ূৰী গোস্বামী আৰু লক্ষ্মীন্দ্ৰ নাথৰ হাতৰ পৰশেৰে উজলি উঠিল হাৰ্টথ্ৰ'ৰৰ প্ৰতিচ্ছবি। উল্লেখ্য যে, ১২৬খন A2 আকাৰৰ আৰ্ট পেপাৰত এঙাৰেৰে ৯.৬৭ × ৬.৮২ ফুটৰ প্ৰতিচ্ছবিখন চিলাপথাৰ আৰ্ট একাডেমিৰ অধ্যক্ষ তথা চিত্ৰশিল্পী মিণ্টু মহন্তই উন্মোচন কৰি হিয়াৰ আমঠু জুবিন গাৰ্গক গানৰ জৰিয়তে, ছবিৰ জৰিয়তে আমাৰ মাজত জীয়াই ৰাখিব লাগিব বুলি উল্লেখ কৰে। তেখেতে কয়, জুবিন গাৰ্গ কেৱল শিল্পী সত্ত্বাই নহয়, তেখেত এজন সঁচা মনৰ 'মানুহ' আছিল। জুবিন গাৰ্গৰ প্ৰতিচ্ছবিটি উন্মোচন কাৰ্যসূচীত কাকৈ ৰাজগড় আৰ্ট একাডেমিৰ অধ্যক্ষ তথা চিত্ৰশিল্পী প্ৰশান্ত কুমাৰ বড়া, কাকৈ ৰাজগড় যুৱ মঞ্চৰ উপদেষ্টা তথা গাঁও প্ৰধান দ্বীপেন গোহাঁই, লীলাবাৰী শাখা সাহিত্য সভাৰ সম্পাদক বিতোপন শৰ্ম্মাৰ লগতে বহুকেইজন স্থানীয় গণ্যমান্য ব্যক্তিয়ে অতিথি ৰূপে অংশগ্ৰহণ কৰে।

### বিজনীত দলীয় কৰ্মীৰ সৈতে মত বিনিময় কৰাৰ বাবে বিজনীত উপস্থিত হাগ্ৰামা মহিলাৰী

# মন্ত্ৰিত্ব নালাগে, বিটিচিৰ উন্নয়ন লাগে ঃ হাগ্ৰামা মহিলাৰী



**অসমবাৰ্তা, বিজনী, ৮ মে'ঃ** চিৰাং জিলাৰ বিজনীস্থিত বিজনী জিলা বিপিএফৰ কাৰ্যালয়ত বৃহস্পতিবাৰে অনুষ্ঠিত হোৱা দলীয় কৰ্মী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী। উল্লেখ্য সদ্য সমাপ্ত বিধানসভা নিৰ্বাচনত ২০নং বিজনী বিধানসভা সমষ্টিৰ এনডিএ মিত্ৰজোঁটৰ বিজেপি দলৰ প্ৰাৰ্থী অৰূপ কুমাৰ দে' বিপুল ভোটত জয়যুক্ত হোৱা বাবে অনুষ্ঠিত হয় এই সভা। ৰাইজে আমাক কাম কৰিবৰ বাবে সুবিধা দিছে, গতিকে আমি ৰাইজৰ কাম কৰিব লাগিব বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে হাগ্ৰামা মহিলাৰীৰ। সাংবাদিকে মন্ত্ৰিত্ব ক্ষেত্ৰত প্ৰশ্ন কৰাত মহিলাৰীয়ে কয় যদি মন্ত্ৰী দিয়ে দলত আলোচনা কৰিব, কিন্তু আমি বিপিএফ হিচাবে মন্ত্ৰী দাবী কৰা নাই। বিটিচিত বাজেট বঢ়াই দিব লাগে। বিটিচিৰ প্ৰতিখন জিলা, প্ৰতিটো মহকুমাত প্ৰতিটো বিভাগৰ সৈতে ৰিভিউ মিটিং কৰা হ'ব। তেতিয়া কাম কৰিবলৈ সুবিধা হ'ব বুলি পৰৱৰ্তী পৰিকল্পনাৰ কথা ব্যক্ত হাগ্ৰামা মহিলাৰীৰ। যোৱা নিৰ্বাচনত বিপিএফৰ পৰা দলত্যাগ কৰি বিজনী সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰা বিটিচিৰ থুৰিবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ খলিলুৰ ৰহমান নিৰ্বাচনত পৰাজিত হয়। খলিলুৰ ৰহমান পুনৰ বিপিএফলৈ আহিব নেকি বুলি সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত হাগ্ৰামা মহিলাৰীয়ে কয়- "আমাৰ দুৱাৰ খোলা আছে। যাবও পাৰে, আহিব পাৰে।" সভাত বিজনীৰ নৱ নিৰ্বাচিত বিধায়ক অৰূপ কুমাৰ দে', বিটিচিৰ কাৰ্যবাহী সদস্য ধীৰাজ বৰগয়াৰী, বিজনী জিলা বিপিএফৰ সভাপতি ৰবিৰাম খাকলাৰীসহ অতিথি বৃন্দ উপস্থিত থাকে।

## বৃক্কদ্বয় বিকল হৈ মৃত্যুৰ সৈতে যুঁজিছে গোসাঁইগাঁৱৰ জাহিদুল, চিকিৎসাৰ বাবে নাই ধন

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৮ মে'ঃ** বিটিচিৰ কোকৰাঝাৰ জিলাৰ অন্তৰ্গত গোসাঁইগাঁও মহকুমাৰ এক নং ছেৰফাংগুৰি গাঁৱৰ এজন অসহায় যুৱকৰ জীৱন ৰক্ষাৰ বাবে এতিয়া সমাজৰ সদাশয় লোকৰ সহায়ৰ হাতৰ প্ৰয়োজন দেখা দিছে। গাঁওখনৰ বাসিন্দা মফিজ উদ্দিন খানৰ পুত্ৰ জাহিদুল ইছলাম খান (৩৩) বিগত চাৰি বছৰৰ পৰা দুয়োটা বৃক্ক বিকল হৈ শয্যাশায়ী অৱস্থাত জীৱন মৃত্যুৰ সৈতে যুঁজি আছে। জানিব পৰা মতে, এক সময়ত ব্যক্তিগত বাহন চলাই পৰিয়াল পোহপাল দিয়া জাহিদুলে অসুস্থ হৈ পৰাত বিভিন্ন চিকিৎসালয়ত চিকিৎসা গ্ৰহণ কৰিও এতিয়ালৈকে কোনো সুফল লাভ কৰা নাই। চিকিৎসাৰ নামত নিজৰ গাড়ী বিক্ৰী কৰাৰ লগতে মাটিও বিক্ৰী কৰি ইতিমধ্যে সৰ্বস্বান্ত হৈ পৰিছে পৰিয়ালটো। জাহিদুলে আছিলে পৰিয়ালটোৰ পোহপাল দিয়া একমাত্ৰ ভৰষা, তেওঁ বৃক্ক ৰোগত আক্ৰান্ত হোৱাৰ পিছত পৰিয়ালটোত নামি আহিছে ঘোৰ অমানিশা। বৰ্তমান জাহিদুল ইছলামে পত্নী আৰু দুই সন্তানক লৈ এক অত্যন্ত কৰুণ পৰিস্থিতিৰ মাজেৰে দিন অতিবাহিত কৰিব লগা হৈছে। অষ্টম শ্ৰেণীত অধ্যয়নৰত জীয়েক আৰু চতুৰ্থ শ্ৰেণীত অধ্যয়নৰত পুত্ৰক লৈ এতিয়া সৰ্বস্বান্ত যুৱকজনৰ চিকিৎসা সেৱাৰ বাবে নাই কোনো ধন। পৰিয়ালৰ উপাৰ্জনক্ষম ব্যক্তি শয্যাশায়ী হৈ পৰাত পৰিয়ালটোৰ ওপৰত নামি আহিছে গভীৰ আৰ্থিক সংকট। এতিয়া নিয়মীয়া চিকিৎসা আৰু ঔষধৰ ব্যয় বহন কৰাটোও পৰিয়ালটোৰ পক্ষে অসম্ভৱ হৈ পৰিছে। এই সংকটময় সময়ত জাহিদুলৰ চিকিৎসাৰ বাবে সমাজৰ সদাশয় ব্যক্তি তথা সংগঠনসমূহৰ ওচৰত আৰ্থিক সহায়ৰ আবেদন জনাইছে পৰিয়ালবৰ্গ আৰু স্থানীয় ৰাইজে। কোনো সহৃদয় ব্যক্তিয়ে সহায় আগবঢ়াব বিচাৰিলে ৮৮১২৮৩৯৮৯৮ নম্বৰত যোগাযোগ বা ফোন পেৰ জৰিয়তে আৰ্থিক সহায় প্ৰেৰণ কৰিবলৈ অনুৰোধ জনাইছে পৰিয়ালৰ লোকে। ইপিনে, নিৰ্বাচনৰ সময়ত ৰাইজৰ কাষত থিয় দিয়াৰ প্ৰতিশ্ৰুতি দিয়া বিভিন্ন ৰাজনৈতিক দলৰ কোনো জনপ্ৰতিনিধিয়ে এতিয়ালৈকে অসুস্থ যুৱকজনৰ খবৰ নোলোৱাত ক্ষোভ প্ৰকাশ কৰে পৰিয়ালৰ লগতে স্থানীয় ৰাইজে।

### তথ্য আয়োগৰ পৰস্পৰবিৰোধী সিদ্ধান্তক লৈ ৰাজ্যপালক স্মাৰকলিপি; উপায়বিহীন গৃহৰক্ষী

# গৃহৰক্ষী স্বেচ্ছাসেৱক নিযুক্তিত অনিয়মৰ অভিযোগ

**অসম বাৰ্তা, বাঁহজানী, ৮ মে'ঃ** গৃহৰক্ষী স্বেচ্ছাসেৱকসকলৰ কৰ্তব্যত মকৰল প্ৰক্ৰিয়াক কেন্দ্ৰ কৰি অসম তথ্য আয়োগৰ পৰস্পৰবিৰোধী সিদ্ধান্ত আৰু বিভ্ৰান্তিকৰ তথ্য প্ৰদানৰ অভিযোগ উত্থাপন কৰি নলবাৰী জিলাৰ নিজ বাঁহজানীৰ বাসিন্দা তথা গৃহৰক্ষী স্বেচ্ছাসেৱক পংকজ চৌধাৰীয়ে আজি অসমৰ ৰাজ্যপাললৈ এখন স্মাৰকলিপি প্ৰেৰণ কৰিছে। স্মাৰকলিপিত তেওঁ উল্লেখ কৰে যে, ২০১২ চনৰ ৩০ আগষ্টত গৃহৰক্ষী স্বেচ্ছাসেৱকৰ কৰ্তব্যত মকৰল সন্দৰ্ভত তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ ৰ অধীনত বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত তথ্য বিচাৰি আবেদন কৰিছিল। কিন্তু বিভাগীয় কৰ্তৃপক্ষই আইনখনৰ ৮ (১) ধাৰা উল্লেখ কৰি তথ্য প্ৰদান কৰিবলৈ অস্বীকাৰ কৰে। ইয়াৰ পিছতে তেওঁ অসম তথ্য আয়োগত দ্বিতীয় আপীল দাখিল কৰে। চৌধাৰীৰ দাবী অনুসৰি, ২০১৫ চনত অসম তথ্য আয়োগে এক নিৰ্দেশত স্পষ্টভাৱে উল্লেখ কৰিছিল যে গৃহৰক্ষী বেটেলিয়নকহে তথ্য জনাৰ অধিকাৰ আইনৰ পৰা ৰেহাই দিয়া হৈছে, গৃহৰক্ষী স্বেচ্ছাসেৱকক নহয়। সেই সময়ত গৃহৰক্ষী স্বেচ্ছাসেৱকৰ মকৰল ব্যৱস্থাটো স্বচ্ছ আৰু বস্তুনিষ্ঠ হ'ব লাগিব বুলি উল্লেখ কৰি তথ্য যোগান ধৰিবলৈও নিৰ্দেশ দিয়া হৈছিল। কিন্তু ২০২২ চনত পুনৰ আবেদন কৰাৰ পিছত বিভাগীয় কৰ্তৃপক্ষই ২০০৬ চনৰ এখন চৰকাৰী অধিসূচনা দেখুৱাই তথ্য দিবলৈ নাকচ কৰে। এই সিদ্ধান্তৰ ভিত্তিত ২০২৩ চনত অসম তথ্য আয়োগেও তথ্য ৰাজহুৱা কৰিব নোৱাৰি বুলি নিৰ্দেশ দিয়ে। পাছত চৌধাৰীয়ে তথ্য লাভ কৰে যে, ২০০৬ চনৰ উক্ত অধিসূচনাখন ২০০৭ চনত চৰকাৰেই বাতিল কৰিছিল। এই তথ্য আয়োগক অৱগত কৰাৰ পিছত ২০২৫ আৰু ২০২৬ চনৰ কেইবাখনো গোচৰত পুনৰ তথ্য ৰাজহুৱা কৰাৰ নিৰ্দেশ দিয়া হয়। কিন্তু ২০২৬ চনৰ ৩০ এপ্ৰিলৰ এক নতুন আদেশত অসম তথ্য আয়োগে আকৌ গৃহৰক্ষী স্বেচ্ছাসেৱকসকলক তথ্য জনাৰ অধিকাৰ আইনৰ পৰা ৰেহাই দিয়া হৈছে বুলি কোৱাত বিষয়টোত নতুন বিতৰ্কৰ সৃষ্টি হৈছে। পংকজ চৌধাৰীয়ে অভিযোগ কৰে যে, গৃহৰক্ষী স্বেচ্ছাসেৱকসকলৰ নিযুক্তি প্ৰক্ৰিয়াত বৃহৎ পৰিসৰৰ অনিয়ম আৰু দুৰ্নীতি সংঘটিত হৈ আহিছে। তেওঁৰ মতে, নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ স্বচ্ছ আৰু ৰাজহুৱা নকৰালৈকে এই অনিয়ম বন্ধ হোৱাৰ সম্ভাৱনা কম। ৰাজ্যপালৰ ওচৰত তেওঁ বিভ্ৰান্তিকৰ তথ্য প্ৰদান কৰা সংশ্লিষ্ট কৰ্তৃপক্ষৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ৰ অধীনত গৃহৰক্ষী স্বেচ্ছাসেৱকসকলৰ নিযুক্তি আৰু মকৰল সম্পৰ্কীয় তথ্য ৰাজহুৱা কৰাৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে।

## ৰূপহীহাটৰ জ্ঞান বিকাশ বিদ্যাপীঠ ছিনিয়ৰ ছেকণ্ডাৰী স্কুলত আঢ়ৈ শতাধিক কীৰ্তিমানক সম্বৰ্দ্ধনা

**অসম বাৰ্তা, ৰূপহীহাট, ৮ মে'ঃ** ৰূপহীহাটৰ ব্যাক্তিগত খণ্ডৰ আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান ৰূপহী জ্ঞান বিকাশ বিদ্যাপীঠ ছিনিয়ৰ ছেকণ্ডাৰী স্কুলত আজি কৃৰ্তিমান ছাত্ৰ-ছাত্ৰী সকলৰ এক সম্বৰ্দ্ধনা সভা অনুষ্ঠিত হয়। বিদ্যালয় খনৰ পৰা সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ বিদ্যালয় খনৰ লগতে সমগ্ৰ ৰূপহীহাটলৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰ ছাত্ৰ-ছাত্ৰীক বিপুলভাবে সম্বৰ্দ্ধনা জনায়। আজি বিদ্যালয় খনত প্ৰায় আঢ়ৈ শ ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা জনায়। প্ৰতিজন ছাত্ৰ-ছাত্ৰীক এখন ফুলাম গামোচা, জাপি, মানপত্ৰ আৰু কিতাপৰ টোপোলাৰে সম্বৰ্দ্ধনা জনায়। বিদ্যালয় খনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৯৬ শতাংশ নম্বৰ লাভ কৰা ছুমায়া আহমেদক ৫১ হেজাৰ টকাৰ এক চেক বিদ্যালয়খনৰ পৰা প্ৰদান কৰে। উক্ত সম্বৰ্দ্ধনা সভাত উপস্থিত থাকে হাতীচোং কলেজৰ ইংৰাজী বিভাগৰ প্ৰবক্তা নেকিবুৰ জামান, নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক লুতফুৰ ৰহমানৰ লগতে বহু গণ্য-মান্য ব্যক্তিসকল।

## ৰূপহীহাটৰ নম্বৰীত পথৰ পৰা বাগৰিল ডাম্পাৰ। আহত ২

**অসম বাৰ্তা, ৰূপহীহাট, ৮ মে'ঃ** ৰূপহীহাটৰ নম্বৰীত এক পথ দুৰ্ঘটনা সংঘটিত হয়। এখন তীব্ৰ বেগী ডাম্পাৰে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত বাগৰি পৰি সংঘটিত হয় এই দুৰ্ঘটনাটো। দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হয় চালক আৰু হেণ্ডিমেন। স্থানীয় ৰাইজৰ তৎপৰতাত আহত দুজনক চিকিৎসালয়ত ভৰ্তি কৰায়। উল্লেখ্য যে নগাঁও-নলতলী ৰাজ্যিক ঘাইপথেৰে প্ৰশাসনৰ আইন অমান্য কৰি অনুজ্ঞাপত্ৰ বিহীনভাৱে বহু দিনৰ পৰাই চলি আছে মাটি ভৰ্ত্তি ডাম্পাৰ আৰু ট্ৰেক্টৰৰ দৌৰাত্ম্য। একাংশ মাটিৰ ব্যৱসায়ীয়ে ৰাজ্যিক ঘাইপথেৰে অনুজ্ঞাপত্ৰ বিহীন চালকৰ হতোৱাই ট্ৰেক্টৰ ও ডাম্পাৰ ভৰ্তি মাটি কঢ়িওৱাৰ ফলত এনে দুৰ্ঘটনা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

## দুৰ্ঘটনাগ্ৰস্ত যুৱকৰ মৃতদেহ লৈ দুৰ্ঘটনা ঘটোৱা যুৱকৰ পদূলিত প্ৰতিবাদ

**অসম বাৰ্তা, চেলেংহাট, ৮ মে'ঃ** আমগুৰি নগৰৰ ছয় নং ৱাৰ্ড তথা অভয়াপুৰীয়া গাঁৱৰ কৌশিক গগৈ (১৯ ) নামৰ দুৰ্ঘটনাগ্ৰস্ত যুৱকজনৰ আজি চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। যোৱা ২৩ এপ্ৰিলৰ দিনা শিৱসাগৰৰ প্ৰগতিৰ ওচৰত গুৰুতৰভাৱে দুৰ্ঘটনাগ্ৰস্ত হোৱা কৌশিক একে গাঁৱৰে জনৈক পঙ্কজ নামৰ অতি বিতৰ্কিত, নানা অবৈধ কাৰ্য্যত জড়িত বুলি সততে অভিযোগ থকা যুৱকজনৰ সৈতে মটৰ চাইকেলেৰে শিৱসাগৰলৈ যায়। তীব্ৰ বেগত যোৱা আৰোহী পঙ্কজে প্ৰগতি হস্পিটেলৰ ওচৰৰ ডিভাইডাৰত খুন্দা মৰাত কৌশিক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় যদিও পঙ্কজৰ বিশেষ কোনো ক্ষতি নহ'ল। দুৰ্ঘটনাগ্ৰস্ত কৌশিকক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়ৰ শ্ৰীমন্ত শঙ্কৰদেৱ নাৰ্চিং হ'মত ভৰ্তি কৰে যদিও আজি তেওঁৰ স্বাস্থ্যৰ অধিক অৱনতি হৈ মৃত্যু হয়। আমগুৰিৰ প্ৰাক্তন পৌৰপতি জ্যোতি প্ৰসাদ গগৈৰ ভাতৃ জয়ন্ত গগৈৰ জ্যেষ্ঠ পুত্ৰ কৌশিকৰ কমাৰ্চ কলেজৰ বি.কম. তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ আছিল। আজি তেওঁৰ মৃত্যু হোৱাত পৰিয়াল আৰু গঞা ৰাইজে খঙত কৌশিকৰ শৱদেহ পঙ্কজৰ ঘৰলৈ লৈ গৈ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য এই পঙ্কজ নামৰ যুৱকটোৰ বিৰুদ্ধে নানা অনৈতিক তথা অসামাজিক কৰ্মৰ অভিযোগ আছে। উল্লেখ্য যে আজি দুবছৰৰ আগতে এই পঙ্কজৰ ঘৰৰ মাটিত থকা অঙ্গনবাড়ী কেন্দ্ৰ তথা ভাড়াঘৰত ডিব্ৰুগড়ৰ এজন ডাম্পাৰ চালকে অতিৰিক্ত ড্ৰাগছ সেৱন কৰি মৃত্যু সাৱটি লোৱাৰ কথাও সৰ্বজনবিদিত। উল্লেখ্য যে প্ৰশাসনে নিৰ্বাচন বিধি তথা নিৰ্বাচনী ব্যস্ততাৰ সুৰুঙা লৈ আমগুৰি, হালোৱাটিঙত ড্ৰাগছ, অবৈধ সুৰা, কয়লা, চুপাৰি আদিৰ কলা ব্যৱসায় পুনৰ ৰমৰমীয়া হৈ পৰাৰো অভিযোগ উত্থাপন হৈছে।

## আমগুৰি পৌৰসভাৰ চৰকাৰী মনোনীত প্ৰতিনিধি অভীপ্সিত শইকীয়াৰ পদত্যাগ

**অসম বাৰ্তা, চেলেংহাট, ৮ মে'ঃ** আমগুৰি পৌৰসভাৰ চৰকাৰী মনোনীত সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰি অহা অভীপ্সিত শইকীয়াই আজি তেওঁৰ পদৰীৰপৰা পদত্যাগ কৰে। উল্লেখ্য যে তদানীন্তন আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাৰ অতি ঘনিষ্ঠ হিচাপে পৰিচিত অভীপ্সিতে অগপ দলৰ হৈ চৰকাৰৰ মনোনীত সদস্য হিচাপে নিৰ্বাচিত হৈছিল। সম্প্ৰতি তেওঁ ৰাইজৰ দলৰ এজন সক্ৰিয় নেতা। আজি আমগুৰিৰ পৌৰপতিৰ যোগেদি তেওঁ অসমৰ ৰাজ্যপাললৈ নিজৰ পদত্যাগ পত্ৰ প্ৰেৰণ কৰে আৰু এক সংবাদমেলৰ যোগেদি তেওঁ পদত্যাগ কৰাৰ কথা ঘোষণা কৰে। উল্লেখ্যযোগ্য যে অভীপ্সিতে আমগুৰি পৌৰসভাৰ অন্তৰ্গত ২নং ৱাৰ্ডত থকা শান্তিবন শ্মশানৰ ৪০ লাখ টকীয়া মেৰামতি কাৰ্য্যত অগপ দলৰ ঘনিষ্ঠ ঠিকাদাৰে পুৰণি সীমাৰ ৱালত নতুনকৈ কেইজাপমান দেৱাল গাঁঠি দিয়াৰ ফলত এজাক ডাঙৰ বৰষুণতে সেই দেৱাল খহি পৰে। শইকীয়াই এনে দুৰ্নীতি আৰু অনিয়মৰ বিৰুদ্ধে সৰব হৈ প্ৰতিবাদ সাব্যস্ত কৰিছিল আৰু পৌৰসভাই কামটো বন্ধ ৰাখিছিল যদিও তদানীন্তন অগপ বিধায়ক প্ৰদীপ হাজৰিকাই মিলিজুলি কাম কৰিবলৈ এখন পত্ৰ আমগুৰি পৌৰসভাৰ পৌৰপতিলৈ প্ৰেৰণ কৰাত পুনৰ একেজন ঠিকাদাৰকে বাহাল ৰাখে।

## শিৱসাগৰত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সম্পাদক তথা জেষ্ঠ মুখপাত্ৰ মনোৰঞ্জন বৰগোঁহাইৰ সংবাদমেল

**অসম বাৰ্তা, জয়সাগৰ, ৮ মে'ঃ** শিৱসাগৰ নগৰৰ ৰংপুৰজ্যোতি ক্লাৱত এক সংবাদ মেল সম্বোধন কৰে বৰগোঁহাইয়ে। কংগ্ৰেছ দলৰ সৈতে থকা ৩৩ বছৰীয়া সম্পৰ্ক ছেদ কৰি ৰাষ্ট্ৰীয় দলটোৰ নেতৃত্বক লৈ আজি ক্ষোভ উজাৰে মনোৰঞ্জন বৰগোঁহাইয়ে। সংবাদ মেলত তেওঁ তীব্ৰ ক্ষোভ উজাৰি কংগ্ৰেছ দলৰ পৰা আনুষ্ঠানিক ভাৱে পদত্যাগ ঘোষণা কৰে। বিগত দিনবোৰত এনএছইউআইৰ পৰা আৰম্ভ কৰি, মণ্ডল, জিলা তথা প্ৰদেশ কংগ্ৰেছৰ দায়িত্ব পালন একাগ্ৰতাৰে দায়িত্ব পালন কৰাৰ পাছতো এই দলটোৰ পৰা প্ৰকৃত কৰ্মীয়ে আদৰ লাভ নকৰে বুলি অভিযোগ আনে। আনহাতে বৰ্তমান গৌৰৱ গগৈৰ নেতৃত্বত কংগ্ৰেছ দলটো চূড়ান্ত অনুশাসনহীনতা, বান্দৰামী আৰু পাগলামীৰ মাজত চলিছে। আজিৰ দিনত কংগ্ৰেছ দলটোৱে ভুলৰ পৰা শিক্ষা লাভ নকৰে। লগতে তেওঁ কয় যে কংগ্ৰেছ দলে মুখত কয় দলটোৰ হৈ টিকটৰ দাবীদাৰ তৃণমূলৰ লগত জড়িত লোকে লাভ কৰিব, কিন্তু বাস্তৱত যি লোকে শীৰ্ষ নেতাক তৈলমৰ্দন কৰিব পাৰিব তেওঁকহে দলে গুৰুত্ব প্ৰদান কৰে। আনহাতে প্ৰদ্যুৎ বৰদলৈৰ প্ৰসংগ টানি তেওঁ কয় যে কংগ্ৰেছ দলৰ নেতৃত্বই দলৰ বিৰুদ্ধে কাম কৰা লোকক লৈ কোনো ব্যৱস্থা গ্ৰহণ নকৰে। দলটোত একাগ্ৰতাৰে কাম কৰা আৰু জেষ্ঠ লোকৰ গুৰুত্ব নোহোৱা হৈ গৈছে। যাৰ বাবে দলটো এতিয়া একাগ্ৰতাৰে কাম কৰা আৰু দলটোৰ উন্নতি কামনা কৰা লোকৰ বাবে অনুপযোগী হৈ পৰিছে। আনহাতে আজিৰ সংবাদ মেলত তেওঁ প্ৰত্যক্ষভাৱে গৌৰৱ গগৈক আক্ৰমণৰ লক্ষ্য কৰি লৈ কয় যে তেওঁ এজনজন সম্পৰ্কহীন নেতা। তেওঁৰ সাক্ষাৎ লাভৰ বাবে মোৰ দৰে সাধাৰণ সম্পাদকে মাহ মাহ ধৰি অপেক্ষা কৰিব লাগে। তেন্তে সাধাৰণ জনতাই তেওঁৰ সাক্ষাৎ কেনেকৈ পাব বুলি তেওঁ প্ৰশ্ন কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি এজনৰ দলটোৰ কৰ্ম-কৰ্তাৰ প্ৰতি থকা দায়িত্ব তেওঁ পালন নকৰে। সমষ্টি উন্নয়নৰ বাবে তেওঁৰ হাতত সময় নাই। আজিলৈকে তেওঁ নিজৰ লোকসভা সমষ্টিৰ উন্নয়নৰ বাবে কোনো জিলা প্ৰশাসন, পঞ্চায়ত, পৌৰ নিকায় সমিতিৰ লগত পৰিকল্পনা কৰিবলৈ তেওঁৰ হাতত সময় নাই। আনহাতে তেওঁ কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সম্পাদক জীতেন্দ্ৰ সিঙকো তীব্ৰ সমালোচনা কৰি মুৰ্খ আখ্যা দিয়ে। শেষত বৰগোঁহাইয়ে কেৱল তুষ্টিকৰণক দলীয় সেৱাৰ মাপকাঠি বুলি গণ্য কৰা এই দলটোত অন্ধকাৰৰ বাদে কোনো ভৱিষ্যত নাই বুলি তেওঁ কংগ্ৰেছ দলৰ সকলো দায়িত্বৰ লগতে প্ৰাথমিক সদস্য পদৰ পৰা মনোৰঞ্জন বৰগোঁহাইয়ে পদত্যাগ কৰে।

## ডিমাকুছি ই-মিডিয়া ফ'ৰামৰ ব'হাগী উৎসৱ

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৮ মে'ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত ডিমাকুছি ই-মিডিয়া ফ'ৰামৰ উদ্যোগত বিগত বছৰৰ দৰে এই বেলিও বৃহত্তৰ ডিমাকুছিবাসী ৰাইজৰ সহযোগত অহা ২৬ ব'হাগ ইং ১০ মে', দেওবাৰে দিনযোৰা কাৰ্য্যসূচীৰে ব'হাগী উৎসৱ উদ্‌যাপন কৰিবলৈ প্ৰস্তুতি চলায়। কাৰ্যসূচী অনুসৰি উক্ত দিনা ৰাতিপুৱা ৯ বজাত ব'হাগী উৎসৱৰ পতাকা উত্তোলন কৰিব ডিমাকুছি ই-মিডিয়া ফ'ৰাম সভাপতি পৱন নাথে। অসমৰ সাংস্কৃতিক জগতৰ মহীৰূহ ড° ভূপেন হাজৰিকা আৰু কিংবদন্তী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব মঙ্গলদৈ শাখা চাহ কৰ্মচাৰী সংঘ প্ৰাক্তন সভাপতি নৃপেন্দ্ৰ গোস্বামী আৰু ভেৰগাঁও জিলা কোচ-ৰাজবংশী সন্মিলনীৰ কাৰ্য্যকৰী সভাপতি ধৰ্মকান্ত দাসে। ৰাতিপুৱা ১০ বজাত আন্তঃ বিদ্যালয়, মহাবিদ্যালয় কুইজ প্ৰতিযোগিতা দশম শ্ৰেণীৰ পৰা দ্বাদশলৈ উদ্বোধন কৰিব অসম গোৰ্খা সন্মিলন, মহিলা কোষৰ সভানেত্ৰী কল্পনা শৰ্মাই। পৰিচালনা কৰিব প্ৰেচিডেন্সি কনিষ্ঠ মহাবিদ্যালয় টংলাৰ অধ্যক্ষ মোহন শৰ্মাই। লগতে পৰিচালনা সহযোগী হিচাপে থাকিব শিক্ষক তিলক ডেকাই। আবেলি ৫ বজাত অনুষ্ঠিত হব জ্যেষ্ঠ ব্যক্তি সকললৈ বিহুৰ ওলগ। অনুষ্ঠান আত ধৰিব ডিমাকুছি ই-মিডিয়া ফ'ৰামৰ জ্যেষ্ঠ পৰামৰ্শদাতা অধ্যক্ষ ৰুদ্ৰ ডেকাই। সন্ধিয়া ৬ বজাত বিহুতলি উন্মোচন কৰিব টি.চি.এল.চি.চি. ভেৰগাঁৱৰ অধ্যক্ষ বিক্ৰম দৈমাৰীয়ে। ব'হাগী উৎসৱৰ অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব প্ৰাক্তন বিধায়িকা কমলী বসুমতাৰী, নৈনে চেৰফাং পৰিষদীয় সমষ্টিৰ পাৰিষদ পল' টপ্প, বিশিষ্ট সমাজসেৱক জোশ্ৰাং বড়ো, বি.টি.চি প্ৰাক্তন কাৰ্যবাহী পাৰিষদ সঞ্জিত তান্তী, পানেৰি সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক বিকন ডেকা, সমাজ সেৱক অজয় ডেকা, বিজয় বৈশ্য, জয়ন্ত ঠাকুৰীয়া, ডিমাকুছি থানাৰ ভাৰাপ্ৰাপ্ত আৰক্ষী বিষয়া সুমন সাহা, ওদালগুৰি জিলা আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি শিবদত তান্তি লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকিব লগা অনুষ্ঠানত সকলো ৰাইজৰ উপস্থিতি তথা সৰ্বতো প্ৰকাৰৰ সহায়- সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে ডিমাকুছি ই-মিডিয়া ফ'ৰামৰ সভাপতি পৱন নাথ, জ্যেষ্ঠ পৰামৰ্শদাতা ৰুদ্ৰ ডেকা আৰু সম্পাদক পিংকু কলিতাই।

## জাগুন লামা ঘাটৰ টিৰাপ নৈত কিশোৰ সন্ধানহীন

**অসম বাৰ্তা বিশেষ, জাগুন, ৮ মে' ঃ** মাৰ্ঘেৰিটা সম জিলাৰ টিৰাপ নৈৰ জাগুন লামা ঘাটত এজন কিশোৰ নৈত সন্ধানহীন। সন্ধানহীন কিশোৰ গৰাকী জাগুন ২নং ৰামপুৰৰ সিদ্ধাৰ্থ তামাং (১০) বুলি জানিব পৰা গৈছে। ঘটনা অনুসৰি কিশোৰ গৰাকীয়ে টিউচনৰ বাবে অৰ্জুন ছেত্ৰী নামৰ সমনীয়া গৰাকীৰ সৈতে ঘৰৰ পৰা ওলাই গৈছিল। টিউচনৰ পৰিবৰ্তে দুয়োগৰাকীয়ে লামা ঘাটৰ টিৰাপ নৈৰ দিশে অগ্ৰসৰ হয় আৰু পৰৱৰ্তী সময়ত দুয়ো কিশোৰ একেলগে নৈত গা ধোৱৰ বাবে পানীত নামি সাঁতুৰিব ধৰে। কালক্ৰমত খৰস্ৰোতা নৈৰ সোঁতত দুয়োগৰাকী কিশোৰ উটি যাবলৈ ধৰে। সেই সময়ত নৈৰ পাৰত নিজৰ খেতিৰ পৰা আহি থকা ৰতন শইকীয়া নামৰ ৰামপুৰ সোণোৱাল গাঁৱৰ ব্যক্তিজনে ঘটনাটো প্ৰত্যক্ষ কৰে আৰু লগে লগে পানীৰ গভীৰ ভাগত ডুব যাবলৈ লোৱা কিশোৰ দুগৰাকীক উদ্ধাৰ কৰিবলৈ চেষ্টা কৰে। ইয়াৰে অৰ্জুন ছেত্ৰী নামৰ কিশোৰ গৰাকীক সৌভগ্য ক্ৰমে জীৱন্তে উদ্ধাৰ কৰিবলৈ সক্ষম হয় যদিও সিদ্ধাৰ্থ তামাং নামৰ কিশোৰ গৰাকীক উদ্ধাৰ কৰিবলৈ সক্ষম নহ'ল। ঘটনাস্থলীত জাগুন আৰক্ষীৰ দল উপস্থিত হৈ ঘটনাৰ তদন্ত অব্যাহত ৰখাৰ লগতে কিশোৰ গৰাকীৰ উদ্ধাৰৰ বাবে SDRF বাহিনীক নিয়োজিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। বাতৰি লিখা পৰলৈ সিদ্ধাৰ্থ তামাং নামৰ কিশোৰ গৰাকীৰ কোনোধৰণৰ সন্ধান লাভ কৰা হোৱা নাই।

## বৰপেটাৰোডত ১৫০ বটল নিষিদ্ধ কফ চিৰাপসহ আন্তঃৰাজ্যিক সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, বৰপেটাৰোড, ৮ মে' ঃ** ৰাজ্যজুৰি ড্ৰাগছ তথা নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে আৰক্ষীয়ে চলোৱা অভিযানৰ মাজতে যোৱানিশা বৰপেটাৰোডত আৰক্ষীয়ে এক বৃহৎ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। পশ্চিমবংগৰ পৰা সৰবৰাহ কৰি অনা বুজন পৰিমাণৰ নিষিদ্ধ কফ চিৰাপসহ এজন কুখ্যাত সৰবৰাহকাৰীক আৰক্ষীয়ে আটক কৰে। প্ৰাপ্ত খবৰ অনুসৰি, বৰপেটাৰোডৰ সাতভনীটুপ অঞ্চলত নিষিদ্ধ সামগ্ৰীৰ সৰবৰাহ হোৱাৰ এক গোপন তথ্য আৰক্ষীৰ হাতত পৰিছিল। সেই তথ্যৰ আধাৰত আৰক্ষীৰ এটা দলে চলোৱা তীব্ৰ অভিযানত মাজগাঁৱৰ নিবাসী তাৰামিয়াৰ পুত্ৰ শানিদুল হকক আটক কৰে। তালাচীৰ সময়ত শানিদুলৰ জিম্মাৰ পৰা ১৫০ বটল নিষিদ্ধ কফ চিৰাপ উদ্ধাৰ কৰে। কেৱল কফ চিৰাপেই নহয়, এখন বিলাসী চাৰিচকীয়া বাহন (নম্বৰ WB 64D 5394) আৰু এটা মোবাইল ফোনো জব্দ কৰিছে। আৰক্ষীৰ প্ৰাথমিক তদন্তত ধৃত শানিদুলে নিষিদ্ধ কফ চিৰাপসমূহ পশ্চিমবংগৰ পৰা অতি কৌশলেৰে সৰবৰাহ কৰি অনা বুলি স্বীকাৰ কৰিছে। বৰ্তমান বৰপেটাৰোড আৰক্ষীয়ে অভিযুক্ত শানিদুলক অধিক তথ্যৰ বাবে জেৰা চলাই আছে। এই বৃহৎ আন্তঃৰাজ্যিক ড্ৰাগছ সৰবৰাহকাৰী চক্ৰটোৰ সৈতে আৰু কোন কোন জড়িত আছে, সেই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত প্ৰক্ৰিয়া তীব্ৰতৰ কৰি তুলিছে। বৰপেটাৰোডৰ দৰে ব্যৱসায়িক কেন্দ্ৰত গা কৰি উঠা ড্ৰাগছৰ অবৈধ বেহা ৰোধ কৰিবলৈ আৰক্ষীয়ে গ্ৰহণ কৰা এই তৎপৰতাক এতিয়া সচেতন ৰাইজে একেমুখে প্ৰশংসা কৰিছে।

# লোকশিল্পী, শঙ্কৰী নৃত্য গীতৰ সাধক বদন চন্দ্ৰ শইকীয়াৰ মৃত্যু

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৮ মে'ঃ** গোলাঘাট জিলাৰ এগৰাকী বৰেণ্য লোকশিল্পী, শঙ্কৰী নৃত্য গীতৰ সাধক বদন চন্দ্ৰ শইকীয়া (৭৮)ৰ আজি পুৱা ঢেকীয়াল মৌজাৰ হালোৱা গাঁৱৰ নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। কিছুদিন শাৰীৰিকভাৱে অসুস্থ হৈ থকা শইকীয়াই শিশু অৱস্থাৰ পৰাই অসমীয়া লোক সংগীতৰ পথাৰত খোজ পেলাই পৰৱৰ্তী সময়ত নিজা প্ৰচেষ্টাত হুঁচৰি, বিহু, ৰাস আৰু অংকীয়া ভাওনা নৃত্য গীতৰ এগৰাকী প্ৰতিষ্ঠিত শিল্পী তথা প্ৰশিক্ষক হিচাপে জনপ্ৰিয় হৈ পৰে। ১৯৮৩ চনত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ বিহু নামৰ এগৰাকী যশস্বী শিল্পীৰূপে প্ৰতিষ্ঠা লাভ কৰা বদন শইকীয়াক ১৯৮৭ চনত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ শ্ৰেষ্ঠ বিহুগীতৰ শিল্পী হিচাপে স্বীকৃতি পোৱাৰ উপৰি অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ পৰা বিহু নাচৰ শ্ৰেষ্ঠ শিল্পী আৰু শ্ৰেষ্ঠ বিহু বিচাৰকৰ সন্মান অৰ্জন কৰিছিল। নৃত্যাচাৰ্য যতীন গোস্বামী আৰু শিল্পী আনন্দ মোহন ভাগৱতীৰ দৰে সাধকৰ সান্নিধ্য লাভ কৰি এগৰাকী সফল লোকশিল্পী তথা প্ৰশিক্ষক হিচাপে প্ৰতিষ্ঠিত হৈ পৰা শইকীয়া ৰাসোৎসৱ আৰু অংকীয়া ভাওনাৰ নৃত্য গীতৰো এগৰাকী শিল্পী আৰু প্ৰশিক্ষক জনপ্ৰিয় হৈ পৰিছিল। ১৯৯০ চনত বদন শইকীয়াৰ নেতৃত্বত 'ৰাম বিজয়' অংকীয়া ভাওনাখন গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰ যোগে প্ৰচাৰ হৈছিল। অসমৰ লোককৃষ্টি তথা শঙ্কৰী সংস্কৃতিলৈ অনবদ্য অৱদান আগবঢ়োৱাৰ বাবে বদন চন্দ্ৰ শইকীয়ালৈ গোলাঘাট জিলাৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে বিভিন্ন বঁটা বাহনৰ উপৰিও ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰিছিল। এই ক্ষেত্ৰত দেৰগাঁও কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনে আগবঢ়াইছিল 'জিকিৰ সম্ৰাট ৰেকিবুদ্দিন আহমেদ সোঁৱৰণী বঁটা'। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী একনিষ্ঠ সেৱক শইকীয়া সংঘৰ গোলাঘাট মধ্য আঞ্চলিকৰ সংস্কৃতি শাখাৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও নিজ গাৱঁত দীপক শইকীয়া সোঁৱৰণী সঙ্গীত বিদ্যালয় আৰম্ভ কৰি শঙ্কৰী নৃত্য গীতৰ প্ৰতি নতুন প্ৰজন্মক আকৰ্ষিত কৰাৰ বাবে প্ৰচেষ্টা চলাই আহিছিল। এইগৰাকী বৰেণ্য শিল্পীৰ দেহাৱসান বাতৰি বিয়পি পৰাৰ লগে লগে শইকীয়াৰ গৃহত যথেষ্ট গুণমুগ্ধ সমবেত হৈ আজন্ম শিল্পী গৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা নিবেদন কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ হৈ বিদ্যাধৰ শইকীয়া, বিনন্দ শইকীয়া, খনিকৰ (মিছামৰা) ৰঙালী বিহু উৎসৱ সমিতিৰ হৈ অৰুণ বিকাশ বৰুৱা, সমাজকৰ্মী গোপাল কৃষ্ণ খাউণ্ড, বৰগুৰি অঞ্চলৰ পৰেশ শৰ্মা, সংঘৰ স্থানীয় নৱজ্যোতি প্ৰাথমিক শাখা আদিকে ধৰি বহু লোকে গামোছা, পুষ্পমাল্যৰে শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। মৃত্যুৰ সময়ত তেওঁ তিনিজন পুত্ৰ সহ বোৱাৰী, তিনি গৰাকী জী জোঁৱাই আৰু নাতি নাতিনীকে ধৰি বহু আত্মীয়ক এৰি গৈছে।

## বৰপেটাৰোডত ড্ৰাগছ বিৰোধী অভিযানত ৩১টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰসহ এজন আটক

**অসম বাৰ্তা, বৰপেটাৰোড, ৮ মে' ঃ** ৰাজ্যজুৰি অব্যাহত থকা ড্ৰাগছ বিৰোধী অভিযানৰ মাজতে বৰপেটাৰোড আৰক্ষীয়ে পুনৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হৈছে। বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত চলিছিল এই অভিযান। ধৃত সৰবৰাহকাৰীজনৰ পৰিচয় হৈছে বক্কৰ আলীৰ পুত্ৰ আনোৱাৰ হুচেইন(৩২) বুলি জানিব পৰা গৈছে। হুচেইনৰ ঘৰ বৰপেটাৰোডৰ জাখলিবিল পথাৰত। আৰক্ষীয়ে তেওঁৰ জিম্মাৰ পৰা ৩১টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ উদ্ধাৰ কৰিছে। জব্দ কৰা ড্ৰাগছখিনিৰ মুঠ ওজন প্ৰায় ৯ গ্ৰাম বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। বৰ্তমান বৰপেটাৰোড আৰক্ষীয়ে ধৃত আনোৱাৰ হুচেইনক আটক কৰি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে। এই চক্ৰটোৰ সৈতে আন কোনো জড়িত আছে নেকি, সেই দিশতো আৰক্ষীয়ে তদন্ত চলাই আছে।

## লোকনিৰ্মাণ বিভাগক সাত দিনৰ সময়সীমা, অন্যথা পথ অৱৰোধৰ হুংকাৰ

# বিধ্বস্ত অসম ট্ৰাংক ৰোডৰ মেৰামতিৰ দাবীত দাবী পত্ৰ ‘আছু’ৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, শিৱসাগৰ, ৮ মে’ ঃ** ঐতিহাসিক শিৱসাগৰ নগৰৰ পৰা যোৰহাট সংযোগী মূল পথ অসম ট্ৰাংক ৰোডৰ বিধ্বস্ত অৱস্থাৰ ক্ষেত্ৰত লোকনিৰ্মাণ বিভাগৰ তীব্ৰ হেমাহিৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰিছে শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থা। দীৰ্ঘদিন ধৰি এই পথটোৰ জৰাজীৰ্ণ অৱস্থাই জনসাধাৰণক যাতায়তৰ ক্ষেত্ৰত দুৰ্ভোগ ভোগাই অহাৰ ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী উত্থাপন কৰে আছুৱে। আজি শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মানস প্ৰতীম বৰুৱা, সাধাৰণ সম্পাদক মনজিৎ হাজৰিকা, আছু নেতা পাৰ্থ প্ৰতিম বৰুৱা, জীপম বড়া আৰু মানস প্ৰতীম দত্তৰ নেতৃত্বত যোৱা ছাত্ৰ সন্থাৰ এটা সঁজাতী দলে লোকনিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তাগৰাকীক সাক্ষাৎ কৰি এখন দাবী পত্ৰ প্ৰদান কৰে। আছু’ৰ দাবী পত্ৰত ঐতিহাসিক শিৱসাগৰ চহৰৰ সংযোগী মূল পথ তথা শিৱসাগৰ অসামৰিক চিকিৎসালয়, জিলা সদৰৰ মূল চৰকাৰী কাৰ্যালয়, বহু শিক্ষানুষ্ঠান, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ উপৰি প্ৰাচীন কীৰ্তিচিহ্নসমূহৰ সংযোগী অতি গুৰুত্বপূৰ্ণ পথটোৰ মেৰামতিৰ ক্ষেত্ৰত লোকনিৰ্মাণ বিভাগে বাস্তৱসন্মত ব্যৱস্থা গ্ৰহণ নকৰাত তীব্ৰ বিযোদগাৰ প্ৰকাশ কৰিছে। উক্ত দাবী পত্ৰত পথটোৰ ভটিয়াপাৰৰ পৰা জয়সাগৰ তিনিআলি পৰ্যন্ত ঠায়ে ঠায়ে সৰু-বৰ গাঁতৰ সৃষ্টি হোৱাৰ লগতে বহু অংশত পথটো ভাগি যোৱা পৰিলক্ষিত হৈছে ইয়াৰোপৰি জয়সাগৰ তিনিআলিৰ পৰা দিখৌ দলঙৰ সমীপলৈকে কিছু কিছু অংশত পথটি বিধ্বস্ত হৈ বৃহৎ বৃহৎ গাঁতৰ সৃষ্টি হোৱাৰ উপৰিও পথটিৰ দুয়োকাষে চাইড বাম সমূহ নথকাৰ বাবে জনসাধাৰণে বিপদশংকুল ভাৱে যাতায়ত কৰিবলগীয়া হৈছে। উক্ত পথটিৰে যাত্ৰীবাহী সৰু-বৰ যান-বাহন আৰু ব্যক্তিগত যান-বাহনৰ সঘন যাতায়াত হোৱাৰ বিষয়ে উনুকিয়াই দি পথৰ দুৰৱস্থাৰ ফলত বহু সময়ত দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতো বাস্তৱসন্মত পদ্ধতিৰে পথটোৰ মেৰামতি আৰু পুনৰ নিমাৰ্ণৰ ক্ষেত্ৰত বিভাগটোৱে যাৱতীয় ব্যৱস্থা গ্ৰহণ নকৰাত ‘আছু’ৱে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। উক্ত দাবী পত্ৰতে অহা সাত দিনৰ ভিতৰত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণেৰে বাস্তৱসন্মত পদ্ধতিৰে পথটো যাতায়াতৰ সুচল হোৱাকৈ মেৰামতি কৰাৰ লগতে শীঘ্ৰে পথটোৰ পুনৰ নিমাৰ্ণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে ছাত্ৰ সন্থাই পথ অৱৰোধৰ দৰে কঠোৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি স্পষ্ট কৰি দিছে।

# মাকুম ৰাজগড় আলি চাহ বাগিছাত মহিলাৰ অগ্নিদগ্ধৰ ঘটনা

**অসম বাৰ্তা, মাকুম, ৮ মে’ ঃ** আজি পুৱতি নিশা মাকুম ৰাজগড় আলি চাহ বাগিছাৰ মাজ লাইনত এক মৰ্মান্তিক ঘটনা সংঘটিত হয়। মাজ লাইনৰ চুক্ৰা ওৰাং নামৰ লোক জনৰ পত্নী বিন্দু ওৰাং (৫৫) শুই থকা অৱস্থাত অগ্নিদগ্ধ হৈ মৃত্যু হয়। জানিবলৈ পোৱা তথ্য অনুসৰি দুয়ো স্বামী-স্ত্ৰীয়ে সুৰাপান কৰি নিশা কাষতে ম’ম জ্বলাই শুই আছিল, ম’ম ডাল গলি যোৱাৰ পাছত মহিলা গৰাকীয়ে গাত লোৱা কাপোৰত অগ্নি সংযোগ হৈ মহিলা গৰাকী অগ্নিদগ্ধ হয়। পুৱাৰ ভাগত চিকিৎসালয়লৈ নিয়াৰ পূৰ্বে মহিলা গৰাকী মৃত্যু হয়। ঘটনা স্থলীত লাংকাঁচি চকীৰ ভাৰ প্ৰাপ্ত আৰক্ষী বিষয়া প্ৰেমেশ্বৰ শইকীয়া সহ আৰক্ষী দল উপস্থিত হৈ মৃত দেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

# বকতা দিহিঙ্গীয়া গাঁৱত ব’হাগী বিদায়ৰ প্ৰস্তুতি

**অসম বাৰ্তা, বকতা, ৮ মে’ ঃ** বকতা চুহুংমুং যুৱ সংঘ আৰু বকতা দিহিঙ্গীয়া গাঁওবাসীৰ উদ্যোগত অহা ১৭ মে’ত বকতা দিহিঙ্গীয়া গাঁৱৰ চুহুংমুং সমন্বয় ক্ষেত্ৰত ব’হাগী বিদায়ৰ লগতে হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা স্থানীয় শিক্ষাৰ্থীসকলৰ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানটোৰ কাৰ্যসূচীত কণী যুঁজ প্ৰতিযোগিতা, চিত্ৰাংকণ প্ৰতিযোগিতা, বিহু নৃত্য প্ৰতিযোগিতা, আমন্ত্ৰিত হুঁচৰি দলৰ বিহু প্ৰদৰ্শন, বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান, আমন্ত্ৰিত শিল্পীৰ সংগীতানুষ্ঠান আদি সন্নিৱিষ্ট কৰা হৈছে। উদ্যোক্তাসকলে জানিবলৈ দিয়া অনুসৰি উক্ত অনুষ্ঠানতে অঞ্চলটোৰ পৰা চলিত বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক অভিনন্দন তথা সম্বৰ্দ্ধনা জ্ঞাপন কৰা হ’ব।

# ৰূপহীহাটৰ কাৱৈমাৰী এফআৰইউত নাৰ্চক অশালীন ইংগিত দি ৰঙাঘৰৰ আলহী হ’ল চতুৰ্থ বৰ্গৰ কৰ্মচাৰী নুৰ মহম্মদ

**অসম বাৰ্তা, ৰূপহীহাট, ৮ মে’ ঃ** ৰূপহীহাটৰ কাৱৈমাৰী এফআৰইউত যোৱা ৪ এপ্ৰিলৰ নিশা এগৰাকী নাৰ্চক অশালীন ইংগিত প্ৰদান কৰে চতুৰ্থ বৰ্গৰ কৰ্মচাৰী নুৰ মহম্মদে। যাৰ বাবে নাৰ্চ গৰাকীয়ে নুৰ মহম্মদৰ বিৰুদ্ধে কাৱৈমাৰী আৰক্ষী পহৰা চকীত এক এজাহাৰ দাখিল কৰে। কাৱৈমাৰী আৰক্ষীয়ে যোৱানিশা এজাহাৰৰ ভিত্তিতনুৰ মহম্মদক আটক কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে।

# বিধানসভা নিৰ্বাচনৰ ফলাফলত ড° হিমন্ত বিশ্ব শৰ্মাক শুভেচ্ছা জ্ঞাপন অসম গোৰ্খা সন্মিলনৰ

**অসম বাৰ্তা, বাগানপাৰা, ৮ মে’ ঃ**অসম গোৰ্খা সন্মিলনৰ সভাপতি কৃষ্ণ ভূজেল, কাৰ্যকৰী সভাপতি প্ৰেম শৰ্মা আৰু মুখ্য সাধাৰণ সম্পাদক লক্ষ্মী ছেড়াইৰে যৌথভাৱে স্বাক্ষৰিত এক প্ৰেছ বিজ্ঞপ্তি যোগে উল্লেখ কৰিছে যে অসম বিধানসভা নিৰ্বাচনৰ ফলাফলত ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন এন ডি এয়ে অভূতপূৰ্ব বিজয় সাব্যস্ত কৰি নিৰকুংশ সংখ্যাগৰিষ্ঠতা লাভ কৰাত অসম গোৰ্খা সন্মিলনৰ কেন্দ্ৰীয় সমিতিয়ে আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। এই নিৰ্বাচনৰ ফলাফলে স্পষ্ট ভাৱে প্ৰতিফলিত কৰিছে যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে বিগত পাঁচ বছৰত ৰাজ্যজুৰি আগবঢ়োৱা উন্নয়নমুখী কাম-কাজ, সু-শাসন আৰুজন কল্যাণমূলক নীতি ব্যৱস্থাৰ প্ৰতি ৰাইজে অভূতপূৰ্ব সমৰ্থন জনাইছে। ইয়াৰ লগতে ৰাজ্যত বসবাস কৰা প্ৰতিটো জাতি জনগোষ্ঠীৰ আশা আকাংক্ষা পূৰণৰ ক্ষেত্ৰত চৰকাৰে দেখুওৱা আন্তৰিকতা আৰু সফলতাই এই নিৰ্বাচনত ৰাইজক প্ৰভাৱিত কৰিছে বুলি অসম গোৰ্খা সন্মিলনে মতপ্ৰকাশ কৰে। ফলস্বৰূপে অসমবাসীয়ে ভোট দান কৰি দলটো একেৰাহে তৃতীয় বাৰৰ বাবে ক্ষমতালৈ আনিবলৈ সহায় কৰিছে। প্ৰেছ বিজ্ঞপ্তি যোগে উল্লেখ কৰে যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিগত পাঁচ বছৰত গোৰ্খা জনগোষ্ঠীৰ বহুতো দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে যাৰ ফলত গোৰ্খা সমাজৰ মাজত আস্থা আৰু বিশ্বাসৰ পৰিৱেশ সৃষ্টি কৰিছে। আগন্তুক পাঁচ বছৰীয়া কাৰ্যকালটো এনেধৰণৰ উন্নয়নমুখী আৰুজন কল্যাণমূলক কাম অব্যাহত ৰাখি গোৰ্খা জনগোষ্ঠীৰ লগতে সমগ্ৰ অসমবাসীৰ আশা আকাংক্ষা পূৰণ কৰিব বুলি অসম গোৰ্খা সন্মিলনে গভীৰ আশা ব্যক্ত কৰিছে। ভাৰতীয় জনতা পাৰ্টী তথা এন ডি এৰ অংশীদাৰ দল সমূহে লাভ কৰা এই অভূতপূৰ্ব সফলতাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ভাৰতীয় জনতা পাৰ্টীৰ অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়া, এন ডি এৰ অংশীদাৰ দলৰ নেতৃত্ব ক্ৰমে অগপৰ অতুল বৰা, বিপিএফৰ হাগ্ৰামা মহিলাৰীৰ লগতে সকলো বিজয়ী প্ৰাৰ্থীক অভিনন্দন জ্ঞাপন কৰে অসম গোৰ্খা সন্মিলনৰ কেন্দ্ৰীয় সমিতিয়ে।

## নিম্নমানৰ পকী দলঙৰ কামে এতিয়া ভাবুকি কঢ়িয়াই আনিছে সাধাৰণ জনতাৰ

# টংলা পৌৰসভাৰ অন্তৰ্গত এম বি ৰোড আৰু দক্ষিণ নলবাৰীৰ পৰা টি বি ৰোড সংযোগী নায়িকা নদীৰ পকী দলঙৰ বিধ্বস্ত ৰূপ

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, টংলা, ৮ মে’ ঃ** ওদালগুৰি জিলাৰ অন্যতম বাণিজ্যিক কেন্দ্ৰ টংলা চহৰৰ মাজমজিয়াত থকা এখন পকী দলঙৰ বিধ্বস্ত ৰূপে ভাবুকি কঢ়িয়াই আনিছে সাধাৰণ জনতাৰ জীৱনলৈ। টংলা পৌৰ সভাৰ অন্তৰ্গত মঙলদৈ - ভূটিয়াচাং( এম বি) ৰোড আৰু দক্ষিণ নলবাৰীৰ পৰা টংলা - ভেৰগাঁও (টি বি ) ৰোড সংযোগী নায়িকা নদীৰ পকী দলঙৰ বিধ্বস্ত প্ৰায় অৱস্থাত ৰাইজে মৰন পণ লৈ যাতায়াত কৰিবলৈ বাধ্য হৈছে। টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়, টংলা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়, টংলা ইংলিছ মিডিয়াম হাই স্কুল, অৰুণোদয়, জাতীয় বিদ্যাদুৰ্বল অৱস্লথঅৰয় অসম টংলা, মহৰ্ষি বিদ্যা মন্দিৰ, নৰ্থ দৰং কনিষ্ঠ মহাবিদ্যালয়, অৰুনোই চিনিয়ৰ চেকেণ্ডেৰী স্কুল, পায়নিয়াৰ চিনিয়ৰ চেকেণ্ডেৰী স্কুল, প্ৰেছিডেন্সি চিনিয়ৰ চেকেণ্ডেৰী স্কুল আদি কেইবাখনো শিক্ষানুষ্ঠানত অধ্যয়ন কৰা ছাত্ৰ ছাত্ৰী আৰু অভিভাৱকসকল দৈনিক এই ভংগ্ন প্ৰায় পকী দলঙৰ ওপৰেৰে অহা যোৱা কৰিবলৈ বাধ্য হৈছে। আজিৰ পৰা প্ৰায় ১৫/২০ বছৰ পূৰ্বে টংলা নগৰ সমিতিয়ে চৰকাৰী আচঁনিৰ অধীনত এই গুৰুত্বপূৰ্ণ পকী দলঙৰ নিৰ্মাণ কাৰ্য্য কৰাৰ পিছত অতি নিম্ন মানৰ পকী দলঙৰ নিৰ্মাণ কৰাত এতিয়া ৰাইজৰ যাতায়াতৰ ক্ষেত্ৰত ব্যাঘাত জন্মিছে। অতি ঠেককৈ আৰু দলংখনৰ মূৰত অতি দুৰ্বল চাইড বামৰ লগতে অতি নিম্ন পৰ্যায়ৰ এপ্ৰচিং নিৰ্মাণ কৰাত নদীত অলপ পানী বাঢ়িলেই বিশেষকৈ বাৰিষা কালত দলংখনৰ পথৰ দুই মূৰ সংযোগী অংশ খহি থকাত যাতায়াতৰ ক্ষেত্ৰত ভাবুকি কঢ়িয়াই আনিছে। অতি ঠেক পকী দলংখনৰে সৰু চাৰি চকীয়া বাহন যেনেতেনে পাৰ হৈছিল যদিও দলং খনৰ দুৰ্বল অৱস্থাৰ বাবে চাৰি চকীয়া বাহনৰ যাতায়াত বন্ধ কৰিছে টংলা পৌৰ সভাই কেৱল দলংখনৰ দুই মূৰত লোৰ পাইপ দুডাল পুতি। বাইক, স্কুতি চাইকেল আদিৰ দ্বাৰা যাতায়াত বিশেষকৈ স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলৰ যাতায়ত বিপদ সংকুল হৈছে। খহি যোৱা বিশেষকৈ পূব দিশৰ মুৰটো সঘনাই খহি পৰিলে উক্ত গাতত মাটি ভৰোৱা বস্তা কেইটামান দিয়ে পৌৰ সভাই দায়িত্ব সামৰিছে। টংলা পৌৰসভাই এই গুৰুত্বপূৰ্ণ পথটোৰ লগত নায়িকা নদীৰ দলংখন মেৰামতি অথবা পুনৰ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত কি সুদূৰ প্ৰসাৰী ব্যৱস্থা গ্ৰহণ কৰে সেয়া হব লক্ষণীয় বিষয়।

# ডিব্ৰুগড়ৰ বৰবৰুৱাত কানৈ বাণিজ্য মহাবিদ্যালয়ৰ এনএছ এছৰ ৮ দিনীয়া শিবিৰৰ সফল সামৰণিত পুৰস্কাৰ বিতৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড়, ৮ মে’ ঃ** ডিব্ৰুগড় চহৰৰ বাণিজ্য শিক্ষাৰ একমাত্ৰ শিক্ষানুষ্ঠান ডিব্ৰুগড় হনুমান ব’ সুৰুযমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ দ্বাৰা আয়োজিত বিশেষ শিবিৰ ২৭ এপ্ৰিলৰ পৰা ৪ মে’লৈ অনুষ্ঠিত ডিব্ৰুগড়ৰ বৰবৰুৱা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত সফল সমাপ্তি ঘটে। শিবিৰত স্বেচ্ছাসেৱক, ছাত্ৰ-ছাত্ৰী, শিক্ষকবৃন্দ আৰু বিশেষ অতিথিসকলৰ সক্ৰিয় অংশগ্ৰহণেৰে সমাজিক সচেতনতা আৰু সামগ্ৰিক বিকাশৰ লক্ষ্যৰে বিভিন্ন বাৰেৰহনীয়া অৰ্থবহ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। শিবিৰৰ প্ৰথম দিনা অৰ্থাৎ ২৭ এপ্ৰিলত উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈয়ে শিবিৰৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মুখ্য অতিথি হিচাপে উপস্থিত আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এন এছ এছ কোষৰ সহকাৰী কাৰ্যক্ৰম সমন্বয়ক ড° হিমাদ্ৰী বৰ্মন। নিজৰ ভাষণত অধ্যক্ষ ড° গগৈয়ে এন এছ এছৰ গুৰুত্ব আৰু সমাজমুখী যুৱ শক্তি গঢ়ি তোলাৰ প্ৰয়োজনীয়তা সম্পৰ্কে উল্লেখ কৰে, আৰু ড° বৰ্মনে স্বেচ্ছাসেৱকসকলক নিষ্ঠা আৰু দায়বদ্ধতাৰে সমাজসেৱাত অংশ ল’বলৈ উৎসাহিত কৰে। অনুষ্ঠানত আভ্যন্তৰীণ মান নিশ্চয়তা কোষৰ সমন্বয়ক ড° লুকু মৰাং, সহযোগী অধ্যাপক ড° স্বপ্না নাথ, সহকাৰী অধ্যাপক কেশবানন্দ হালৈ আৰু এন এছ এছ কাৰ্য্যক্ৰম বিষয়া ৰিয়া দাস উপস্থিত থাকে। বিদ্যালয়ৰ প্ৰধান শিক্ষক, শিক্ষকবৃন্দ, ছাত্ৰী সকলৰ লগতে স্বেচ্ছাসেৱক সকলৰ উপস্থিতিয়ে অনুষ্ঠানটো মনোগ্ৰাহী কৰি তোলে। পৰৱৰ্তী কাৰ্য্যসূচী হিচাপে এক স্বচ্ছতা অভিযান অনুষ্ঠিত কৰা হয়, য’ত স্বেচ্ছাসেৱক সকলে বিদ্যালয়ৰ চৌহদ আৰু চৌপাশৰ এলেকা পৰিষ্কাৰ কৰি আবৰ্জনা সমূহ সংগ্ৰহ কৰে আৰু পৰিষ্কাৰ পৰিচ্ছন্নতা সম্পৰ্কে সচেতন কৰে। দ্বিতীয় দিনা স্বেচ্ছাসেৱক সকলৰদ্বাৰা যোগাসন কাৰ্য্যসূচী অনুষ্ঠিত হয়, য’ত ছাত্ৰী সকলক শাৰীৰিক সুস্থতা, মানসিক সুস্থতা আৰু শৃংখলাৰ উন্নয়নত সহায় কৰে। ইয়াৰ পিছতে স্বেচ্ছাসেৱীকা স্নেহা ভগতৰ দ্বাৰা লিংগ সমতা আৰু ক্ষমতাবৃদ্ধি বিষয়ক এক সচেতনতা কাৰ্যসূচী অনুষ্ঠিত হয়। আনফালে স্বেচ্ছাসেৱকসকলে নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক ইতিহাস, ইংৰাজী, সমাজ বিজ্ঞান আৰু কেৰিয়াৰ কাউঞ্চিলিংৰ বিষয়ত পাঠদান কৰে। তৃতীয় দিনা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° চিত্ৰা ৰয়ৰ “বহনক্ষম উন্নয়নত মহিলাৰ ভূমিকা” শীৰ্ষক বিষয়ত সচেতনতা অনুষ্ঠান অনুষ্ঠিত হয়, য’ত সকলো ক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণৰ গুৰুত্ব বিষয়ে জনোৱা হয়। ইয়াৰ পিছতে বিদ্যালয়ৰ ছাত্ৰী সকলৰ মাজত এক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। কানৈ বাণিজ্য মহাবিদ্যালয়ৰ কাৰাটে চেণ্টাৰৰ মুখ্য প্ৰশিক্ষক প্ৰাঞ্জল ফুকনৰ দ্বাৰা ছাত্ৰী সকলৰ আত্মৰক্ষাৰ বিষয়ত এক প্ৰশিক্ষণ অনুষ্ঠান অনুষ্ঠিত হয়, য’ত ছাত্ৰীসকলে বিপদজনক পৰিস্থিতিত নিজকে কেনেদৰে ৰক্ষা কৰিব লাগে সেই বিষয়ে শিকে। চতুৰ্থ দিনা কানৈ বাণিজ্য মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° বিদিশা মহন্তৰ “মহিলা আৰু ডিজিটেল জগত” শীৰ্ষক বিষয়ত সচেতনতা কাৰ্যসূচী অনুষ্ঠিত হয়, য’ত ডিজিটেল সুযোগ আৰু সুৰক্ষিত ব্যৱহাৰৰ বিষয়ে আলোচনা কৰা হয়। কানৈ বাণিজ্য মহাবিদ্যালয়ৰ পৰিসংখ্যা বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° অজিত গোস্বামীয়ে ছাত্ৰীসকলক ডিজিটেল যুগত গণিতৰ সৌন্দৰ্যৰ বিষয়ত এক মননশীল বক্তৃতা প্ৰদান কৰে। ইয়াৰ পাছতে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ নেত্ৰ চিকিৎসক ডাঃ ইন্দিৰা নেওগৰ নেতৃত্বত বিনামূলীয়া চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত হয় আৰু তেওঁ লগতে সমবেত সকলক উদ্দেশ্যি চকুৰ যত্ন সম্পৰ্কে সচেতনতামূলক ভাষণ প্ৰদান কৰে। পৰৱৰ্তী কাৰ্য্যসূচী হিচাপে ডিব্ৰুগড় চহৰৰ অপেক্ষা চিকিৎসালয়ৰ মনোৰোগ বিশেষজ্ঞ ডাঃ পিঙ্কি পোদ্দাৰৰ মানসিক স্বাস্থ্য বিষয়ত সচেতনতা কাৰ্যসূচী অনুষ্ঠিত হয়। পঞ্চম দিন এন এছ এছ গোটৰ সক্ৰিয় স্বেচ্ছাসেৱক অকলিম খান আৰু শৰ্মিষ্ঠা দেবনাথৰ নেতৃত্বত মহাবিদ্যালয়ৰ স্বেচ্ছাসেৱক সকলে বৰবৰুৱা ব্লকৰ অন্তৰ্গত দিবুৱাল দিহিঙীয়া, বৰাহাজাৰ আৰু লাহন গাঁৱত প্ৰায় ১১০টা ঘৰত এক আৰ্থ-সামাজিক সমীক্ষা চলায়, য’ত মহিলাৰ শিক্ষা, আৰ্থ-সামাজিক অৱস্থা আৰু ডিজিটেল ক্ষমতাবৃদ্ধি সম্পৰ্কে তথ্য সংগ্ৰহ কৰা হয়। ষষ্ঠ দিনা অৰ্থাৎ ২ মে’ত মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক বাণী কছাৰী আৰু সহযোগী অধ্যাপক ড° তুলিকা মট্টকে ডিজিটেল উদ্যোমিতা আৰু বিনিয়োগৰ পথ সম্পৰ্কে ভাষণ প্ৰদান কৰি ছাত্ৰ ছাত্ৰী সকলৰ মাজত সচেতনতা প্ৰদান কৰে। ইয়াৰ পিছতে ছাত্ৰীসকলৰ মাজত স্বাস্থ্য সচেতনতা বৃদ্ধি কৰাৰ উদ্দেশ্যে চেনিতাৰী পেদ বিতৰণ কৰা হয়। সপ্তম দিনা স্বেচ্ছাসেৱক সকলে শিবিৰৰ বিভিন্ন কাৰ্যকলাপ সম্পৰ্কে প্ৰতিবেদন লিখনত নিয়োজিত হয়। অন্তিম দিনা অৰ্থাৎ ৪ মে’ত বিদ্যালয়ত এক বৃক্ষৰোপণ কাৰ্যসূচীৰে সমবেত সকলৰ মাজত পৰিৱেশ সুৰক্ষা আৰু বহনক্ষম উন্নয়নৰ প্ৰতি সচেতনতা বৃদ্ধি কৰা হয়। ইয়াৰ পিছত বিদ্যালয়খন স্থাপন হোৱাৰ পৰা শিক্ষকতা কৰা অৱসৰপ্ৰাপ্ত শিক্ষক ময়ন্তী ফুকনক এক ফুলাম গামোচাৰে সম্বৰ্ধনা জনাই গছৰ পুলি উপহাৰ হিচাপে প্ৰদান কৰা হয়। তাৰ পিছত সামৰণী অনুষ্ঠান অনুষ্ঠিত হয়, য’ত কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈয়ে আদৰণী ভাষণ আগবঢ়াই স্বেচ্ছাসেৱকসকলৰ প্ৰচেষ্টাক প্ৰশংসা কৰে আৰু অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ পৰীক্ষাত সৰ্বোচ্চ নম্বৰ পোৱা ছাত্ৰীসকলক পুৰস্কাৰ প্ৰদান কৰে। মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° নৱজ্যোতি দত্তই সাহিত্য আৰু সমাজ সম্পৰ্কত ভাষণ প্ৰদান কৰে আৰু সহকাৰী অধ্যাপক ড° কস্তুৰী শইকীয়াই বাণিজ্য শিক্ষাৰ গুৰুত্ব ব্যাখ্যা কৰে। ৰামেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অনিল নাথ আৰু বৰবৰুৱা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিশ্বজিত মালাকাৰ অনুষ্ঠানটোত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক জীৱনত আগবাঢ়ি যাবলৈ উৎসাহিত কৰে। এন এছ এছৰ কাৰ্যক্ৰম বিষয়া ৰিয়া দাসে আঠ দিনীয়া শিবিৰৰ বিভিন্ন কাৰ্যকলাপৰ সংক্ষিপ্ত বিবৰণ আগবঢ়াই স্বেচ্ছাসেৱকসকলৰ অংশগ্ৰহণৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। কুইজ প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কাৰ বিতৰণ কৰা হয় আৰু শেষত সাংস্কৃতিক অনুষ্ঠানৰ মাজেৰে শিবিৰটোৰ সফলভাৱে সমাপ্ত হয়।

## কোচিং অবিহনে ‘নীট’ উত্তীৰ্ণ, টিউচন কৰি পঢ়াৰ খৰচ বহন; সংগ্ৰামৰ মাজেৰেই চিকিৎসক হোৱাৰ সপোন পূৰণ এলিচৰ

# চাহ বাগিছাৰ কন্যা এলিচ তপ্নৰ উজ্জ্বল সফলতা

### এমবিবিএছ চূড়ান্ত পৰীক্ষাত ৰাজ্যত ৮৬তম্ স্থান, শিলচৰ মেডিকেল কলেজত পঞ্চম স্থান

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৮ মে’ ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত শ্বহীদ নগৰী ঢেকীয়াজুলিৰ এগৰাকী প্ৰতিভাৱান যুৱতী এলিচ তপ্নই এমবিবিএছ চূড়ান্ত পৰীক্ষাত উজ্জ্বল সফলতা অৰ্জন কৰি সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। অসমৰ ভিতৰত ৮৬ সংখ্যক স্থান লাভ কৰাৰ লগতে শিলচৰ মেডিকেল কলেজত পঞ্চম স্থান দখল কৰিবলৈ সক্ষম হোৱা এলিচৰ এই কৃতিত্বই ঢেকীয়াজুলিৰ লগতে সমগ্ৰ জিলাখনত আনন্দৰ বতৰা কঢ়িয়াই আনিছে। উল্লেখযোগ্য যে চাহ বাগিছাৰ এটা সাধাৰণ পৰিয়ালত ডাঙৰ-দীঘল হোৱা এলিচে কঠোৰ পৰিশ্ৰম আৰু অদম্য ইচ্ছাশক্তিৰে জীৱনৰ প্ৰত্যেকটো ধাপ অতিক্ৰম কৰিছে। কোনো ধৰণৰ কোচিং অবিহনে ‘নীট’ পৰীক্ষাত উত্তীৰ্ণ হৈ এমবিবিএছত আসন লাভ কৰা এলিচে নিজৰ মেধা আৰু অধ্যৱসায়ৰ এক উজ্জ্বল উদাহৰণ দাঙি ধৰিছে। পিতৃ অমৃত তপ্নৰ মৃত্যুৰ পিছত জীৱনৰ কঠিন পৰিস্থিতিৰ সন্মুখীন হৈও এলিচে কেতিয়াও লক্ষ্যৰ পৰা পিছুৱাই অহা নাছিল। পিতৃৰ অকাল মৃত্যুৰ পিছত পৰিয়ালৰ দায়িত্ব নিজৰ কাঁধত লৈ টিউচন কৰি নিজৰ পঢ়াৰ খৰচ উলিওৱাৰ লগতে মাতৃ এনি জেকলিন তপ্নক সহায় আগবঢ়াইছিল এলিচে। এইদৰে অসংখ্য বাধা-বিঘ্ন অতিক্ৰম কৰি তেওঁ আজিৰ এই সফলতাৰ শিখৰত উপনীত হ’বলৈ সক্ষম হৈছে। বি এছ চি আৰু এম এছ চি সম্পূৰ্ণ কৰাৰ পিছত এতিয়া এমবিবিএছ ডিগ্ৰী লাভ কৰি চিকিৎসক হোৱাৰ সপোন পূৰণ কৰিছে এলিচে। ভৱিষ্যতে মেডিচিন বিভাগত এগৰাকী দক্ষ চিকিৎসক হিচাপে সমাজক সেৱা আগবঢ়োৱাৰ লক্ষ্য প্ৰকাশ কৰিছে তেওঁ। ইফালে এলিচৰ এই উল্লেখযোগ্য সফলতাৰ বাবে বিভিন্ন সংগঠন আৰু ব্যক্তিয়ে অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। ঢেকীয়াজুলি প্ৰেছ ক্লাবৰ সভাপতি ভগৱান বৈশ্য, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় উপ সভাপতি মোহন তাঁতী, সাংবাদিক সুৰক্ষা সমিতি অসমৰ মুখ্য আহ্বায়ক প্ৰশান্ত বৈশ্য, আহ্বায়ক মণ্ডলী জাহেদ লালী, পংকজ কুমাৰ নাথ, ঢেকীয়াজুলি খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক বুধন চন্দ্ৰ ৰাভা, শিক্ষা আৰু সাংস্কৃতিক সম্পাদক ওম প্ৰকাশ দৰ্জী, কেহেৰুখন্দা হাইস্কুলৰ প্ৰধান শিক্ষক অশোক কুৰ্মী আৰু আদিবাসী ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি আনন্দ তাঁতীয়ে তেওঁক আন্তৰিক অভিনন্দন জ্ঞাপন কৰি উজ্জ্বল ভৱিষ্যতৰ কামনা কৰে। এলিচ তপ্নৰ এই সফলতা নিঃসন্দেহে অঞ্চলটোৰ নৱ প্ৰজন্মৰ বাবে এক অনুপ্ৰেৰণাৰ উৎস হিচাপে পৰিগণিত হৈছে।

# বৰপেটা সত্ৰত সংবাদমেল সম্বোধন বুঢ়াসত্ৰীয়া ড° বাবুল চন্দ্ৰ দাসৰ

**অসম বাৰ্তা, বৰপেটা সদৰ, ৮ মে’ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যত তৃতীয়বাৰৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰ গঠনৰ বতৰাই আনন্দিত কৰিছে বৰপেটা সত্ৰৰ লগতে জিলাখনৰ সত্ৰ আৰু সত্ৰাধিকাৰ সকলক। ভাৰতীয় জনতা পাৰ্টিৰ বৃহৎ বিজয়ৰ লগতে দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰীৰ আসনত উপবিষ্ট হ’বলগীয়া ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতি শুভেচ্ছা তেওঁৰ সুস্বাস্থ্য কামনাৰে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনায় বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাসে। একেদৰে আদিধাম দামোদৰদেৱ সত্ৰ, মহাপুৰুষ মাধৱদেৱ স্থাপিত সুন্দৰীদিয়া সত্ৰ, গণককুছি সত্ৰৰ লগতে একাধিক সত্ৰ নামঘৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মংগল কামনাৰে প্ৰাৰ্থনা জনোৱা হয়। এই বিজয়ক অসমীয়া জাতি আৰু সনাতনী সভ্যতা সংস্কৃতিৰ জয় বুলি অভিহিত কৰে দামোদৰদেৱ গুৰুজনাৰ দ্বাৰা স্থাপিত আদিধাম দামোদৰদেৱ সত্ৰৰ সত্ৰাধিকাৰ ভাস্কৰ দেৱগোস্বামীয়ে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বহিৰাগতৰ আগ্ৰাসনৰ পৰা সত্ৰ সমূহক ৰক্ষাৰ বাবে গ্ৰহণ কৰা কঠোৰ পদক্ষেপকো প্ৰশংসা দামোদৰদেৱ সত্ৰৰ সত্ৰাধিকাৰ বাপজনাৰ। শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, হৰিদেৱ আৰু দামোদৰদেৱ গুৰু স্থাপিত প্ৰায় দুকুৰিখন সত্ৰৰ সমষ্টিৰে পৰিপূৰ্ণ বৰপেটা সমষ্টিতো মুখ্যমন্ত্ৰীৰ সপোনৰ সমষ্টি বুলি অভিহিত কৰি সত্ৰাধিকাৰ বাপ সকলে অগপৰ পৰা নিৰ্বাচিত দীপক কুমাৰ দাসক মন্ত্ৰীসভাত স্থান দিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতি আহ্বান জনায়। সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল চন্দ্ৰ অধিকাৰীৰ লগতে বৰপেটা সমষ্টিৰ বিভিন্ন সত্ৰই মুখ্যমন্ত্ৰীৰ প্ৰতি শুভেচ্ছা জনাইছে আৰু বৰপেটা সমষ্টিৰ পৰা বিধানসভালৈ নিৰ্বাচিত দীপক কুমাৰ দাসকনতুন মন্ত্ৰীসভাত স্থান দিবলৈ আহ্বান জনাইছে।

# ডিব্ৰুগড়ত সাংস্কৃতিক মহাসভা অসমৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা

## ২৭ জিলা সমিতিৰ প্ৰতিনিধি উপস্থিত



**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড়, ৮ মে’ ঃ** ‘সংস্কৃতি সমন্বয়ৰ সোপান’ -এই মূলমন্ত্ৰকে সাৰোগত কৰি সাংস্কৃতিক মহাসভা, অসমে বিগত এঘাৰটা বছৰে ভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি অহাৰ মাজতে ডিব্ৰুগড়ত সাংস্কৃতিক সংগঠনৰ ষষ্ঠ বাৰ্ষিক পূৰ্ণাঙ্গ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাখনি অনুষ্ঠিত হয়। সাংস্কৃতিক মহাসভা, অসমৰ প্ৰায় ২৭খন জিলা সমিতিক প্ৰতিনিধিত্ব কৰা বিষয়ববীয়াকে ধৰি আৰু কেন্দ্ৰীয় সভাপতি, কাৰ্যকৰী সভাপতি, সম্পাদক প্ৰধানকে প্ৰমুখ্য কৰি প্ৰায় দ্বি-শতাধিক লোকৰ উপস্থিতিত ‘ডিব্ৰুগড় চৰকাৰী পেন্সনাৰ ভৱন’ আৰু ‘সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱন’ত দুটা পৰ্যায়ত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাখনি অনুষ্ঠিত হয়। ডিব্ৰুগড় জিলা সমিতি আৰু ডিব্ৰুগড় সদৰ আঞ্চলিক সমিতিৰ আতিথ্যত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাখনি ২৫ এপ্ৰিলত প্ৰথম পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হোৱাৰ পিছত দ্বিতীয় পৰ্যায়ৰ বৈঠকৰ পূৰ্বে, পুৱা ন বজাত সাংস্কৃতিক মহাসভা, অসমৰ পতাকা উত্তোলন কৰে কেন্দ্ৰীয় সভাপতি পবিত্ৰ শৰ্মাই, পুষ্প বৃষ্টি- উৰুলিধ্বনি-পতাকা উত্তোলনী গীতেৰে আৰম্ভণী হোৱা অনুষ্ঠানৰ পিছতেই সাংস্কৃতিক মহাসভা, অসমৰ প্ৰয়াত প্ৰতিষ্ঠাপক সভাপতি শংকৰ দাস, প্ৰতিষ্ঠাপক সম্পাদক বদন শৰ্মা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, সংগীত সূৰ্য জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত ডিব্ৰুগড় জিলা সভাপতি প্ৰমোদ দত্ত, বিনোদ কুমাৰ বড়া, প্ৰদীপ কুমাৰ বৰাৰ দ্বাৰা বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পন কৰা হয়। পৰিৱেশ সজাগতাৰ প্ৰতি লক্ষ্য ৰাখি পাঁচ গৰাকী বিশিষ্ট ব্যক্তি কৃষ্ণকান্ত বৰা, প্ৰাক্তন জিলা সভাপতি নোমল চন্দ্ৰ গগৈ, কেন্দ্ৰীয় উপ-সভাপতি নলবাৰীৰ উমেশ বৰ্মন, আদিৰদ্বাৰা পাঁচ জোপা গছপুলি ৰোপণ কাৰ্যসূচীও গ্ৰহণ কৰা হয়। অনাগত দিনবোৰত অসমীয়া সংস্কৃতিৰ উজ্জ্বল ভৱিষ্যত কামনাৰে পঞ্চমুখী বন্তি প্ৰজ্বলন কৰি উৰুলি ধ্বনিৰে ভগৱন্তৰ শ্ৰীচৰণত প্ৰাৰ্থনা জনোৱা হয়। বন্তি প্ৰজ্বলন কাৰ্যসূচীত অংশগ্ৰহণ কৰে শিক্ষাবিদ ড° দয়ানন্দ শ্বাহ, সঙ্গীত শিল্পী ড° ৰঞ্জু ভট্টাচাৰ্য্য, জ্যেষ্ঠশ্ৰী সন্মান প্ৰাপক ডাঃ বিপিন্দ্ৰ নাথ কাকতিয়ে। আদৰণি অনুষ্ঠান উদ্বোধন কৰে সাংস্কৃতিক মহাসভা, অসমৰ পৰম সন্মানীয় সদস্য ভূপেন শইকীয়াই আৰু ভাষণ পাঠ কৰে সমিতিৰ সভাপতি শব্দৰথী ৰুদ্ৰ গগৈয়ে। কাৰ্যনিৰ্বাহক সভাখনিৰ আৰম্ভণিতে সাংস্কৃতিক মহাসভা, অসমৰ আজীৱন সদস্য নৱনীতা কলিতাক চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত আটাইকেইটা বিষয়ত লেটাৰ মাৰ্কলৈ ডিষ্টিংচন সহ উত্তীৰ্ণ হোৱা বাবে এটি স্মাৰক আৰু প্ৰশংসা পত্ৰ প্ৰদান কৰে কেন্দ্ৰীয় সমিতিৰ বিষয় ববীয়া সকলে। সাংস্কৃতিক মহাসভা, অসমৰ সম্পাদক প্ৰধান প্ৰদীপ কুমাৰ বৰাই আঁত ধৰা সভাত সাংস্কৃতিক মহাসভা, অসমৰ আজীৱন সদস্য পদ গ্ৰহণ কৰা ডিব্ৰুগড় জিলাৰ সোতৰ গৰাকী আৰু পৰম সন্মানীয় সদস্য পদ গ্ৰহণ কৰা দুগৰাকীক মহাসভাৰ প্ৰমাণ পত্ৰ দিয়া হয়। অনুষ্ঠানতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কৰ্মৰাজীক লৈ প্ৰকাশ কৰা ‘বৰণ্য’ শীৰ্ষক গ্ৰন্থখনি উন্মোচন কৰে কেন্দ্ৰীয় সভাপতি পবিত্ৰ শৰ্মাই বুলি জানিবলৈ দিছে সাংস্কৃতিক মহাসভা, অসমৰ ডিব্ৰুগড় জিলা সমিতিৰ সাধাৰণ সম্পাদক চন্দনজ্যোতি কলিতায়।